Dipali Deka

# দুধনৈ মহাবিদ্যালয় আলোচনী

## নৱম সংখ্যা ১৯৯৩-৯৪



সম্পাদক

মুকুল হুছেইন

# দুধনৈ মহাবিদ্যালয় আলোচনী

১৬শ বছৰ ঃ ৯ম সংখ্যা

১৯৯৩-৯৪ ইং

বছৰেকীয়া প্ৰকাশ

# Dudhnoi College Magazine

## 16th Year : 9th issue

## 1993—94

তত্বাৱধায়ক –

অধ্যাপক হেৰম্ব কুমাৰ ৰাভা

সম্পাদনা

মুকুল হুছেইন

# DUDHNOI COLLEGE MAGAZINE : 1993-94

An Annual Publication, Sixtheen year, 9th Issue,
Edited by Mukul Hussain on behalf of **Dudhnoi College Student's Union.**

সম্পাদনা সমিতি ঃ

| | | |
|---|---|---|
| উপদেষ্টা | ঃ | অধ্যক্ষ শ্ৰীকৰুণা কান্ত ৰাভা। |
| তত্বাৱধায়ক | ঃ | অধ্যাপক হেৰম্ব কুমাৰ ৰাভা। |
| সম্পাদক | ঃ | মুকুল হুছেইন |
| সদস্যবৃন্দ | ঃ | অধ্যাপক হৰকুমাৰ নাথ। |
| | | ,, প্ৰদীপ দাস। |
| | | ,, জীৱেশ্বৰ কোচ। |
| | | ,, অশোক ৰঞ্জন ভট্টাচাৰ্য |

**বেটুপাতৰ শিল্পী** ঃ মহিবুল হক,

**মুদ্ৰণ** ঃ শ্ৰীদুলাল বোস
সুচিত্ৰ এডুকেশন সাপ্লায়াৰ্স

প্ৰধান অফিস ঃ
বহৰমপুৰ কুমড়াদা ঘাট
পো ঃ বাৰইপাড়া
জিলা ঃ মুৰ্শিদাবাদ
পশ্চিমবঙ্গ

# সূচীপত্ৰ

## অসমীয়া বিভাগ


শুভেচ্ছা বাণী

সম্পাদকীয়

কৱিতা

| | | | |
|---|---|---|---|
| দুটি কবিতা ক'লি | ঃ | অগ্ৰান চৰকাৰ | ৪ |
| আকাশত, বতাহত, পৃথিৱীত | ঃ | উৎপল কলিতা | ৪ |
| বৃথা অনুকম্পা | ঃ | ৰেনুকা পাঠক | ৭ |
| বিশৃঙ্খলা | ঃ | গোলাপ কলিতা | ৪ |
| আশাহীন | ঃ | লক্ষেশ্বৰ ৰাভা | ৫ |
| মানুহ | ঃ | অনুপ কলিতা | ৫ |
| প্ৰতিমা | ঃ | বিপুল নাথ | ৭ |
| সন্ধান | ঃ | মোঃ ৰুস্তম আলী | ৫ |
| আশা | ঃ | মিচ্ ৰূপালী শইকীয়া | ৪ |

গল্প/প্ৰবন্ধ

| | | | |
|---|---|---|---|
| খন্তেকৰ চিনাৰী | ঃ | নিশিকান্ত দাস | ৮ |
| এটি অন্তৰঙ্গ উপলব্ধি | ঃ | অধ্যাপক জীৱেশ্বৰ কোচ | ১০ |
| পাৰমানৱিক বোমা | ঃ | নিৰেশ দাস | ১২ |
| ভাৰতত গণতন্ত্ৰৰ মাপকাঠি | ঃ | ম্যাক মিলন ৰাভা | ১৪ |
| শব্দ ঃমানৱ দেহত ইয়াৰ প্ৰভাৱ | ঃ | দ্বীপেন বৰুৱা | ১৫ |
| শিশু শিক্ষা ঃ এটি আলোচনা | ঃ | দ্বীপ কুমাৰ যোদ্ধা | ১৭ |
| প্লেটোৰ দৰ্শণত জ্ঞান মীমাংসা | ঃ | সুব্ৰত কুমাৰ দাস | ১৮ |
| অসমীয়া লোক সাহিত্য আৰু বহু নাম | ঃ | ৰত্ন কুমাৰ নাথ | ২০ |
| উপসভাপতিৰ প্ৰতিবেদন | ঃ | কণিষ্ক ৰয় চৌধুৰী | ৪০ |
| ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন | ঃ | শ্ৰী বিমল প্ৰসাদ ৰাভা | ৪১ |
| তৰ্ক আৰু বক্তৃতা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন | ঃ | শ্ৰী হেমন্ত কুমাৰ নাথ | ৪৩ |
| ছাত্ৰী জীৱণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন | ঃ | মিছ সুকৃতি চাংমা | ৪৪ |
| ছাত্ৰ জীৱণী কোঠাৰ সম্পাদকৰ প্ৰতিবেদন | ঃ | শ্ৰী দীপক কুমাৰ শৰ্ম্মা | ৪৫ |
| সংগীত বিভাগ সম্পাদকৰ প্ৰতিবেদন | ঃ | শ্ৰী জনাৰ্দ্দন পাঠক | ৪৫ |
| সাতোঁৰ আৰু শৰীৰ চৰ্চা সম্পাদকৰ প্ৰতিবেদন | ঃ | শ্ৰী বিজু সৰকাৰ | ৪৬ |
| সাংস্কৃতিক বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন | ঃ | মিছ নমিতা বৈশ্য | ৪৭ |
| গুৰু ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন | ঃ | শ্ৰী ৰিপুঞ্জয় খাখলাৰী | ৪৭ |
| প্ৰাচীৰ প্ৰতিকাৰ সম্পাদকৰ প্ৰতিবেদন | ঃ | শ্ৰী জগদীশ শৰ্মা | ৪৮ |
| সমাজ সেবা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন | ঃ | শ্ৰী প্ৰতুল কুমাৰ দৈমাৰী | ৪৮ |

শ্ৰীকৰুণা কান্ত ৰাভা এম এ
অধ্যক্ষ,
দুধনৈ মহাবিদ্যালয়
দুধনৈ, গোৱালপাৰা

ডাক ঃ দুধনৈ - ৭৮৩১২৪
ফোন - ৮১৫৩১

# শুভেচ্ছা-বাণী



কৰ্মৰত অৱস্থাত অধ্যক্ষ শ্ৰীযুত কৰুণা কান্ত ৰাভা

দুধনৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ আলোচনী বিভাগীয় সম্পাদকৰ তত্ত্বধানত ১৯৯৩-৯৪ চনৰ মহাবিদ্যালয়ৰ আলোচনীখন ছপাহৈ ওলোৱাত মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাবে মই নথৈ আনন্দিত। খিৰিকীবিহীন ঘৰটোৰ দৰে আলোচনী বিহীন বিদ্যালয়বোৰ। গতিকে প্ৰত্যেকখন মহাবিদ্যালয়ৰ পৰা নিয়মিতভাৱে এনে এখন আলোচনী সময়মতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ হাতত সময়ত দিব পৰাটো গৌৰৱৰ বিষয়। উলিয়াব ধৰা মহাবিদ্যালয়ৰ এই আলোচনীৰ খনৰ সৰ্ব্বাঙ্গীন আৰু শুভেচ্ছা জ্ঞাপন কৰিছো।

শ্ৰীকৰুণাকান্ত ৰাভা
অধ্যক্ষ,
দুধনৈ মহাবিদ্যালয়
দুধনৈ

৯ নভেম্বৰ ১৯৯৪
দুধনৈ মহাবিদ্যালয়

# সম্পাদকীয়



সাহিত্য, সংস্কৃতি আৰ সভ্যতা এই তিনিওটাহ সমাজৰ প্ৰতিজন মানুহৰ কাৰণে শ্বাস—নিশ্বাসৰ দৰেই প্ৰয়োজন। এটা জাতিৰ দাপোন স্বৰূপ সেই জাতিৰ সাহিত্য। সাহিত্যই সমাজৰ প্ৰতিটো স্তৰত গতিশীলতা দান কৰি জীৱনটো ন'ন ৰূপত সজায়, সকলো মানৱীয় কাৰ্য। গতিকে সংস্কৃতি আৰু সাহিত্যৰ লাগতে চমকপ্ৰদ ভাবে হোৱা দ্ৰুত সলনিৰ লগে লগে সভ্যতাকো প্ৰগতিৰ পথত আগাবঢ়াই নিয়াটো আমাৰ কৰ্তব্য। কিন্তু জাতি একোটাৰ সাহিত্য সংস্কৃতি সুস্থতৰ কৰাৰ কবে সমাজ এখনত নিকা আৰু সুস্থ পৰিবেশৰ প্ৰয়োজন।

কিন্তু আজি আমি প্ৰত্যক্ষ কৰিছো অসমৰ প্ৰতিটো ক্ষেত্ৰত অসামাজিক কাৰ্য-কলাপ। ফলত মানুহে ভোগ কৰিবলগীয়া হৈছে নিদাৰুণ অন্যায়-অত্যাচাৰ, দুখ-দুৰ্দ্দশা। মানুহৰ সুন্দৰ সপোন আশা-আকাংখা সময়ৰ অবাঞ্চিত বিভীষিকাই জোকাৰি জোকাৰি মানুহক অতিষ্ট কৰি তুলিছে। সমগ্ৰ দেশতে মানৱীয় মূল্য বোধৰ অভাৱ পৰিলক্ষিত হৈছে। ভায়ে ভায়ে জাতি, ধৰ্ম, ভাষা-গোষ্ঠী আদিৰ নামত সংকীৰ্ণ আঞ্চলিকতাবাদ, উগ্ৰ জাতীয়তাবাদ আদি ক্ষয়িষ্ণু ব্যাধিয়ে সমাজ জীৱন পঙ্গু কৰি পেলাইছে। এচাম ধুৰন্ধৰ মানুৰূপী সুবিধাবাদী প্ৰাণীৰ কৱলত পৰি সভ্যতা সংস্কৃতি আদিয়ে মৃত্যুৰ এই টোৰে, এতিয়াও অতি নগন্য সংখ্যক হলেও সৎ চৰিত্ৰৰ ব্যক্তি জীয়াই আছে। সেয়ে যুগ যুগ ধৰি মানৱ সমাজৰ সংগ্ৰামৰ ফলত সৃষ্টি হোৱা সভ্যতা সংস্কৃতি বজাই ৰাখিৱলৈ সেই সকল নিঃস্বাৰ্থ ব্যক্তিৰ সতে খোজ মিলাই আগবাঢ়ি যোৱাটো প্ৰতিজন সচেতন নাগৰিকৰ প্ৰধান কৰ্তব্য। এই ক্ষেত্ৰে ছাত্ৰ সমাজ হৈছে সমাজৰ অতি অগ্ৰজ বাহিনী। সেই হেতুকে এই শক্তিকে জাগ্ৰত কৰি সমাজৰ বিধ্বংসী শক্তিৰ বিৰুদ্ধে যুঁজ দিয়াটো প্ৰতিজন সচেতন ছাত্ৰ-ছাত্ৰীৰ কৰ্তব্য।

সমাজৰ ভবিষ্যত নাগৰিক স্বৰূপ যুৱক সকলোৰ বৰ্দ্ধিত উশৃংখলতাই বৰ্তমান সচেতন ব্যক্তি সকলোৰ বাৱ আলোচনাৰ মুখ্য বিষয়বস্তুত পৰিণত হৈছে। ইতিমধ্যে তেওঁলোকৰ বহুতে ড্ৰাক্‌চ সেৱনৰ নিচিনা অপ্ৰীতিকৰ কামত অভ্যস্থ হৈ ভবিষ্যত প্ৰজম্মৰ কবে এক অনাহুত ভাবুকিৰ সৃষ্টি কৰিছে। আনফালে দ্বিধাহীনভাবে কব পাৰি যে চৰকাৰৰ বিভিন্ন মহলত দুৰ্নীতিগ্ৰস্ত বিষয়া, কৰ্মচাৰীৰ অসৎ উপায়েবে অৰ্জা ধনেও উশৃংখলতা বৃদ্ধিত প্ৰকাৰান্তৰে অৰিহনা যোগাইছে। আজিৰ বাতৰি কাকত সমূহত ইয়াৰ সৰৱ আলোচনা হৈছে।

অতি দুখৰ বিষয় যে ভাৰতবৰ্ষৰ স্বাধীনোত্তৰ ৪৮ বছৰত ভৰি দিয়াৰ পিচতো শিক্ষাৰ কোনো পৰিবৰ্তন নহ'ল। আমাৰ শিক্ষা ব্যৱস্থাই আমাক মাথোন কেৰাণী মহৰিলৈ ৰূপান্তৰিতহে কৰিছে। আনহাতে ক্ৰমাগত ভাৱে উচ্চ শিক্ষাৰ সংশোধনৰ কবে চৰকাৰে ১৯৮৬ চনতে নতুন শিক্ষানীতি প্ৰৱৰ্তন কৰিছে, যাৰ ফলশ্ৰুতিত সৃষ্টি হৈছে ক্ৰমবৰ্ধমান নিবনুৱা সমস্যা আৰু উশৃংখলতা। এই পয়ালগ শিক্ষা অৱস্থাৰ অৱসান ঘটাই নতুন কাৰিকৰি ব্যৱহাৰিক শিক্ষা প্ৰৱৰ্তন কৰিবলৈ চৰকাৰক বাধ্য কৰোৱাটো প্ৰজিন সুনাগৰিক তথা ছাত্ৰ ছাত্ৰীৰ মূল কৰ্তব্য হৈ পৰিছে।

বৰ্তমান আমাৰ দেশত কেৱল পুঞ্জিভূত নিবনুৱা সংখ্যাই প্ৰায় ১৫ কৌটি। অৰ্থাৎ বিশ্বৰ ভিতৰতে বৃহৎ নিবুণৱা সমস্যাৰ স্থান দখল কৰিছে। কিন্তু চৰকাৰে এই নিবুণৰা সকলক সংস্থাপন দিয়াৰ বিপৰীতে শ্ৰমিক বঢ়াই Computarization আদিৰ দ্বাৰা কৰ্মসংস্থানৰ পথ ৰূদ্ধহে

কৰিছে। অৱশ্যেই এই ক্ষেত্ৰত যুৱক সকলে অকল চাকৰি মুখী নহৈ ব্যৱসায় বা উন্নত মানৰ বৈজ্ঞানিক পদ্ধতিৰে খেতি কৰি আত্ম নিৰ্ভৰশীল হব পাৰে।

**বিভাগীয় দুষাৰ ঃ—**

আমাৰ এটা ব্যক্তিগত স্বপ্ন আছিল, দুধনৈ মাহবিদ্যালয়ৰ আলোচনীখনি মনোজ্ঞ ৰূপত সজাই তোলাৰ। বেটুপাতৰ উপৰিও মৌলিক লিখনি সমূহ গোটাই প্ৰতিজন পঢ়ুৱৈৰ মনত জীৱন চৰ্যাৰ সঁচা ইঙ্গিত দিব পৰাটো আমাৰ বৌদ্ধিক অনুশীলনৰ সুন্দৰ চানেকি। তেনে ইঙ্গিত দিবলৈ আমাৰ আগ্রহৰ সীমা নাছিল। কিন্তু ভৱা মতে নহ'ল। আলোচনীখনৰ বাবে সংগৃহিত বহুতো গল্প, কবিতা, প্ৰবন্ধ আদি নিম্ন মানদণ্ডৰ আৰু সেইবোধ প্ৰকাশৰ উপযোগী নহয। কিন্তু আমাৰ নিজৰ ভাষাটো শুদ্ধকৈ লিখিবলৈ যত্ন কৰাটো প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰে অন্ততম কৰ্তব্য।

এইবাৰ মহাবিদ্যালয় সপ্তাহত সাহিত্য প্ৰতিযোগিতাত অসমীয়া গল্প কবিতা প্ৰবন্ধৰ ওপৰিও পোন প্ৰথমবাৰৰ কৰে থিতাতে চিত্ৰ অঙ্কন, কবিতা লিখা, কৌতুক লিখা অদি প্ৰতিযোগিতা পাতিছিলো। বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে এই প্ৰতিযোগিতা উন্নত মানৰ হৈছিল। সকলো প্ৰতিযোগীৰ উজ্জ্বল ভবিষ্যত কামনা কৰিলো।

**কৃতজ্ঞতা স্বীকাৰ ঃ—**

দুধনৈ মহাবিদ্যালয়ৰ সাহিত্য বিভাগৰ সেৱা আগবঢ়োৱাৰ সুবিধা পোৱা বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতা জানাইছো। আলোচনীখনৰ সম্পাদনাৰ কাম বছৰটোত পৰিস্থিতি সাপেক্ষে ব্যস্ততাৰ উপৰিও আন বহুতো আনুষাগিক অসুবিধা হেতুকে পলমকৈ প্ৰকাশ পালে। তাৰ বাবে সমূহ পঢ়ুৱৈৰ ওৰেত ক্ষমা বিচাৰিছো। তদুপৰি আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত অজানিতে ৰৈ যোৱা ভুল-ত্ৰুটিৰ বাবে কৰযোৰে ক্ষমা বিচাৰিছো। সম্পাদনাৰ ক্ষেত্ৰত আৰম্ভনীৰ পৰা শেষলৈ সৰ্বাত্মক সহযোগ আগবঢ়াইছে তত্বাৱধায়ক অধ্যাপক শ্ৰীহেৰম্ভ কুমাৰ ৰাভা আৰু অধ্যাপক শ্ৰীজীৱেশ্বৰ কোচ মহাশয়ে। তেখেত সকললৈ আগবঢ়াইছো মোৰ সশ্ৰদ্ধ কৃতজ্ঞতা। প্ৰকাশৰ ক্ষেত্ৰত বিভিন্ন দিহা পৰামৰ্শ দান কৰা বাবে অধ্যক্ষ শ্ৰী কৰুনা কান্ত ৰাভা, অধ্যাপক শ্ৰী তপন কলিতা, অধ্যাপক শ্ৰী হৰকুমাৰ নাথ আৰু অদ্যাপক শ্ৰী অশোক ভট্টাচাৰ্য মহোদয় সকললৈ আন্তৰিক কৃতজ্ঞতা জানাইছো। বিভিন্ন কামত সহায় কৰা বন্ধু-বান্ধৱী সকললৈ মোৰ মৰম আৰু শুভেচ্ছা জ্ঞাপন কৰিছো। সদৌ শেষত বেটুপাতৰ শিল্পী মহিবুল হক (মুন) ক মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো।

**জয়তু দুধনৈ মহাবিদ্যালয়**

**মুকুল হুছেইন**
আলোচনী সম্পাদক,
দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতাসভা
চন ঃ ১৯৯৩-৯৪

## দুটি কবিতা—ক'লি

অম্লান চৰকাৰ,
স্নাতক ৩য় বৰ্ষ (কলা)

(১) অনন্ত প্ৰতীক্ষা
কি যে ভয়াবহ
অসহনীয়—!
তোমালৈ প্ৰতীক্ষাৰ...
এই ৰক্তাক্ত গধূলিৰ
গতিহীন মুহূৰ্ত মোৰ...।।

(২) প্ৰহেলিকা
বৰদৈচিলাৰ প্ৰচণ্ড কোৰত মেল খালে
মোৰ বুদ্ধ দুৱাৰ
গভীৰতাৰ বুকুত আঘাত কৰি নিলে
কলিজাটো মোৰ,
সম্প্ৰতি—
তোমাৰ শোৱনি কোঠাৰ এলবামত

## আকাশত, বতাহত, পৃথিৱীত

উৎপল কলিতা
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ (কলা)

জুয়ে পোৱা পাহাৰ বগাই
মৰিশালিৰ বুকুয়েদি,
উভতি আহিল
বন্ধুজন।

গৰকি আহিল
সেউজীয়া পথাৰ,
সমাধি,
জাতত আগ্নেয়-অস্ত্ৰ
কিন্তু কামিজৰ মোনাত
শুকুলা ৰং

তেজে ধোৱা পাহাৰ বগাই
মানুহৰ বুকুয়েদি
উভতি আহিল
বন্ধু জন।

গছকি আহিল
কলিজাৰ তেজ।
দলিয়াই পেপলে "অস্ত্ৰ"
ৰনুৱাৰ সাজ।

চটিয়ালে শুকুলা ৰং
আকাশত, বতাহত.....

## আশা

মিচ্ ৰূপালী শইকায়া
স্নাতক দ্বিতীয় বাৰ্ষিক (বিজ্ঞান শাখা)

সীমাহীন বেদনাৰ মজাত
প্ৰস্তৰ মূৰ্ত্তিৰ দৰে
জীয়াই থাকিব বিচাৰিছোঁ,

আজিকালি তোমালোকৰ
দুখবোৰেও চোন
মোক কন্দুৱাব নোৱাৰে!

মোৰ অনুভূতিবোৰ
ৰৰফৰদৰে গোট মাৰি
উচ্চ গলনাঙ্কতো গলিব নেজানে।

মোৰ হৃদয় যেন
এটুকুৰা শিল,

হাজাৰ ধুমুহাতো
ক্ষয়ীকৰণ নোহোৱা প্ৰস্তৰ।

অস্তিত্বৰ তাড়নাত
মোৰ সমগ্ৰ সত্ত্বা যেন এক যন্ত্ৰমানৱ,
আদেশ মানি লয়
দুৰন্থ পৰিচালনাৰ প্ৰতিটো সংকেত।
প্ৰতিটো দিনৰ সংগ্ৰামত
পূৰ্ণ হয় জীৱনৰ অপূৰ্ণতা
হয়তো এয়া জীয়াই থকাৰ তাড়না।

## বিশৃংখল

শ্ৰীগোলাপ কলিতা
স্নাতক ২য় বৰ্ষ (কলা)

পোহৰ বিচাৰি
পালো এন্ধাৰৰ অটল গহ্বৰ
শান্তি বিচাৰি গৈ
দেখিলো তেজৰ সাগৰ।

পূণ্যৰ বতৰালৈ
পাপৰ ভাৰৰে ছানিছে আকাশ
মানৱতাৰ ৰূপ বিচাৰি
দেখিলো কিশোৰীৰ ৰক্তাক্ত কৰঙন

জ্ঞান বিচাৰি গৈ
সভ্যতাৰ জখলা বগাই
দেখিলো বৰ্ব্বৰতাৰ উলঙ্গ আলিঙ্গন

উভতি আকৌ দেখিলো শেষত
অহিংসা সাঁতুৰিছে নৰক কুণ্ডত।

## মানুহ

অনুপ কলিতা
স্নাতক ২য় বৰ্ষ (কলা)

বাৰ্লিন প্ৰাচীৰ
দুটা একে জাতিৰ মিলনত
বাধাৰ প্ৰাচীৰ
পূৱ আৰু পশ্চিম জাৰ্মানীৰ।

ঠিক একেদৰে
তোমাৰ আৰু মোৰ
ভিন্ন গোষ্ঠীৰ নামত
আছে অভেদ্য প্ৰাচীৰ।

এদিন বাৰ্লিন প্ৰাচীৰ খহি পৰিল
দুয়োফালে থকা
আত্মীয় স্বজনৰ হৃদয়ৰ আহ্বানত ০০

এদিন আমাৰো ভাঙিব
গোষ্ঠীগত প্ৰাচীৰ
জাতিগত বৈষম্য ০০০
তেতিয়া
সোপালী সপোন
দিঠকত পৰিণত হব ০০০

আৰু
তেনেকৈয়ে হ'ব
নতুন প্ৰজন্ম
আমাৰ পৰিচয় হ'ব
"মানুহ"
কেৱল মানুহ ০০

● ● ●

## আশাহীন

লক্ষেশ্বৰ ৰাভা
উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ (বিজ্ঞান)

মই আশাহীন পক্ষী
আশাৰ পক্ষী বিচাৰি,
আশাক সঙ্গী কত কত হেপাহেৰে।
যি কথা নুবুজিলা.....
ই যেন পৰি ৰ'ল
মোৰ আবেগ ভৰা মনত, বুকুৰ মাজত,
বাজি থাকে অহৰ্নিশে
সোঁৱৰণী সূৰ.....
নৈৰ সোঁতত উটি যায়
অতীতৰ যত গাথা।
নীৰেৱে বাট-পথ সলালো
জীৱনক সজাবলৈ
তথাপি মনত নহ'ল গুঁঠা সপোন
অনাগত দিনৰ বাবে।

● ● ●

## সন্ধান

মোঃ ৰুস্তম আলী
স্নাতক ৩য় বৰ্ষ ঃ কলা

ভাবিছিলো তৃষিত দুচকুত
একাজুলি সিক্ত,
প্ৰত্যয়দীপ্ত জোনৰ পোহৰ
ঋতুৰাজ বসন্তৰ আগমন
বিচৰা নাছিলো,
ক্ষত-বিক্ষত শৰীৰত তেজৰ-দাগ
ৰাজহাড়ত এজলকা তেজ,
আৰু তপত অশ্ৰু.....
এন্ধাৰৰ মাজে মাজে দৌৰাৰ প্ৰত্যাশাত
উজুটি খাইছিলো সোণোৱালী পথাৰত
প্ৰসাৰিত কৰিছিলো দুহাত।
বিচৰা নাছিলো ধুমুহাৰ গোঁজৰনি,
দুখ আৰু যাতনাত অহৰহ ডুবি থকা
সূৰ্য্যৰ জয়াল মুহূৰ্ত
আইৰ বুকুত মুখ গুজি
উচুপি কান্দিছিলো
কদৰ্য্য এটা ৰাতিত—।

## প্ৰতিমা

শ্ৰী বিপুল নাথ
স্নাতক ২য় বাৰ্ষিক (কলা)

এটি অন্ধকাৰ ৰাতিক
প্ৰতিমা সাজিলোঁ
দৈত্য বিনাশিনী শক্তি বুলি
সাষ্টাঙ্গে প্ৰণাম কৰিলে
আটায়ে।
তেজ দি গঢ়িলোঁ সূৰ্য্য
যি আবিনাশী শক্তিৰ উৎস।
এটা সময়ত
চকু কাণ নাক জিভা
সকলো উচৰ্গা কৰিলো।
শেষত
নিঃসকোচে প্ৰাণ বিসৰ্জন দি
গঢ়িলো প্ৰতিমাৰ হৃদস্পন্দন।

এতিয়া প্ৰাণবন্ত অন্ধকাৰত
আমাৰ কংকাল
এটুকুৰা শিলৰ দৰে
স্থবিৰ হৈ আছো।
আমাৰ ওপৰত এতিয়া
শ্লীলতাৰ প্ৰদূষণ।

## বৃথা অনুকম্পা

মিচ ৰেণুকা পাঠক
স্নাতক ২য় বৰ্ষ (কলা)

বহাগ আহিব বুলিয়েইতো কপৌ ফুলিল,
কোনে জানে সময়ৰ প্ৰত্যাহ্বানত
বৰদৈচিলাজনীও যে হব ৰাংঢালী
তথাপিও জানো মই,
বহাগ যে আজন্মৰ প্ৰতীক।

গোলাপ, সিটো নহয় ফুল
ই যেন কোনোবা দুখুনীৰ,
দুগালৰ তপত তেজ,

তথাপিও জানো মই,
কাঁইটৰ মাজতো গোলাপৰ প্ৰকাশ।
কেতেকী, কিয় বাৰু গান জুৰিলি?
তইতো নুবুজ আজলী,
ফুলি উঠা ৰঙা পলাশো
এতিয়া পৰিল সৰি।

কোনে বাৰু কৈ গল
কানে কানে
হৃদয়ে বিৰক্ত ছন্দত
স্পন্দন তোৰ জাগেনে?
এৰা, তাকো জানো মই,
তাকো বুজো মই।

কিন্তু কি?

চোৰা এয়া,
দুহাতত মোৰ শিকলি।

# ক্ষান্তেকৰ চিনাকি

**নিশিকান্ত দাস**
স্নাতক ২য় বৰ্ষ ঃ বিজ্ঞান

### কল্প বিজ্ঞান ভিত্তিক গল্প

অবুনাভক আচৰিত কৰি দি বিউটিয়ে তেওঁৰ ওচৰলৈ আহি কৈছিল, 'বেয়া নেপাব, ডঃ পাণ্ডে মোৰ দেউতা। আপুনি বহক।'

বিউটি আঁতৰি গৈছিল অবুনাভৰ সম্মুখৰপৰা। তেওঁৰ চকুত থাকি গল বিউটিৰ অৰ্থব্যঞ্জক চাৱনি। এনেটকায়ে খন্তেক মুহূৰ্তই জীৱনৰ একোটা সজল স্মৃতি হৈ ৰয়.....

দীঘল বৈ পৰা চুলিটাৰিৰে অবুনাভৰ ফেকাল্টিৰ ডীন'ৰ জীয়েক বিউটি, তন্বী; আৰু শুধ বগা সাজ পতিহীতা। সদায় অহাৰ দৰে আজিও সেই একেই মৃদু-চঞ্চল খোজেৰে আহি আছে দীঘল বাৰান্দাখনৰে ইটো মূৰলৈ। লগাতকৈ অলপবেছি গম্ভীৰহৈ অবুনাভে নতুন জাৰ্ণেলখনৰ পাত লুটিয়াবলৈ ধৰিলে। ঠিক অবুনাভ ভৰাব দৰেই সমুখেৰে পাৰ হৈ গল তাৰ আটাইতকৈ ভাল লগা ছোৱালীজনী। কি বাবু বিচাৰি পায় সি বিউটিৰ চকুত? এজনী মজলীয়া ধৰণৰ চকুত লগা ছোৱালী অত্যন্ত মূখস্থ শক্তিৰে বনোৱা স্বাভাবিক কেৰিয়াৰ চঞ্চল খোজ, উদাসীন চাউনি, মুখত লাগি থকা হাঁহি, ঠিক এই খিনিয়েই।

হঠাৎ কেতিয়াবা তাৰমনত পৰিয়ায় নিজৰ ঠাইলৈ। সুদূৰত এৰি অহা তাৰ সেউজীয়া খনি। ব্ৰহ্ম পুত্ৰৰ টৌৰে চুই যোৱা সৰল গাঁওখনি। মনত পৰে সেই দিনটোলৈ যি দিনা অবুনাভে ভৰিদিছিল এহেজাৰ কিল'মিটাৰ আঁতৰৰ ইনষ্টিটিউতখনৰ বহল কেম্পাচৰ শৃংখল পকী ৰাষ্টাত। কি জানো আছিল দিনটো তাৰ নিজৰ এশ বছৰীয়া পুৰণি বিল্ডিংটোৰ সম্মুখৰ শিৱ মন্দিৰটোত সিদিনা কিবা উৎসৱ হৈছিল সেই দিনাই প্ৰথম চিনকি হৈছিল বিউটিৰ লগত। আগ দিনাই ৰেলৰ পৰা আৰ্মি কেম্পাছৰ হোটেল এখনত উঠিছিল অবুণাভ পিছদিনা হাতত মাথো এটা সৰু ফাইল লৈ প্ৰথম বাৰৰ বাবে খোজ দিছিল কেম্পাছৰ ভিতৰৰ মসৃন ৰাস্তাত।

বৈ পৰা চুলি, পাতল নীলা ৰঙৰ চুৰিদাৰ কপালত ফোট হাতত এখোপা মন্দিৰৰ নিৰ্মালি.....সন্মুখত ছোৱালী জনীক পাই তাইকে সুধিছিল অবুনাভে...... "Excuse me please, do, you know Dr. Pandey ? Dean of this faculty—"...... অবুনাভে আঙুলিয়াই দিছিল সম্মুখৰ বৃটিছ মডেলৰ বিল্ডিংটোলৈ।

ক্ষন্তেকৰ বাবে অবুনাভৰ ফভে ছোৱালী জনীৰ দৃষ্টি পৰিল। আৰু কৈছিল ঃ "Yes, come with me. I shall help you." সৰল ইংৰাজীতে উত্তৰ দিছিল বিউটিয়ে। তাই অসমীয়াতে সুধিলে ঃ "আপুনি ইয়ালৈ প্ৰথম আহিছে?"

"হয়। অসমৰ পৰা। চাহ পাতৰ দেশ।" অবুনাভে মৃদু হাঁহি মাৰি কৈছিল। মৃদু হাঁহি বিৰিঙি ছিল তাইৰ ওঁঠত। প্ৰথম চিনাকিতেই যেন একাত্ম হৈ গৈছিল, দুয়োবে মাজত। তাৰ পিছত দুয়োৰে নাম, থকা ঠাই, একাডেমিক কেৰিয়াৰ আদিৰ বিষয়ে আলোচ হ'ল। কিন্তু তাক আচৰিত কৰি দি অকল নামটোৰ বাদে আন আটাইবোৰ কথাই এৰাই গৈছিল তাই। এটা সুবৃহৎ খৰৰ গেট খুলি অবুনাভক আগুৱাই দিছিল বিউটিয়ে। পটিকত সজাই যোৱা চিয়াৰত বহিব দি কাষৰ ৰুমটোৰ পৰ্দা ঠেলি ভিতৰৰ কাৰোবাক সি নুবুজা কিবা এটি ভাষাত বিউটিয়ে কিবা এটা কৈছিল। তথাপি, তাইৰ মুখৰ নুবুজা কথা কিনিৰ মাজতে স্পষ্টকৈ শুনা পাইছিল অবুমাভে "পাপ্পা" শব্দটো। তাৰ মানে? বিউটি ডীন ছাৰৰ ছোৱালী? হয়; অবুনাভক আচৰিত কৰি দি বিউটিয়ে তাৰ ওচৰলৈ আহি কৈছিল "বেয়া নেপাব, ডঃ পাণ্ডে মোৰ দেউতা। আপুনি বহক।"

বিউটি আঁতৰি গৈছিল তেওঁৰ সমুখৰ পৰা। অবুনাভৰ চকুত থাকি গল বিউটিৰ অৰ্থব্যঞ্জক চনি। এনেৰকয়ে খন্তেক মুহূৰ্তই জীৱনৰ একোটা সজল স্মৃতি বৈ ৰয় ..

নাম ভৰ্ত্তি, হোষ্টেল আদি যাবতীয় কাম বোৰ হওঁতে তাৰ প্ৰায় এসপ্তাহ লাগিল। ইতিমধ্যে ডঃ পাণ্ডে অবুনাভ ৰিচাৰ্চ গাইড্ লেবৰেটৰী আদি ঠিক কৰি দিছে। এটা নিৰ্দিষ্ট প্ৰকল্পত গবেষণাৰ বাবে আহিছে অবুনাভে। কেম্পাচৰ প্ৰায় চাৰি ও ফালে এতিয়া তাৰ চিনকি। তাৰ বাবে নিৰ্দিষ্টকৈ ৰখা সৰু কম্পিউটাৰটো ফেকাল্টিৰ মূল কম্পিউটাৰবোৰ, জাপানৰ পৰা ইম্পাৰেটেড ডাঙৰ ডাঙৰ মেচিনবোৰ, সুসজ্জিত লেবৰেটৰৰী এতিয়া এই আটাই বোৰৰ লগতেই চিনাকি অবুনাভ।..... আৰু এই বোৰৰ মজাতেই আকৌ দেখা হৈ যায় কেতিয়াবা বিউটিৰ লগত। কেতিয়াবা দূৰৰপৰা কেতিয়াবা একেবাৰে ওচৰতে। দুটা মৃদু হাঁহিৰ বিনিময়, দুয়োৰ চকুৰ ক্ষন্তেকীয়া ওভাৰলেভ, ঠিক এই খিনিতেই সীমাবদ্ধ এতিয়া সিহঁতৰ চিনাকি। ইতিমধ্যে অবুনাভে গম পাইছে বিউটি তেওঁৰ কাষৰ ফেকাল্টিটোৰ কিবা এটা ক্লাছৰ ছাত্ৰী।

তাৰ লেবৰেটৰীৰ ভিতৰৰ পৰা বহল কাচৰ দৰ্জাৰে অথবা বাৰাণ্ডাৰ সিপাৰৰ লাইব্ৰেৰীৰ মুকুলি বিডিং ঝমৰ পৰা অবুনাভ সদায় দেখে, এটা নিৰ্দিষ্ট সময়ত সুমুখেৰে যোৱা

বিউটি আৰু ধক্ ধকীয়া বগা ছোৱালীজলী। সেই একেই সময় হয়তো দুয়োৰো নিৰ্দিষ্ট এটা ক্লাছৰ অফ টাইম। অৰুনাভৰ মনত ভাব আহে বিউটি হঁতেতো লেবৰেটৰীৰ সমুখৰ লাইব্ৰেৰীৰ বহল ৰিডিং বৃমটোতো আহিব পাৰে। কিয় বাৰু বিউটিহঁতে এদিনো ইয়ালৈ নাহে? কিন্তু ভৱাৰ বাহিৰে কৰিব পৰা একোৱেই নাই অৰুনাৰ। সাধাৰণ মিচিকিয়া হাঁহি আৰু সৌজন্যসূচক ভাৱ বিনিময়তেই সীমাবদ্ধ তেওঁলোকৰ চিনাকি। তাত পাই আত্মীয় সৌহাৰ্দ্য, নাই ঠাট্টা মস্কৰা, নিবিড় আলাপ অথবা আবেগভৰা সুখ-দুখৰ একাত্মতা

কিন্তু.....হঠাতে অৰুনাভে যেন কিবা এটা নতুন কথা ভাবি পেলালে। কিবা উপায়ে যদি বিউটিক ৰিডিং বৃমৰ প্ৰতি আকৰ্ষিত কৰিব পৰা যায়.....তাৰ ভাৱ ক্ৰমে গভীৰ হৈ গৈ থাকিল। জীৱনৰ মধূৰ কিছু আস্বাদৰ সন্ধানত সন্ধানী অৰুনাভৰ মন। এটা নতুন ভাৱৰ পৰা আন এটা নতুন ভাৱলৈ বাগৰি থাকিল প্ৰতি চেকেণ্ডত তাৰ সন্ধিৎসু মন.....ঠিক কিবা এটা সাংঘাতিক অথবা অতি সৰল এটা যান্ত্ৰিক অথবা আবেগ মিহলি অনুভূতি। অলপ সময়ৰ ভিতৰতেই অৰুনাভে আটাই খিনি কথা প্ৰণালীবদ্ধ ভাবে জুকিয়াই চালে। যদি বিউটিৰ সেই প্ৰকৃতিগত দুৰ্বলতা, উগ্ৰ সুগন্ধিৰ প্ৰতি অত্যাধিক আকৰ্ষণক কিবা উপায়েৰে তেওঁ কামত লগা পাৰে; কিন্তু যেন কিছু অসুবিধাত পৰিল—প্ৰত্যেকৰ বাবেই যে ই ভিন্ন। বিউটিৰ দুৰ্বলতা থকা সেই নিৰ্দিষ্ট সুগন্ধিটো সি কেনেকৈ উলিয়াব? ইয়াৰ বাবে প্ৰয়োজন হব বিভিন্ন সুগন্ধি প্ৰতিথকা বিউটিৰ ভিন্ ভিন্ দুৰ্বলতাৰ মাত্ৰা ৰেকৰ্ড কৰিব লাগিব বিভিন্ন গোন্ধৰ বিউটিৰ উত্তেজনাৰ মাত্ৰা আৰু তাতোকৈ ডাঙৰ অসুবিধাটো হল বিউটিৰ ওপৰতো অৰুনাভে যন্ত্ৰৰ দৰে পৰ্য্যবেক্ষণ চলাব নোৱাৰে। অৰুনাভৰ লগত বিউটিৰ সম্পৰ্ক কেৱল সাধাৰণ, আৰুখন্তেকীয়া, বিউটিৰ ওপৰত হ'ব দীঘলীয়া পৰীক্ষা। অৰুনাভ যেন কিছু হতাশ হৈ পাৰিল। কিবা এটা পোৱা আশাত কেই মূহুৰ্ত্তমান আগতে থকা তাৰ সেই উৎফুল্লিত মূহুৰ্ত্তবোৰ যেন ক্ৰমাৎ নাইকীয়া হৈ গল।

হঠাৎ অৰুনাভৰ মনত পৰিল সেই নিৰ্দিষ্ট কথাষাৰ—কোনোবা এখন চেমিনাৰত এজন গবেষকে উত্থাপন কৰা সেই নতুন তথ্যটো.....প্ৰত্যেক মানুহৰেই একো একোটা নিৰ্দিষ্ট গোন্ধৰ প্ৰতি আটাইতকৈ বেছি দুৰ্বলতা থাকে আৰু এই নিৰ্দিষ্ট গোন্ধৰ বাবে মানৱ দেহত সৃষ্টি স্বয়ংক্ৰিয় উত্তেজনাৰ ফলত দেহৰ চুলি আৰু নোমৰ বৃদ্ধিৰ হাৰ বাঢ়ে। যিকোনো এটা গোন্ধই মানৱ দেহত সৃষ্টি কৰা এইউত্তেজনা প্ৰত্যেক জল স্নায়ুই কঢ়িয়াই নিয়ে কোষ বোৰলৈ আৰু কোষৰ পৰা ওলোৱা বিশেষ ৰাসায়নিক পদাৰ্থই মেনে আৰু চুলিৰ বৃদ্ধিৰ হাৰ বাৰে।

এদিনৰ ভিতৰতেই অৰুনাভে সম্পূৰ্ণ ভাবে তাৰ পৰিকল্পনাটোৰ এটা আঁচনি প্ৰস্তুত কৰি ললে। প্ৰথমতে সি চহৰৰ ভাঙৰউ ভাঙৰ বিপনী সমূহ আৰু ৰসায়নৰ গবেষনাগাৰৰ পৰা বহুবিধ সুগন্ধি সংগ্ৰহ কৰিলে। প্ৰতিদিনে একোবিধ নিৰ্দিষ্ট সুগন্ধি বতাহত এনেদৰে এৰি দিয়ে যাতে বিউটিয়ে গোন্ধ পায়.....অৱশেষত সংগ্ৰহ কৰিব লাগিব যিটিৰ এজল দীঘল চুলি, মত ৰেকৰ্ড হৈ থাকিব বিভিন্ন গোন্ধৰ বাবে ভিন্ ভিন্ উত্তেজনা.....বিচাৰি উলিউৱা হব সেই নিৰ্দিষ্ট গোন্ধটো যাৰ বাবে চুলি ডালত পোৱা যাব সৰ্বাধিক বৃদ্ধি। তাৰ পিছত.....ৰিডিং বুম আৰু অৰুনাভৰ দেহ সুগন্ধিত কৰা হব সেই নিৰ্দিষ্ট গোন্ধটোৰে বিউটিয়ে কব নোৱাৰকৈ এটা পৰিকল্পিত প্ৰক্ৰিয়া। এয়া যে ইন্দ্ৰিয়ৰ স্বয়ংক্ৰিয় সুক্ষ্মানুভূতিৰ সুযোগ লৈ এখন হৃদয় চুৰি। এখন হৃদয়ৰ বাবে আন কিবা এটা পোৱাৰ হেঁপাহ! অৰুনাভৰ মনৰ প্ৰশস্তিৰ বাবে, এয়া অত্যন্ত প্ৰয়োজন।

বাহিৰৰ বাৰণ্ডাৰ চঞ্চল চপ্পলৰ আৱাজ, হাইহলৰ খট্‌খট্ শব্দ অথবা ছোৱালী জাকৰ উল্লাসৰ হাঁহি, গবেষনাগাৰৰ ভিতৰ ব্যস্ত তথা সময়ত এই বোৰৰ এটাও তাৰ মন চুব নোৱাৰিছিল। কাণত নিৰ্দিষ্ট ইন্টাৰভেলৰ টাইমাৰৰ টিক্ টিক্ চকুত সুবৃহৎ যন্ত্ৰৰ লগত সংযুক্ত কেবাটাও মিটাৰৰ উঠা নমা কৰা কঁটা আধামিটাৰ দীঘল থাৰ্মোমিটাৰৰ ক্ৰমাৎ উঠি যোৱা ক্ষীণ পাৰাস্তম্ভ, লগে লগে হাতৰ আঙুলিৰ মৃদুচাপ তাৰ কাষতে থাকা সৰু কম্পিউটাৰটোৰ কোমল চুইছ কোৰত ঠিক এই খিনিৰ মাজতেই অভ্যস্ত আছিল অৰুনাভ। আজি কালি সি এই আটাইবোৰৰ পৰা আঁতৰি থাকি ব্যস্ত থাকে তাৰ নিজস্ব পৰিকল্পনাৰ সতে।

প্ৰত্যেক দিনা সেই নিৰ্দিষ্ট সময় ঠিক যেতিয়া বিউটিয়ে বাৰাণ্ডাৰে কমন ৰামলৈ যায়, তাৰ আগে আগে এটমাইজাৰেৰে স্প্ৰে কৰি অৰুনাভ লেবৰেটৰীৰ ভিতৰৰ পৰা ৰাৰাণ্ডালৈ একো বিধ নিৰ্দিষ্ট সুগন্ধি। ৰাৰাণ্ডাৰ ইটো মূৰৰ পৰা সিটো মূৰলৈ বিয়পি পৰে পাতল সৌগন্ধ। বিউটিয়ে সদায় অতিক্ৰম কৰে সেই দীঘল ৰাৰাণ্ডা। ক'ব নোৱাৰাকৈয়ে এক গভীৰ মায়াজালৰ মাজেৰে। প্ৰতি দিনে লৈ যায় একোটা ভিন্ন গোন্ধ, অনুভূত হয় প্ৰতি দিনে ভিন্ন উত্তেজনা; বৈ যায় একোটা বৃদ্ধিৰ স্পষ্ট তাইৰ বৈ পৰা দীঘল চুলিটাৰিৰ প্ৰতি ডালতেই।

এনে দৰে বিউটিৰ ওপৰত চলিল তিনি সপ্তাহ জোৰা নীৰব পৰীক্ষা। অৰুনাভ খুৱ কষ্টৰে সংগ্ৰহ কৰিলে বিউটিৰ এডল দীঘল চুলি। সযতনে লৈ গল "হেয়াৰ এনালাইজ" বিষয়ক এটা সুকীয়া গবেষণাগাৰলৈ। উলিয়াই দিলে চুলিজলৰ তিনি সপ্তাহৰ প্ৰত্যেক দিনৰ ভিন্ ভিন্ বৃদ্ধি একোটা নিৰ্দিষ্ট দীঘলীয়া স্পষ্ট একোটা নিৰ্দিষ্ট গোন্ধৰ বাবে।

সোমাই দিয়া হ'ল আটাইখিনি ডাটা বৃহৎ কম্পিউটাৰৰ ইন পুটত। মনিটৰ পৰ্দাত ডিচ প্লে হল এভাল উঠা নমা কৰা গ্ৰাফ ভিন্ন গোন্ধৰ বাবে ভিন্ন অনুভূতি। বিচাৰি উলিউৱা হল....."পিক্‌পইন্ট" এটা নিৰ্দিষ্ট গোন্ধৰ বাবে বিউটিৰ দেহত হোৱা আটাইতকৈ বেছি উত্তেজনা আয়ত্তলৈ আহিল বিউটিৰ আটাইতকৈ বেছি দুৰ্বলতা। উৎফুল্লিত হৈ উঠিল অৰুনাভ। বজাৰত সহজতে নোপোৱা ৰসায়নৰ গবেষণাগাৰৰ পৰা বৰ কষ্টকৈ সংগ্ৰহ কৰা সেই নিৰ্দিষ্ট গোন্ধটি, বিউটিক যিয়ে দিয়ে আটাইতকৈ বেছি উত্তেজনা.........।

এতিয়া প্ৰতি দিনেই অৰুনাভ দেহ উগ্ৰভাবে সুগন্ধিত হৈ থাকে সেই নিৰ্দিষ্ট গোন্ধটোৱে। বাৰান্দাত, ৰিডিংৰুমত এটমাইজাৰেৰে আলেপজনাকৈ সদায় স্প্ৰে কৰি দিয়া হয় সেই সুগন্ধিটিৰ ক্ষুদ্ৰ ক্ষুদ্ৰ অণুবোৰ। আৰু এলে দৰে ক্ৰমে ক্ৰমে........বিউটি যে যেন আকৰ্ষিত হৈ পৰিল অৰুনাভৰ লেবৰেটৰীৰ সমুখত ৰিডিং ৰুমৰ প্ৰতি তাই যেন কেতিয়াৱা বৈ যাব খোজে, তাই নজনাকৈয়ে তাইৰ ইন্দ্ৰিয়ৰ সুক্ষানুভূতিয়ে তাত যেন কিবা বিচাৰি পায়,.........কমন ৰুমৰ সলনি এতিয়া তাই মাজে মাজে সময় কটায় ৰিডিং ৰুমত। অকল হাঁহি আৰু সৌজন্যসূচক ভাৱ বিনিময়তেই সীমাবদ্ধ নেথাকি অৰুনাভৰ সতে গঢ়ি উঠিল ৰিউটিৰ সংকোচবিহীন সম্পৰ্ক; উল্লাসিত হাঁহি, ঠাট্টামস্কৰা, আবেগভৰা কথা বতৰা, ঠিক এইবোৰৰ সতে বিউটি ক্ৰমে কাষ চাপি আহিল অৰুনাভৰ ওচৰলৈ........আৰু ওচৰলৈ.......অধিক ওচৰলৈ।

অৰুনাভে পিন্ধা বগা সাৰ্টৰ ওপৰতেই এতিয়া বিউটিয়ে কেতিয়াবা তাইৰ মূতটো গুজি দিয়ে তাৰ বহল নকুখনত, ভিৰৰ ত থকা বহল, গভীৰ অন্তৰ খবৰ গভীৰৰ পৰা গভীৰতৰলৈ কিবা এটা নিচাৰি বাহিৰৰ চোলাত লাগি থকা সুগোন্ধৰ আবেষ্টণী ভেদি নিৰবে কোনোৱে নজনাকৈ এটমাইজাৰেৰে চতিয়াই দিয়া উগ্ৰ গোন্ধৰ অনুপৰমানুবোৰৰ বহু আঁতৰত।

☆ ☆ ☆

# এটি অন্তৰঙ্গ উপলব্দি ঃ

## বিষয়ৰ পৰা বিষয়ান্তৰ লৈ

**জীৰেশ্বৰ কোচ্**
মূৰব্বী প্ৰবক্তা, বড়ো বিভাগ

কেতিয়াবা আমি নিজৰ জ্ঞান-গৰিমাৰ প্ৰতি উন্নাসিক হৈ পৰো ঃ ই স্থবিৰ নে স্বচ্ছল, তাকে লৈ ভাৱো। ইয়াক জোখাৰ উপায় কি বাৰু? প্ৰতিকাৰেই বা কি? এনেবোৰ প্ৰশ্নই প্ৰায়ে জুমুৰি দি ধৰে।

এৰা, নিত্য-নৈমিত্তিক কাম-কাজবোৰ কেতিয়াবা বিশেষ গৰজত পেলাই থব লগা হয়, সাময়িক ভাৱে হ'লেও। কিন্তু দীৰ্ঘম্যাদী হ'লেই ইয়ে আমাৰ মনত নানান ব্যাধিৰ জন্ম দিয়ে।

গতিকে নিজৰ দুৰ্বলতা-সবলতাক জুকিয়াই ছোৱাৰ নামত দীৰ্ঘসূত্ৰিতাক প্ৰশয় দিব নোৱাৰি। নহ'লে ই অভ্যাসত, আৰু পিচলৈ স্বভাৱত পৰিণত হ'বগৈ পাৰে।

আমাৰ সাধাৰণ ধাৰণা জীৱনৰ হা-হুতাশ, সুখ-দুখ, কষ্ট-বেদনা, আৰু পোৱা-নোপোৱা আদিৰ বিষয়ে কোনেও এবাৰ অৱলোকন নকৰাকৈ নাথাকে। ইয়াকেই আত্ম-পৰীক্ষা বুলি কওঁহক। ইও মানুহৰ প্ৰবৃত্তিৰে অন্য-ৰূপপ্ৰকাশ। হৃদয় যেতিয়া আপেক্ষিক দুৰ্বল হৈ পৰে, তেতিয়া এই ক্ষেত্ৰত আশ্ৰয় ল'বলগা হয় ট্ৰাজিক্ চেতনাৰ। শুনিছো, কিছুমানে হেনো নিজে ট্ৰাজেডিৰ জাল গুঠি লয়, আৰু তাতে গুৰুলা-উৰুল হৈ পৰে। এইটোও নিশ্চয় এটা শিল্প; এটা আৰ্ট্। এনোবোৰ উপলব্ধি খিনি নিমজ ভাষা, শিল্প সুলভ মাধ্যমৰ দ্বাৰা প্ৰকাশ কৰিব পাৰিলে মন-প্ৰাণ উদঙা আনন্দ পাব পাৰি, আৰু নোৱাৰিলে দুষ্প্ৰকাশৰ যন্ত্ৰণাই অন্তৰক ক্ষত-বিক্ষত কৰি পেলায়.....নিৰ্গত হয় তেতিয়া, কবিগুৰুৰ সেই মৰ্মৰ ধ্বনি ঃ 'সাধ ছিলো যত, সাধ্য ছিলো না।'

তথাপিতো জীৱন.....এই মানৱীয় জীৱনটো বিনাশ নহয়, উইল্ ডুৰাণ্টৰ ভাষাত..... "ব্যক্তি বিশেষ ব্যৰ্থ হ'ব পাৰে, কিন্তু জীৱন সদায় জয়ী হয়.....ই আগুৱাই থাকে, বিস্মিত হৈ.....ভাঙি, পাতি, পৰীক্ষা-নিৰীক্ষা কৰি, আশা কৰি, সপোন দেখি...চিৰকাল।" (**হোমেন বৰ গোহাঞি অনুদিত ঃ পাঠকৰ টোকাৰহী ঃ ১৯৯৩ ঃ ১৯২**)।

এৰা, কেতিয়াবা অবাক হৈ পৰো, জীৱনৰ ব্যঞ্জনাময় আলেখ-লেখ দেখি ঃ কি যে অদ্ভূত ইয়াৰ ঘোতনা! কিন্তু যুগধৰ্মৰ (zeitgist) লগে লগে আমাৰ মানৱীয় প্ৰমূল্য সমূহ

অন্যৰূপত কিছু ৰাগৰঞ্জিত, আৰু কিছু খণ্ডিত হৈ পৰিছে।

এইটো অনস্বীকাৰ্য যে জীৱনৰ অনেক প্ৰমূল্য জীৱিকাৰ লগত সনা-পোতকা হোৱাৰ পিছত এতিয়া বহুতো দিশত বিশেষীকৃত ই আহিছে। আৰু অদূৰ ভৱিষ্যতে, নতুন প্ৰজন্মৰ বাবে ই ক্ষীপ্ৰতৰ হৈ পৰিব। ইয়াৰ বাবে হামৰাও কাঢ়ি লাভ নাই। ই যে যুগৰে অনিবাৰ্য ফলশ্ৰুতি।

জীৱনৰ অনেক ক্ষেত্ৰত আমি নানান প্ৰত্যাহবানৰ সম্মুখীন হওঁ। শিক্ষাৰ্থীসকলৰ ক্ষেত্ৰত ই আৰু বেছি। সাধাৰণভাৱে ক'ব পাৰি, হৃদয় আৰু মগজু, দুয়োৰে সহযোগতহে জীৱনৰ প্ৰত্যাহবানক জয় কৰিব পাৰি ঃ এটাক বাদ দি আনটো বিষম হৈ পৰে। এইখিনিতেই জীৱনৰ যতমানে ঝঞ্ঝাট, আৰু লগতে অনেক অনাবিল আনন্দৰো সৃষ্টিৰ উৰ্বৰ উৎস। কিছুমান মানুহৰ স্বভাৱেই হৈছে—অন্যৰ কুৎসা ৰটনা কৰা.....ঈৰ্ষা.....ঘীন কৰা.....'উঠি যোৱা জনক টানি আঁজুৰি তললৈ অনা' ইত্যাদি। তেওঁলোকৰ সৃষ্টিকামী মনো হয়তো আছে, কিন্তু তেওঁলোক অতিশয় আপোচকামী, স্তাৱক স্বভাৱৰ অৰ্থাৎ তেওঁলোকৰ মন্ত্ৰই হৈছে "মহাজনো যেন গতাঃ সঃ পন্থা ঃ।" কিন্তু শেষ বিচাৰত, তেনে প্ৰকৃতিৰ মানুহ সময়ৰ সোঁতত হেৰাই যায়। সেয়ে, আমাৰ প্ৰয়োজন, ধৈৰ্য আৰু সহমৰ্মিতা, আৰু লগতে প্ৰয়োজন, যি কোনো বিষয়-বস্তুৰ প্ৰতি নান্দনিক আৰু সন্তোলিত দৃষ্টি। কোৱা বাহুল্য যে আমাৰ সমস্যাবোৰ একান্তই জৈৱিক.....ঐহিক আৰু চিৰন্তন। ইয়াক আত্মস্থ কৰি 'সুখ-দুখোত্তীৰ্ণ প্ৰশান্তি' আহৰন কৰাহে কৰ্তব্য। এই ক্ষেত্ৰত, অৱস্থিতিবাদী—সকলে কয়, কোনো দৈৱশক্তি, ঐশ্বৰিক বা বংশ-পৰম্পৰাই মানুহক সহায় কৰিব নোৱাৰে, কিন্তু সহায় কৰিব পাৰে—একমাত্ৰ মানুহৰ পৌৰুষেহে অৰ্থাৎ মানুহ স্বয়ংকৰ্তা; "man is nothing else, but what he makes of himself."

কিন্তু হ'লেও মানুহৰ এনে স্বয়ংক্ৰিয় চিন্তাৰ স্বাধীনতাটো ঠিক সিন্ধবাদ নাবিকৰ কান্ধত উঠি ফুৰা সেই বৃদ্ধজনৰ লেখিয়াই, যাক কঢ়িয়াবলৈও টান, অথচ কান্ধৰ পৰা নমাবও নোৱাৰি।

আচলতে, যিহেতু মানুহ মাত্ৰেই পাৰ্থিৱ, সেয়ে কোৱা হৈছে তেওঁলোকৰ সা-সমস্যাও জৈৱিক, আৰু ঐহিক। আমি এই মৰ্তত থাকি যি স্বৰ্গীয়, ঐশ্বৰিক বুলি নামাঙ্কিত কৰোঁ, সেইবোৰো পাৰ্থিৱহে, য'ত স্পষ্টকৈ দেখা পাওঁ মানুহৰ পৰিধিৰ ঃ ৰহস্য। ধৰ্মৰ ক্ষেত্ৰতো তথৈবচ– mystery of limitations religion is what a man does in his saliteriness," ঃ অৰ্থাৎ একাকীভাৱে কৰা মানুহৰ কৰ্মকাণ্ডই ধৰ্ম। সময়ত সেইবোৰ আনুষ্ঠানিক (institutionalized) ৰূপ পৰিগ্ৰহ কৰিছে। কিন্তু সেই বুলি ধৰ্মক জনসাধাৰণৰ 'আফিং' আৰু 'দলিতজনৰ হুমুনিয়াহ' বুলি ক'লেই মানৱীয় প্ৰমূল্যৰ প্ৰতি অবিচাৰ কৰা হ'ব। ধৰ্মীয় অনুষ্ঠান, শাস্ত্ৰীয় নীতি সমূহে এহাতে মানৱীয় প্ৰমূল্যক মজবুত কৰিছে, আনহাতে সময়ত সেই বোৰে মানুহৰ প্ৰগতিশীল চিন্তা-চৰ্চাতো ব্যাহত কৰিছে।

সেয়ে জীৱনটো...আৰু ইয়াৰ কলপনা বৈভৱখিনিক কোনো ফৰ্মূলাৰে আবদ্ধ কৰি থব নোৱাৰি। ঈশ্বৰৰ অস্তিত্ব...আত্মাৰ মুক্তি...ধৰ্মীয় শাস্ত্ৰ-বচন আদি বিমূৰ্ত ভাৱ-জগতকৈও অলপ যেন বেছি এই জীৱনটো, যাৰ বাবে কালোত্তীৰ্ণ বুলি কোনো বস্তুই শাশ্বত...আৰু অখণ্ড হৈ নৰয় ঃ কালমহাকালৰ বুকুত...সময়ৰ দাবীত ইয়াৰো সাৰ-সলনি ঘটিছে, পৰিশীলিতৰূপ পৰিগ্ৰহ কৰিছে। কাৰণ, মানুহৰ ইতিহাস, ভুলৰো ইতিহাস...যাৰ বাবে, সকলো সংজ্ঞা...আৰু সূত্ৰৰো গৰমিল হৈ পৰে।

গতিকে দেখা গ'ল, মানৱীয় সত্বাৰ প্ৰকাশৰ মাধ্যম একক নহয়, বহুধাবিভক্ত অৰ্থাৎ এই বিষয়ত ক'ব গ'লে, আমাৰ বিষয়-বস্তু মতে, গতি কৰিবলগা হয় 'বিষয়ৰ পৰা বিষয়ান্তৰ লৈ।' জীৱনৰ অনেক মুহূৰ্ত, অনেক অভিজ্ঞতাই, আৰ্থাৰ কোৱেষ্টলাৰএ কোৱা মতে, 'ইন্দ্ৰিয় সম্ভূত নহয়।' যত ক'ব নোৱাৰাকৈয়ে দৈৱযোগ (coincidence) উপস্থিত হৈ পৰে। এই খিনিতেই আমাৰ সমস্ত সৃষ্টিৰ আকুতি...চেতনা-প্ৰৱাহৰ কথা নিহিত হৈ আছে। এই যে মানুহৰ সৃষ্টিকামী মন, সৃষ্টিৰ যে আকুতি, সেয়া চিৰন্তন আৰু অৰ্নিবাৰ। পূৰণিৰ (extant) আধাৰত মানুহে আনটো গঢ়ি লয় এক মনোজ্ঞ ৰূপত, তন্ময়তাৰে। ই এক প্ৰকাৰ যন্ত্ৰনাই-যিয়ে মানুহক শক্তি দিয়ে, প্ৰেৰণা দিয়ে, আৰু দিয়ে জীয়াই থকাৰ মধুময় স্বপ্ন। সৃষ্টিৰ ভৱিষ্যত এইখিনিতেই।

☆ ☆ ☆

# পাৰমানৱিক বোমা ঃ

## বিস্ফোৰণ আৰু বিভীষিকা।

শ্ৰী নিৰেশ দাস
স্নাতক ৩য় বষ , (বিজ্ঞান শাখা)

বৰ্তমান কুৰি শতিকাৰ সময়হোৱাত বিজ্ঞানৰ অগ্ৰগতিয়ে মানৱ সভ্যতাৰ এক উচ্চ শিখৰলৈ অৱস্থান কৰিবলৈ সক্ষম হৈছে। কিছুমান লেখত লবলজীয়া নতুন নতুন আৱিষ্কাৰৰ জৰিয়তে বিজ্ঞানে গোটেই পৃথিৱীবাসীৰেই জীৱনধাৰা এফালে উন্নত কাৰি তুলিছে, আনফালে আন কিছুমান আৱিস্কাৰে মানৱ সভ্যতাৰ লগতে গোটেই জীৱ-জগতকেই মৃত্যুৰ অটল গহ্বৰলৈ ঠেলি পঠিয়াইছ। তেনেবোৰ আবিস্কাৰৰ ভিতৰত বিভিন্ন ৰনৰ আগ্নেয় অস্ত্ৰৰ কথাই আমি কব পাৰো। ঠিক তেনে এবিধ মাৰাত্মক আগ্নেয় অস্ত্ৰ হল 'পাৰমানৱিক বোমা' (Atom bomb)। আধুনিক যুগত পাৰমানৱিক বোমাৰ বিষয়ে পৃথিৱীৰ প্ৰতিজন সুস্থ নাগৰিকেই কম বেছি পৰিমাণে নজসা নহয়। তৎস্বত্বেও এই প্ৰবন্ধনিৰ জৰিয়াতে পাৰমানৱিক বোমা আৰু ইয়াৰ বিস্ফোৰণৰ ফলশ্ৰুতিৰ ওপৰত এটি চমু আভাস দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে।

বৈজ্ঞানীক সকলৰ মতে পাৰমানৱিক বোমা হল— কিছুমান ৰাসায়নিক দ্ৰব্য আৰু বিভিন্ন শৃংখল বিক্ৰিয়াৰ ফলত সৃষ্টি হোৱা আন কিছুমান কৃত্ৰিম ৰাসায়নিক শক্তি। ইয়াৰ মুল বিক্ৰিয়া হৈছে—নিউক্লিয় বিভংগন। নিউক্লীয় বিভংগনৰ সহায়ত প্ৰচুৰ শক্তিৰ সৈতে কেইটামান নতুন নিউট্ৰন কণা নিৰ্গত হয়। এইদৰে নিৰ্গত হোৱা আন তিনিটা $_{92}U^{235}$ নিউক্লীয়াছ বিভংগন কৰি নতুন নিউট্ৰন কণা আৰু শক্তি উৎপাদন কাৰে। এই বিক্ৰিয়া স্বতঃস্ফুৰ্তভাৱে চলি থকৰ গিছত এটা শৃংখল বিক্ৰিয়াৰ সৃষ্টি কৰে। (শৃংখল ক্ৰিয়া হল এটাৰ পিছত এটাকৈ চলি থাকি সৃষ্টি কৰা নিউক্লীয় বিভংগন।) এনেদৰে বিভংগন আৰু শৃংখল বিক্ৰিয়াৰ জৰিয়তে প্ৰচুৰ শক্তি উৎপন্ন হোৱা কাৰ্যকেই পাৰামানৱিক বোমা হয়।

দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত পোন প্ৰথমে পাৰমানবিক বোমা ব্যৱহাৰ কৰা হৈছিল। এইবিধ বোমাৰে বিধস্ত কৰা জাপানৰ 'হিৰোছিমা' আৰু 'নাগাছাকী' চেৰৰ ধ্বংস কাৰ্যৰ স্মৃতি পৃথিৱীবাসীৰ মনত হয়তো এতিয়াও সজীৱ হৈয়ে আছে। দ্বিতীয় বিশ্বযুদ্ধত ব্যৱহাৰ কৰা পাৰমান বিক বোমাৰ তুলনাত এতিয়াৰ পাৰমানৱিক বোমাৰ শক্তি অধিক। আন আন বোমাতকৈ এইবিধ বোমাৰ প্ৰকৃতি সুকীয়া ধৰপৰ। যুদ্ধত ব্যৱহাৰ কৰা বোমাত দুই ধৰনৰ ক্ৰিয়া সংযোজিত হৈ থাকে। এই দুই প্ৰকাৰৰ ক্ৰিয়া হল অভিকৰ্ষ আৰু অগ্নিকাণ্ড। ইয়াৰ উপৰিও পাৰমানৱিক বোমাত আধুনিক যুগৰ আবিস্কাৰ স্বৰুপে অন্য এবিধ মাৰাত্মক ক্ৰিয়া সংযোজিত কৰা হৈছে। সোয়া হল তেজস্ক্ৰিয়তাৰ প্ৰভাৱ (Affect of Radioactivity)। ইয়াৰ ফল স্বৰুপে অন্য বোমাৰ দৰে পাৰমানৱিক বোমাৰে অভীষ্ট লক্ষ্য সিদ্ধিৰ ধাৱে আন কোনো বস্তুকে আঘাট কৰাৰ প্ৰয়োজন নোহোৱা হৈছে। মাথা আকাশ মাৰ্গৰ কোনো এক নিৰ্দিষ্ট উচ্চতাত ইয়াক বিস্ফোৰণ ঘটালেই ইয়াৰ সকলোবোৰ প্ৰতিক্ৰিয়া পৃৱীবাসীয়ে অনায়াসে পাব পাৰে। ইয়াৰ ভয়াবহ প্ৰতিক্ৰিয়াসমূহ তলত দিয়া ধৰপে হব পাৰে—

পাৰমানৱিক বোমা এটা বিস্ফোৰিত হলে যি পমিাণৰ শক্তি নিৰ্গত হয় তাৰে 50% য়েই বায়ুমণ্ডলত প্ৰচণ্ড আঘাট মাৰে, স্থিতিশক্তি গতিশক্তিলৈ ৰূপান্তৰিত হয় আৰু পৃথিৱীৰ পদাৰ্থ সমূহক আঘাট কৰি শব্দতকৈত বেছি বেগেৰে চাৰিওফালে বিয়পি পৰে। ইয়াৰ ফলত যথেষ্ট পৰিমাণৰ চাপৰ সৃষ্টি হয়। এই চাপৰ ফলস্বৰূপে গছ-গছনি, ঘৰ-বাৰী আদি উছন হৈ পৰে। মানুহৰ দেহৰ বিশেষকৈ-হাওঁফাওঁ আৰু শৰীৰৰ আন আন অংগসমুহ উখহি গৈ গাৰ মাংস সমুহ ফাটি চিটিকি যাব পাৰে। মথাৰী, বান্ধ আদি ভাঙি বানপানীৰ সৃষ্টি কৰাৰ লগতে সঞ্চিত তৈলধাৰ শক্তি ভয়ানক অগ্নিকাণ্ডৰ সৃষ্টি কাৰে। ইয়াৰ পিচৰ-বায়ু সোঁতৰ বেগ 250 কিলোমিটাৰ আৰুবায়ুৰ চাপ প্ৰতি বৰ্গ মিটাৰত তিনি টনৰো বেছি হব পাৰে। 1449 চনত 'হিৰোছিমা' ত, হোৱা বিস্ফোৰণত এই অভিঘাতে মাত্ৰ 30 ছেঃ মিটাৰত ‖ কিলোমিটাৰ পথ অতিক্ৰম কৰিছিল। বোমাটোৰ বাকী 30% পৰা 35% শক্তিয়ে কৰা তাপ বিকিৰনৰ ফলত বায়ুমণ্ডলত ভয়ানক অগ্নিপিণ্ডৰ সৃষ্টি হৈছিল।

পাৰমানৱিক বোমা বিস্ফোৰণৰ কেন্দ্ৰস্থলত মুহুৰ্তৰ ভিতৰতে তাপমাত্ৰা কেইবালাখ ডিগ্ৰি ছেলছিয়াছ হয়গৈ। "হিৰোছিমাৰ" বিস্ফোৰণত প্ৰতি ছেঃ ত এই অগ্নিপিণ্ডৰ ব্যাস হৈছিল 280 নিৰ্মাৰ। তাৰ তাপমাত্ৰা হৈছিল 5000 ডিগ্ৰী ছেলছিয়াছ। প্ৰথম তিনি ছে ঃ ত বিকিৰিত তাপৰ পৰিমাণ সূৰ্যৰ তাপৰ তুলনাত কুৰি গুণ বেছি। আনহাতে 'নাগাকো'ত ইয়াৰ পৰিমাণ দুগুণ বেছি আছিল। পাৰমাণৱিক বোমা বিস্ফোৰণৰ সময়ত নিৰ্গত হোৱা বিভিন্ন প্ৰকাৰৰ ৰশ্মিৰ ভিতৰত অতি বেঙুনীয়া (ultraviolet) ৰশ্মি বিধ দুশ কিঃ মিটাৰ দুৰৰ পৰা দৃষ্টিৰে হলেও মানুহ অন্ধ হৈ যাব পাৰে। এই অতিপাত তাপমাত্ৰাৰ ফলত জীৱ জন্তু, গছ-গছনি পুৰি

তেনেই ছাই হৈ যাব আৰু নদ-নদী, খাল-বিল আদি শুকাই গৈ জলীয় বাষ্পত পৰিণত হৈ ক্ৰমে ওপৰলৈ গৈ তেজস্ক্ৰিয় আৰু তৈলাক্ত বৰষুণৰ সৃষ্টি কৰে। যাক বৈজ্ঞানীক ভাত "কৃষ্ণ বৰষুণ" বোলা হয়। আকৌ এই অগ্নিকাণ্ডৰ ফলত হোৱা অক্সিজেনৰ অভাৱত মানুহ আৰু অন্যান্য জীৱ জন্তুসমূহ শ্বাসৰুদ্ধ হৈ মৃত্যু হব পাৰে। বোমাটোৰ অৱশিষ্ট 15% শক্তি তেজস্ক্ৰিয় বিকিৰণ হিচাবে বিমুক্ত হয়। এই বিস্ফোৰণৰ সময়ত বায়ুমণ্ডলৰ চাৰিওফালে আৰু ৰশ্মি, নিউট্ৰন কণা আৰু পাৰমানৱিক ভস্ম বিয়াপি পৰিব। আৰু তেজক্ৰিয় কণাবোৰ এক বা ডে বছৰলৈকে-বৰষুৰৰ সৈতে ভূ-পৃষ্টলৈ নামি আহিব। ফলস্বৰূপে বমি, জ্বৰ, পেটচৰা, তেজহাগনি, আদি বেমাৰ হৈ কামুহ অতি কম সময় ভিতৰতে মৃত্যু মুখত পৰিব পাৰে। তেজত ডিম্বানুৰ পৰিমাণ কমি হোৱাৰ ফলত শৰীৰৰ ভিতৰত ৰক্তক্ষৰণ হৈ ক্ষুদ্ৰান্দ্ৰৰ বিজুতি ঘটি-শেষত মৃত্যুক আকোৱলি লব লাগিব।

তেজস্ক্ৰিয় বিকিৰণত নিৰ্গত হোৱা $\alpha$, $\beta$ ৰশ্মিৰ প্ৰভাৱত পলুহৰ গাৰ ছালৰ ওপৰত কেন্সাৰ হোৱাৰ উপৰিও চুলি সম্পুৰ্ণৰূপে সৰি যোৱাৰ আৰু গোটেই গা ফুলি উচিব পাৰে। এনেবো ৰোগ নিৰাময় কাৰ কেতিয়াও সম্ভৱ নহয়। জীৱ-জন্তুৰ শ্বাস-প্ৰশ্বাসৰ লগত তেজস্ক্ৰিয় আইটপ আৰু দেহৰ মাংস ভেদ কৰি ৰশ্মি হাওঁফাওলৈ হাওঁফাওঁৰ আৱৰণী কোষ সম্পুৰ্ণৰূপে ধ্বংস কাৰিব পাৰে। লগে লগে কোষবোৰ ফুলি উৰি হাওঁফাওলৈ বায়ু চলাচল কৰাত বাধা দিব পাৰে। লগতে ৰজ সঞ্চালনো বন্ধ হৈ যায়। হাওঁফাওঁৰ কেন্সাৰ ৰোগ হৈ মানুহ মৃত্যু মুখত পৰে। এইবোৰ তাৎক্ষণিক প্ৰভাৱৰ উপৰিও বৈজ্ঞানীক সকলে বহুতো পৰীক্ষা নিৰিক্ষাৰ দ্বাৰা প্ৰমাণ কৰিছে যে $\alpha$ ৰশ্মিৰ বিকিৰনৰ ফলত মহিলাসকলৰ ডিম্বাশয়ৰ কাৰ্য্যক্ষমতা সম্পুৰ্ণৰূপে বা সাময়িক ভাৱে নোহোৱা হব পাৰে। ঋতুমতি ছোৱালীৰ তিনি বছৰ পৰ্য্যন্ত ঋতু বন্ধ হৈ যাব পাৰে। ইয়াৰ উপৰি পুৰুষৰ শুক্ৰাণু সৃষ্টি কৰিব পৰা ক্ষমতা কমি যোৱা বা সাময়িক ভাৱে বা সম্পুৰ্ণৰূপে বন্ধ হৈ যাব পাৰে। চকুৰ দৃষ্টিশক্তি কমি যোৱা বা চিৰদিনৰ বাবে অন্ধ হৈ যোৱাৰ সম্ভাবনাও থাকে। কেতিয়াবা। অস্থি আৰু থাইৰয়দ কেন্সাৰ আৰু লিউকেমিয়া ও হব পাৰে। আনহাতে বহুপিৰিলৈকে বিকলাঙ্গ আৰু জড় বুদ্ধি সম্পন্ন শিশুৰ জন্ম হব পাৰে। ইয়াৰোপৰি ঐ ৰশ্মিসমুহে অন্যান্য জীৱ জন্তুবোৰৰ ওপৰতো সমানে প্ৰভাৱ পেলায়। নগৰ চহৰ সমুহ ধ্বংস হৈ যাব পাৰে। তৈল ক্ষেত্ৰসমুহো নিচিহ্ন হৈ যাব পাৰে যাৰ ফলত আকাশ মাৰ্গ ধোৱাই ছানিৰি আৰু বায়ুত তাপ মাত্ৰা যথেষ্ট বৃদ্ধি পান। ধয়াৰ ফলত বিভিন্ন গেছৰ ভাৰসাম্য নোহোৱা হৈ বৰ্ত্তমানে দেখা দিয়া অজমন্ত্ৰ ৰন্ত্ৰসমূহ অবিক অধিক প্ৰকট হৈ পৰিবই। লগে লগে সু-তীব্ৰ অতিবেগুণী ৰশ্মিয়ে ভূ-পৃষ্ঠ আৱৰি পেলাব। আৰু জীৱ জন্তু, গছ-গছনি আদিৰ যথেষ্ট ক্ষতিসাধন হব।

পাৰমানৱিক বোমাৰ নতুন সংস্কৰণ মতে 1981 চনৰ 6 আগষ্ট তাৰিখৰ প্ৰাক্তন মাৰ্কিন ৰাষ্ট্ৰপ্ৰতি 'ৰেগানৰ' সিদ্ধান্ত মৰ্মে) পাৰমানবিক বোমাৰ ঠাইত নিউট্ৰন বোমা সাজি উলিয়াইছে। ই পাৰমানৱিক বোমাতকৈ অধিক শক্তিশালি। ইয়াৰ প্ৰভাৱত ঘৰ-দুৱাৰ, সা-সম্পত্তিৰ বিশেষ ক্ষয়-ক্ষতি নহব। মাথো জীৱ-জন্তুৰহে কম সময়তে মৃত্যুমুখত পৰিব। এইবিধ বোমা বিস্ফোৰণৰ ফলত খৰ-খেদাকৈ হোৱা মৃত্যুৰ উপৰিও বহু পিৰিলৈকে দেখা দিয়া জিনৰ বিচ্যুতি মুখ্য ক্ষতিকাৰক দিশ হব। বৃষ্টিছ সু-প্ৰজসননবিদ "I Adward" য়ে কৈছে যে নিউট্ৰনবোমাৰ ক্ষয়-ক্ষত ততালিকে হিচাপ কাৰি উলিওৱা টান হয়। কিয়নো ইয়াৰ ফলত বহু পিৰিলৈকে বিকলাঙ্গ শিশুৰ জন্ম হৈ থাকিব পাৰে। সেয়েহে ইয়াক Genetic weapon বুলিও কোৱা হৈছে। যিহেতু ই গছ-গছনিৰো যথেষ্ট ক্ষতি কৰে সেইবাবে ইয়াক পৰিবেশ অস্ত্ৰ (Environment weapon) বুলিও কোৱা হয়।

ওপৰত উল্লেখ কৰা ইমানবোৰ ভয়াবহ প্ৰতিক্ৰিয়াৰ কথা জনাৰ পিছতো পৃথিৱীৰ চহকী দেশ সমুহে যথেষ্ট ধন ওপৰ কৰি এনে ভিন্ন তৰহৰ আগ্নেয় অস্ত্ৰ সাজি উলিয়ইছে। সেইবাৰ দেশে হয়তো জীৱ জগতৰ সৃষ্টিৰ ঠাইত ইয়াক একেবাৰে বিনষ্ট কৰাৰ কাৰণে এক কু-পৰিকল্পনাহে লৈছে। যিটা পৃথিৱীৰ সু-সভ্য নাগৰিক সকলৰ কাৰণে কোনো মতেই কাম্য নহয়। এইবোৰ আমাৰ বাৰে. তেনেই অভিশাপ বুলিব পাৰি। আৰু ইয়াৰ সৃষ্টি কৰ্তাও হৈছে জীৱশ্ৰেষ্ঠ আসন দখল কৰা মানৱ জাতি। এনে দৰে কু-আৱিষ্কাৰৰ মাজেদি ধ্বংস কাৰ্য্যক আমন্ত্ৰণ জনাই আধুনীক যুগৰ মৰ্যাদা হয়তো কাহানিও প্ৰতিপন্ন কৰিব মোৱাৰিব।

☆ ☆ ☆

# ভাৰতত গণতন্ত্ৰৰ মাপকাঠি

শ্ৰীম্যাক মিলন ৰাভা
স্নাতক ২য় বৰ্ষ (কলা)

ভাৰতবৰ্ষৰ সংবিধানখনৰ প্ৰস্তাবনাত লিখা আছে "ভাৰতবৰ্ষ এখন সাৰ্বভৌম গণতান্ত্ৰিক 'ৰাষ্ট্ৰ''। কিন্তু আজিকোপতি জনসাধাৰণে ৰাষ্ট্ৰৰপৰা পাবলগা সা-সুবিধা আৰু অধীকাৰ সমূহৰ পৰা প্ৰায়ে বঞ্চিত হৈছে। আৰু এনে শাসন ব্যৱস্থাত সমাজ আৰু সৰ্ব-সাধাৰণ নাগৰিকক উপেক্ষা কৰি শাসকবৰ্গই কিছু সংখ্যক লোকক উপকৃত কৰি তোলে, সেইখন শাসন পদ্ধতিৰা গণতন্ত্ৰৰ অৰ্থ হেৰুৱাই পেলাইছে।

কাৰণ আমি গণতন্ত্ৰ ৰাষ্ট্ৰ আৰু চৰকাৰ উভয়তে গণতন্ত্ৰৰ সংজ্ঞামতে, গণতন্ত্ৰৰে নীতি, ৰাইজৰ শাসন। গণতন্ত্ৰত ৰাষ্ট্ৰৰ শাসন ভাৰ জনসাধাৰণৰ হাতত ন্যস্ত থাকে আৰু শাসক বৰ্গই জনসাধাৰণৰ কল্যাণ সাধিব লাগে। গণতন্ত্ৰ চৰকাৰৰ ৰাষ্ট্ৰত বসবাস কৰা ব্যক্তি, সংস্থা, জাতি, সমাজৰ আদিৰ পূৰ্ণ বিকশিত কৰাটোৱে মুল উদ্দ্যেশ্য। কিন্তু বৰ্তমান শাসন ব্যৱস্থাৰ পৰা পোৱা অভিজ্ঞতাৰ পৰা ভাৰতবৰ্ষক গণতন্ত্ৰ ৰাষ্ট্ৰ যেন ভাৱ নহয়। ভাৰতত ওন পৰত উল্লেখ কৰা কেইটা বিৰাণ হোৱা বুলি আমাৰ বিশ্বাস নহয়। যদিওৱা কিছুসংখক বিকশিত হৈছে তাৰ পৰিমাণ তেলেই নগন্য। আৰু ই মাত্ৰ মুষ্টিমেয় সামন্তবাদী তথা সুবিধাবাদী লোকৰ মাজতেই সীমাবদ্ধ। সৰ্বসাধাৰণ মানুহৰ বেলিকা পুৰ্ন বিকাশ সাধন কৰাটো এতিয়াও এটা কল্পনা মাথোন, বাস্তৱত ইয়াৰ কোনো অৱস্থিতিয়েই নাই। আজিও ছোমলিয়াৰ দৰে খাদ্যৰ অভাৱত মৃত্যুমুখত পৰা লোকৰ সংখ্যা কম নহয় আৰু ভাৰতত অশিক্ষিত লোকৰ সংখ্যাও তেনেই নগন্য নহয়। সেয়ে ভাৰতত গণতন্ত্ৰ শাসন মাপকাঠি ডাল নিশ্চয় তেলেই চুটি হব।

জাতিৰ পিতা মহাত্মা গান্ধীয়ে কৈ গৈছিল, 'কেন্দ্ৰত কুৰিজন মানুহ বৰপিৰাত বহিলেই গণতন্ত্ৰ নহয়, গণতন্ত্ৰ তেতিয়াহে' হব যেতিয়া গাওঁৰ প্ৰতিজন মানুহ ইয়াত ভাগ লব পাৰিব। আনহাতে বৰ্তমানৰ শাসন ব্যৱস্থাত ইয়াৰ বিপৰীত দিশটোহে প্ৰত্যক্ষ হৈছে। ভাৰতৰ শাসন প্ৰণালীত মুষ্টিমেয় সামন্তপ্ৰভূসকলেহে অংশগ্ৰহণ কৰাটো পৰিলক্ষিত হৈছে। তেওঁলোক সাধাৰণ মানুহৰ স্বাৰ্থতকৈ পুঁজিপতিৰ স্বাৰ্থ ৰক্ষা কৰা অভ্যস্ত হৈ পৰিছে। ভাৰতৰ শাসনৰ গাদীখনত নিৰ্বাচিত হবলৈ একোজন প্ৰাৰ্থীয়ে বহুলক্ষ টকা ক্ষয় কৰিব লগাত পৰে। নিৰ্বাচনত বহুলক্ষ টকা ব্যয় কৰিষলৈ বহুদলীয় প্ৰথাই বাধ্য কৰায়। সেইবাবে দলীয়া প্ৰাৰ্থীতকৈ ধনী প্ৰাৰ্থী যে প্ৰাধান্য পোৱাটো তেনে স্বাভাবিক। সোয়েহে এইটোকে কব পাৰি যে ভাৰতৰ শাসন ব্যৱস্থাত শাসক হিসাবে নিৰ্ব্বাচিত হবলৈ হলে প্ৰাৰ্থী জনৰ জ্ঞান আৰু অৰ্হতা থাকিলেই যথেষ্ট নহয়, কিন্তু তেওঁ এজন পূজিপতিৰ লগত সম্পৰ্ক ৰাখিব লাগিব সেইবাবে আমাৰ দেশত সুদক্ষ ৰাজনী বিদত অভাৱ ঘটে । গণতন্ত্ৰ শাসন ব্যৱস্থাত সৰ্বসাধাৰণ মানুহৰ প্ৰাৰ্থী অংশ গ্ৰহণ কৰিব নোৱাৰিলে সাধাৰন মানুহৰ উন্নতিত যথেষ্ট ব্যাঘাত জন্মে। সেয়ে দুখীয়া—ধনী নিৰ্বিশেষে সকলো জ্ঞান আৰু অৰ্হতা পূৰ্ণ লোকৰ প্ৰবেশাধিকাৰ দিব লাগে। তেতিয়াহে সকলোৱে গনতন্ত্ৰৰপৰা সু-শাসন লাভ কৰিবলৈ আশা কৰিব পাৰে।

আমাৰ ভাৰতবৰ্ষত যদিওৱা পঞ্চায়তী ৰাজৰ ব্যৱস্থা কৰা হৈছে তথাপিও ই বহুলোকৰ কাৰনে এতিয়াও অপৰিচিত। ভাৰত নিৰক্ষৰ আৰু ৰাজনৈতিক চেতনাহীন লোকৰ কাৰনে ই অসফল হিচাবে প্ৰতিপন্ন। ভাৰতৰ হোজা খেতিয়কসকলে গনতন্ত্ৰৰ বিষয়ে একেণৰেই জ্ঞান নাই। তেওঁলোকৰ বাবে এতিয়াও ই এটা অবুজ সাথৰ। তাতেই পঞ্চায়তী ৰাজ।

ভাৰতবৰ্ষ স্বাধীনতা লাভৰপৰা বৰ্তমান লৈকে শাসন ব্যৱস্থাত শাসক বৰ্গই শোষন আৰু দমনমুলক ব্যৱস্থাই মানুহক গণতন্ত্ৰৰ বিৰুদ্ধাচোন কৰিবলৈকে বাধ্য কৰাইছে। ভাৰতৰ শাসন ব্যৱস্থাত পৰ্য্যালোচনা কৰি চালে আমি দেখা পাওঁ শাসকবৰ্গই সাধাৰণ নাগৰিক, সমাজ, জাতি, সংস্থা সমুহক উপেক্ষা কৰি সিহঁতে দলীয় স্বাৰ্থ শাসনৰ বাঘজৰিডালক আৰু ধন সম্পত্তি গঢ়াতহে অধিক মনোযোগ দিয়া দেখা যায়। আৰু মুষ্ঠিমেয় সামন্তবাদী সকলৰ উন্নতি তথা লাভবানৰ কাৰনে সিহঁতে বিচৰামতে শাসকবৰ্গও নানান অলাগতিয়াল আইন দেশত প্ৰবৰ্তণ কৰা, ৰাজহুৱা সম্পদ উদ্যোগ বিক্ৰি কৰা, পথ

নির্মাণ কৰা বিশ্ববেংকৰ ঋণ গ্রহণ কৰা, পঞ্চবার্ষিক পৰিকল্পনাৰ আঁচনি গ্রহণ কৰা আদি কৰি ভাৰতীয় জাতীয় আয়ক যি এক চৰম অপব্যয় কৰাটো তেনেই গনতন্ত্র চৰকাৰৰ দায়িত্ব আৰু কর্তব্যৰ ভিতৰত নপৰে । উদাহৰণ স্বৰূপে অসমত সন্ত্রাসবাদী ৰাৰ নামত দেশাত প্রবর্তন কৰা টাডা আইন, আদি কলা আইন আৰু অসমৰ উদ্যাগ বিক্রি কৰি অসমৰ জনসাধাৰণ ওপৰত যি এক চৰম দুর্যোগ আনি গনতন্ত্রৰ ৰূপবিদৃত দেখা যায়। এনে ধৰনৰ শাসনে জনসাধাৰণৰ ক্ষতিকৰহে হয়। অৱশ্যে ইয়াৰপৰা সামন্ত প্রভূসকল কিছুপৰিমানে লাভৱান নোহোৱাটক থকা নাই।

বর্তমান সময়ত গনতন্ত্র শাসনৰ অবিহনে আন বিকল্প শাসন ব্যবস্থাৰো কল্পনা কৰিব নোৱৰি। কাৰণ স্বাধীনতাৰ বর্তমান সমসয়ত গণতন্ত্রই আটাইতকৈ জনপ্রিয় তথা পৃথিবীৰ প্রায়বোৰ ৰাষ্ট্রই গনতান্ত্রিক। গনতন্ত্রৰ মূল ভেটি হল সত্য আৰু সততা। আৰু গনতন্ত্র ৰাষ্ট্রৰ বসবাস কৰা প্রত্যেক জন নাগৰিকৰে এই গুণ থকা বাঞ্চনীয়। নাগৰিক সকলৰ এই গুণ অবিহনে গণতন্ত্রৰপৰা সুফল আশা কৰিব নোৱাৰি। কিন্তু ভাৰতত সকলোৰে নহলেও বেছি সংখ্যকাৰে এই গুণৰ অভাৱ ঘটিছে। ইয়াত কাৰো দ্বিমত নাই নিশ্চয়। কাৰণ দৈনন্দিন প্রচাৰ সাধ্যমত প্রকাশিত নানান দুর্নীতি, হত্যা, ধর্মণ, অপহৰণ আদি তাতৰিয়ে ভাৰতীয় সফলৰ যে সত্য আৰু সততাৰ অভাৱ ঘটিছে তাকেই প্রমাণ বাৰি দেখুৱাইছে। সফল গণতন্ত্রী ৰাষ্ট্র গঢ়িবলৈ হলে এই দুর্বাগুম অৱক্ষয় হব নালাগে। সেয়ে ভাৰতত এনেবিধলোকৰ কাৰনেই গণতন্ত্র অসফল হৈছে। শেষত ইয়াকেই কব পাৰি যে ভাৰতৰ সর্বসাধাৰণ মানুহে গণতন্ত্র ৰাষ্ট্র আৰু বেকাৰৰপৰা লাভ কৰিব লগীয় সা-সুবিধা আৰু অধিকাৰৰ পৰা এতিয়াও ৰক্ষিত হৈয়েই আছে, লাভ কৰিছে মাথোন অৱহেলা প্রৱঞ্চনা, মিছা আশ্বাস আৰু নাম মাত্র স্বাধীনতা। সেইবাবে ভাৰতীয় সফলৰ শুভ বুদ্ধি হওঁক, আৰু ভাৰতক এমন সফল গণতান্ত্রিক ৰাষ্ট্র হিচাবে গঢ়ি তোলা হওক ।

★ ★ ★

# শব্দ ঃ
# মানৱ দেহত ইয়াৰ প্রভাৱ

শ্রীদ্বীপেন বৰুৱা
স্নাতক দ্বিতীয় বর্ষ , (বিজ্ঞান শাখা)

শব্দ কি বা শব্দ কেনেকৈ উৎপন্ন হয় আমি সকলোৱে জানো। যেতিয়া কোনো এটা বস্তুত আন এটা বস্তুত খুন্দা মাৰি দিয়া হয় অথবা এটা বস্তুৰ লগত আন এটা বস্তুৰ সংঘর্ষ হলে শব্দৰ সৃষ্টি হয়। খুন্দা মৰা বস্তু দুটাৰ বেগ বেছি হলে উচ্চ শব্দ সৃষ্টি হয় আন হাতে বস্তু দুটাৰ বেগ কম হলে নিম্ন স্বৰৰ শব্দ সৃষ্টি হয়। টেলিফ'নৰ আৱিস্কাৰক আলেকজেণ্ডাৰ গ্রেহাম বেলৰ সম্মানার্থে তেঁও ৰনামেৰে শব্দ শক্তিৰ এটা বেল ডাঙৰ একক হোৱা বাবে আৰু কার্য্য ক্ষেত্রত ইয়াক ব্যৱহাৰৰ অসুবিধা হোৱা বাবে ইয়াৰ দহ ভাগৰ এভাগক ডেছিবেল হিচাপে লোৱা হৈছে। ডেছিবেল এটা একক নহয়। এইটো শব্দটোৰ আৰু এটা প্রমান শব্দৰ তীব্রতাৰ বা ক্ষমতাৰ অনুপাত।

ডেছিবেলৰ সহায়ক তৰংগৰ আপেক্ষিক তীব্রতাৰ বা ক্ষমতাৰ মান জোখা হয়। সাধাৰনতে মানুহৰ কানৰ নিৰাপদ সহ্য সীমা ৮০ ৰপৰা ৯০ ডেছিবেলৰ তিতৰত । প্রচণ্ড ভোৰৰ শব্দ কোন যি বোৰৰ তীব্রতা বা ক্ষমতা ১২০ ডেছিবেল হয় তেতিয়া ইয়াক বেদনাৰ দুৱাৰ দলি নামেৰে নামকৰন কৰা হয়। ১২০ ডেছিবেলতকৈ বেছি জোৰৰ শব্দ শুনিলে কানৰ পর্দা ফাটি যোৱাৰ আৰু স্থায়ী বধিৰতা আহাৰ অশৱ কা এটি সাধাৰণ উদাহৰনৰ পৰা এইটো স্পষ্টকৈ বুজিব পৰা যাব''। If we have an envelope made up of a weak paper (an old and used news paper, it can hold only a small amount of any commodity say a few hundred grams of suger. If we put a large amount of commodity in it, say about 10kg. the weak envelope (due to its lesser binding energy) will not be able to hold the commodity together and will be tarm apart resutting in ejection of some commodity out of it. কিন্তু মই কব খোজা নাই যে আমাৰ কানৰ পর্দা খন দুর্বল । কবখুজিছো পর্দা খন ডাট হলেও প্রয়জোনতকৈ ভোৰৰ শব্দ আহিলে কানৰ পর্দা নিশ্চয় ফাটি যাব। সাধাৰণ কথা-বার্তা বা নাতিউচ্চ ৰেডিঅৰ শব্দৰ তীব্রতা প্রায় ৪০ ডেছিবেল যিটো এক ৱাটৰ দহ কোটি ভাগৰ এভাগ মাত্র (আমি ব্যৱহাৰ কৰা নিশাৰ বাল্ব টোও ৫ ৱাট)।

শব্দ হ'ল কোনো মাধ্যমত লোৰ এবিধ ঢৌ। এই ঢৌ বোৰে আমাৰ কানৰ পৰ্দাত আঘাত কৰি পৰ্দাত্মনত কঁপনি তোলে। কোনো এটা বস্তুত যেতিয়া আঘাত কৰা হয় আৰু যদি বস্তুটো প্ৰতিছেকেণ্ডত ২ ৰ পৰা ২০,০০০ বাৰ কঁপি উঠে তেতিয়া বস্তুটোৰ পৰা শব্দ নিৰ্গত হয় আৰু এই শব্দই আমাৰ কানৰ পৰ্দাত কপঁনিৰ সৃষ্টি কৰিলে মগজুৱে শব্দ বুলি চিহ্নিত কৰে। সাধাৰণতে কোনো এটা বস্তুৰ পৰা উদ্ভৱ হোৱা শব্দৰ কল্পনাংক প্ৰতি ছেকেণ্ডত ২০ বাৰৰ কম হলে আমাৰ কানেৰে আমি শব্দটো শুনিবলৈ নাপাওঁ আৰু প্ৰতি ছেকেণ্ডত ২০,০০০ তকৈ কম্পনাংক বেছিহলে সেই শব্দও (অতিশব্দ) মানুহৰ কানে নুশুনে। কিন্তু কুকুৰ, বাদুলী দি কিছুমান প্ৰাণীয়ে উৎসৰ পৰা উদ্ভৱ হোৱা শব্দৰ কম্পনাংক ২০,০০০ তকৈ বেছি হলেও শুনিবলৈ পায়। সেইবাবে চিকাৰী কুকুৰৰ বাবে ব্যৱহাৰ কৰা হুইচেলবোৰৰ পৰা নিৰ্গত হোৱা শব্দৰ কম্পনাংক প্ৰতিছেকেণ্ডত ২০,০০০ তকৈ বেছি হয়।

শব্দক সাধাৰণতে দুই ভাগত ভাগ কৰা হৈছে। ভাগ দুটা হল (১) সংগীত আৰু (২) অসংগীত বা গণ্ডগোল। সিবোৰ শব্দৰ কঁপনি নিয়মিতআৰু পৰ্য্যাবৃত যাৰ ছন্দ আছে শৃংখলিত সেইবোৰ শব্দক সংগীত শব্দ বুলি কোৱা হয়। সংগীত শব্দই মাধ্যম ঢোৰ কনিকাবোৰৰ নিয়মিত ভাৱে কঁপায়।

আনহাতে যিবোৰ শব্দ অনিয়মিত আৰু পৰ্য্যাবৃত্ত নহয়, যাৰ ছন্দ নাই, অশৃংখলিত সেইবোৰ শব্দক অংসগীত বা গণ্ডগোল বুলি কোৱা হয়। এইবোৰ শব্দই মাধ্যমটোৰ কনিকাবোৰ অনিয়মিতভাবে অশৃংখলিত ভাবে আন্দোলিত কৰে। কিন্তু সময় ক্ষেত্ৰত কেতিয়াবা সংগীত শব্দও অসংগীত বা গণ্ডগোলীয় হব পাৰে। যদি আমি কিবা এটা কথা মনোযোগেৰে শুনিবলৈ চেষ্টা কৰোঁ বা শুবলৈ চেষ্টা কৰো তেতিয়া সুমধুৰ প্ৰিয় গানও বিৰক্তিকৰ বা অসহীনয় হৈ উঠে আৰু তেতিয়া আমি ইয়াক গণ্ডগোল নামেৰে নামাকৰণ কৰো। নিৰ্জনতা বিচৰা মুহূৰ্তত ওঁচৰেৰে পাৰ হৈ যোৱা মানুহৰ জোতাৰ শব্দও বিৰক্তিকৰ হৈ উঠে আৰু তেতিয়া হৈ গণ্ডগোললৈ পৰিবৰ্তন হয়। ইংৰাজীত এষাৰ কথা আছে এজন মানুহৰ খাদ্য আন এজন মানুহৰ বাবে বিষও হব পাৰে। গতিকে এজনৰ সংগীত আন এজনৰ বাবে গণ্ডগোলও হব পাৰে।

গণ্ডগোল মানুহৰ মনৰ ওপৰতে অকল ক্ৰিয়া নকৰে ই শৰীৰৰ ওপৰতে অকল ক্ৰিয়া নকৰে ই মানুহৰ শৰীৰৰ ওপৰতো ক্ৰিয়া কৰে। প্ৰচণ্ড জোৰৰ শব্দ বিস্ফোৰণ কানত অতিপাত ভাবে পৰিলে কানৰ পৰ্দাত তুমুল জোৰৰ কঁপনি উঠে। যাৰ ফলত কানত থকা (শব্দৰ কঁপনি মগজুলৈ কঢ়িয়াইনিয়া) সূক্ষ্ম কোষবোৰ নষ্ট হৈ যায় আৰু তেতিয়া শ্ৰোতা কম বেছি পৰিমানে বধিৰহৈ পৰে। উচ্চ ৰক্তচাপ থকা মানুহৰ বাবে অসংগীত বা গণ্ডগেলব্দ ক্ষতিকাৰক। কাৰণ গণ্ডগোল শব্দ যেতিয়া কানত আঘাত কৰে তেতিয়া হৃদস্পন্দন বৃদ্ধি হয়, তেজৰ ধমনীবোৰ কোঁচ খাই যায়, চকুৰ মনি বহল হয়, পেট কণ্ঠনলী , নাড়িভুড়ি আদি মোচৰ দি উঠে যাৰ ফল স্বৰূপে মুৰৰ বিষ মানসিক ক্লান্তি আৰু উৎকণ্ঠা, ৰক্তচাপ বৃদ্ধি, •মৃগীৰোগ আদি হয়। পৃথিৱীত হৃদৰোগ উচ্চতচাপ আদিৰ ক্ৰমাগত বৃদ্ধিৰ মূল কাৰণ হল গণ্ডগোল শব্দৰ ক্ৰমবৰ্দ্ধমান অতি শয্যা। শব্দ বিশেষজ্ঞ সকলৰ পৰা জনা গৈছে যে হগজ আঁতৰৰ ৯০ ভেছিকেল মটৰ গাড়ীৰ ভেপুঁৱে মানুহৰ দৃষ্টি শক্তি ২৫% কমায়।

আজিকালি বাধাহীনভাবে বৃদ্ধি হোৱা কল কাৰখানা মটৰ গাড়ী, দুচাকায়া যান বাহন, ৰেল গাড়ী বিমান আদিৰ বাবে শব্দ প্ৰদূষণ দিনক দিনে বৃদ্ধি পাই আহিছে। ইলেক্ট্ৰনিকছৰ অগ্ৰগতিৰ ফলত চাৰিওফালে বৃদ্ধি পাইছে ৰেডিঅ, টি.ভি. টেপৰেকৰ্ডাৰ, লাউড স্পিকাৰ আদিবোৰ। যিবোৰ বৰ্তমান প্ৰত্যেক ঘৰৰে প্ৰায় অত্যাবশ্যকীয় সামগ্ৰীত পৰিণত হৈছে। আমি জানি শুনিও ঘৰৰ ভিতৰতে গণ্ডগোল শব্দ সৃষ্টিকোৰী নানা বিধ সজুলি ফেন, ৰেফ্ৰিজাৰেটৰ, পানী উঠোৱা পাম্প, কাহি প্ৰক্ষালক, আদিবোৰ ব্যৱহাৰ কৰিছো। স্কুটাৰ বা ম'বাইক শব্দ প্ৰদূষক বুলি জানিও নিজৰ ঘৰত অন্তত এখন স্কুটাৰ বা মকইক থকাটো আমি সকলোৱে বিচাৰো।

এই আটাইবোৰ শব্দ লগলাগিলে আমাৰ জৈৱ মণ্ডল এখন উভকণ্ঠা, কান তাল মাৰি ধৰা ঠাই, আবাসৰ অনুপযোগী হৈ পৰে। বৰ্তমান Quality of LIfe ক্ৰমশঃ বেয়াৰ পিনে আগবাঢ়িছে। গতিকে দেখা গল যে অদৃশ্য অলক্ষিত গণ্ডগোলে ক্ৰমাগত ভাৱে আমাৰ স্বাস্থ্য মেজাজ আৰু ব্যৱহাৰ অৰ্থনীতি আৰু সমাজ গাঁথনিৰ ভিতৰলৈ সোমাই গৈ আছে। এই আটাইবোৰ দিশৰ পৰা চালি জাৰি চাই কৰ পাৰি যে "সকলো ধ্বনৰ প্ৰদূষনৰ ভিতৰত শব্দ প্ৰদূষনেই আটাইতকৈ অশান্তিকৰ।" আমাৰ উপেক্ষাৰ সুযোগ লৈ এই বিপদে ক্ৰমাগত ভাবে শিপাই গৈ আছে। জাৰ্ননূড়চে'ল নামৰ এজন শব্দ বিশেষ্যৰই কৈছেযে—"ধোঁয়া মিহলি কুঁৱলী বা 'স্মোক'ৰ দৰে গণগগোল মৃত্যুৰ ধীৰ বাহক' যোৱা ত্ৰিশ বছৰে গণ্ডগোল মিদৰে গৈছে জেনে দৰে যদি আহা তি্কছ বছৰেও বাঢ়িগৈ থাকে। তাৰ ফল হব পাৰে মাৰাত্মক।" উদাহৰণ স্বৰূপে আমি বসবাস কৰা দুধনৈ চহৰৰে কথা ধৰিলো। আজি দুধনৈ যিমান অশান্তিকৰ, বিৰক্তিকৰ হৈ পৰিছে (শব্দ প্ৰদূষনৰক্ষেত্ৰত) আগতে নিশ্চয় এনেকুৱা পৰিবেশ নাছিল। দুধনৈৰ মাজেৰে যোৱা ৩৭নং ৰাষ্ট্ৰীয় ঘাই পথেৰে অহা যোৱা কৰা গাড়ীৰ সংখ্যা দিনক দিনে বৃদ্ধি পাই আহিছে। চাৰিওটা ৰাস্তাৰ দুয়ো পুনৰ বৃদ্ধি পাই থাকিব মানে দুধনৈত উত্তপ্ত পৰিবেশ বিৰাজ কৰিব। এই বোৰলৈ চাই আমি সকলোৱে দুধনৈ উন্নতিহোৱা বুলি মত পোষন কৰো। কিন্তু ক্ৰমবৰ্দ্ধমান ভাৱে বৃদ্ধি পোৱা মটৰ গাড়ী দোকান-পোহৰ, কেছেট বিক্ৰিকৰা দোকানৰ পৰা অহাউচ্চ স্বৰৰ কেছেটে

প্লেয়াৰ বা স্পিকাৰৰ শব্দ মানুহৰ হাই উৰুমি এইবোৰৰ পৰা উদ্ভৱ হোৱা অশান্ত পৰিবেশ, শব্দ প্ৰদূষন দিনে দিনে বাঢ়ি গৈ আছে। বাছগাড়ী ট্ৰাক, আদিৰ পৰা অহা কান তাল মাৰা শব্দই শব্দ প্ৰদূষন বৃদ্ধিত যথেষ্ট সহায় কৰিছে। এনে এটা পৰিস্থিতত যদি আমি প্ৰত্যেকেই সতৰ্ক হওঁ তেনেহলে শব্দ প্ৰদূষন বহুত হ্ৰাস কৰিব পৰা যাব যাৰ ফলত দূধনৈ উত্তপ্ত পৰিবেশ পুনৰ আগৰ দৰে শান্ত আবাসৰ উপযোগী হৈ পৰিব।

**প্ৰতিকাৰৰ উপায়**

শব্দ এটা নিয়ন্ত্ৰন সাধ্য বিদূষন। ব্যক্তিগত স্তৰত, যিমান দূৰ গণ্ডগোলীয়া পৰিবেশৰ পৰা এৰাই ফুৰিব পাৰো নাইবা হাস্যকৰ হলেও কানত তুলাৰ ঠিলা দি শব্দ প্ৰদূষনৰ পৰা বহু যিনি হাত সাৰিব পাৰো।

এনেকুৱা মানুহ আছে যিসকল মানুহে ৰেডিঅ টি, ভি টেপৰেৰ্ডাৰ আদি উচ্চ স্বৰত বজাই ভালপায়, কিন্তু তাৰ পৰা তেওঁলোকৰ কিমান ক্ষতি হৈ আছে তাক বুজি নাপায় বা বুজিবলৈ চেষ্টা নকৰে।

যদি ৰেডিআ' টিভি আদিবোৰ উচ্চ স্বৰত নবজাই এটা নিৰ্দিষ্ট সীমাৰ ভিতৰত বজায় তেনেহলে শব্দ প্ৰদূষন হ্ৰাস পাব আৰু ঘৰৰ লগতে ওচৰ চুবুৰীত এটা শান্ত পৰিবেশ বিৰাজ কৰিব।

ঘৰত দৈনন্দিন ব্যৱহাৰ কৰা যন্ত্ৰপাতিবোৰৰ পৰা উদ্ভৱ হোৱা শব্দ প্ৰদূষন নাশ কৰিবলৈ সেই বোৰত সদায় তেল দি পৰিস্কাৰকৈ ৰাখিব লাগে। চাইকেলৰ পৰা উদ্ভৱ হোৱা শব্দ নাইকীয়া কৰিবলৈ উপযুক্ত অংশবোৰত তেল দি শব্দহীন কৰি ৰাখিব লাগে যাৰ ফলত শব্দ প্ৰদূষন নিয়ন্ত্ৰিত হব আৰু চাইকেল খন চলাবলৈও ভাল লগা হব।

ঘৰৰ দুৱাৰ খিৰিকীত যদি ডাঠ পৰ্দা লগোৱা হয় তেতিয়াও বাহিৰৰ হাই উৰুমিৰ পৰা কিছু পৰিমানে হলেও ৰক্ষা পৰিব পাৰি।

আজি কালি বহু ধৰনৰ শব্দ শোষক যন্ত্ৰ ওলাইছে। যেনে- -কাক, ফেল্ট, একুষ্টিক, প্ৰাষ্টাৰ আদি। অৱশ্য এইবোৰ ব্যয় বহুল।

ঘৰত ব্যয়বহুলযন্ত্ৰপাতি ব্যৱহাৰ কৰি শব্দ প্ৰদূষন হ্ৰাস যদি ৰাস্তালৈ ওলাই গৈ পুনৰ শব্দ প্ৰদূষনত ভূগীব লগীয়া-হয় তেনেহলে ঘৰত কাক, ফেল্ট, আদি ব্যয়বহুল প্ৰদূষকবোৰ ব্যৱহাৰ কৰি সৰ্তক হৈ সৃষ্টি কৰা শান্ত পৰিবেশৰ স্তৰতে যদি মটৰ গাড়ী বা যন্ত্ৰপাতিবোৰ যথা সম্ভৱ শব্দহীন কৰাৰ চেষ্টা কৰা হয় তেনেহলে বাহিৰতো বাটেঘাটে শান্ত পৰিবেশৰ বিৰাজ কৰিব লগতে শব্দ প্ৰদূষন হ্ৰাস পাব আৰুইয়াৰ পৰা হব পৰা ক্ষতিৰ পৰা আমি মুক্তি পাম। তাৰ বাবে আমি প্ৰত্যেকেই সতৰ্ক হব লাগিব।।

— ঃ সমাপ্ত ঃ—

[বিভিন্ন আলোচনীৰ সহায়লৈ লিখা হৈছে।]

# শিশু শিক্ষা—এটি আলোচনা

**শ্ৰীদ্বীপ কুমাৰ ডেকা**
উঃ মাঃ প্ৰথম বৰ্ষ (বিজ্ঞান শাখা)

সাহিত্য সমাজৰ দাপোন বা আয়নাস্বৰূপ। দাপোনৰ সহায়েৰে কোনো এজন মানুহে তেওঁৰ নিজৰ প্ৰতিবিম্ব দেখা পায়। ঠিক তেনেকৈ এখন সমাজৰ প্ৰতিবিম্ব দেখা যায় সেই সমাজৰ সাহিত্য-সংস্কৃতিৰ জৰিয়তে। সমাজৰ উন্নতি অৱনতি স্কেলৰ সহায়ত জুখিব পৰা নাযায়। ইয়াৰ উমান পোৱা যায় একমাত্ৰ সেই সমাজৰ সাহিত্য-সংস্কৃতিৰ দ্বাৰাহে। সেয়েহে সাহিত্য সমাজ এখনত ওতঃপ্ৰোতভাবে জড়িত। সমাজ অবিহনে সাহিত্য সৃষ্টি হব নোৱাৰে। এই সমাজ আকৌ কিছুমান মানুহৰ সমষ্টিকে বুজায়।

কন কন লৰা-ছোৱালীবোৰকে-সাধাৰনাতে শিশু বোলা হয়। এই মানৱ শিশুবোৰে জন্মৰপৰাই মাকৰ গৰ্ভতে কথা-বতৰা, ভাৱ-ভাষা শিকি-নাহে। শৰীৰৰ সকলো অংশ-প্ৰত্যঙ্গ মাকৰ গৰ্ভতে হয় আচৰ-ব্যৱহাৰ আদি ভুমিষ্ট হোৱাৰ পিহতহে। অগ্ৰজকলৰ-পৰা দেখি শুনি আয়ত্ব কৰি লয়। শিশুৱে শিক্ষাসমূহ কেনে ধৰনে শিকে তাৰে কিছু ইয়াত আলচ কৰিব বিচৰা হৈছে।

শিশুৰ শিক্ষা প্ৰথমে আৰম্ভ হয় নিজৰ জন্ম লাভ কৰা ঘৰখনত। সেয়েহে লৰা ছোৱালীক সু-শিক্ষা দিবলৈ হলে সমাজৰ প্ৰতিজনে নিজৰ ঘৰখনলৈ মনোযোগ দিব লাগে। যিকানো কথা-বতৰা শিশুৱে প্ৰথমে প্ৰকৃতিৰপৰা শিকে। গতিকে শিশুৰ মানসিক বিকাশত প্ৰকৃতিৰ ভূমিকা আটাইতটক বেছি। সেয়েহে অজান শিশুৱে অসীম নীলা আকাশৰ বুকুত জ্বলি থকা-অসংখ্য তৰাৰ মাজৰ পৰা এটি তৰা জোনবাইৰপৰা পাবলৈ বিচাৰে।

শিশুৰ মানসিক বিকাশত মাক-দেউতাক তথা অভিভাৱক সকলে সৰলভাৱে অবুজ শিশুৰ প্ৰকৃতিৰ লগত চিনাকী কাৰি দিব পৰে। আকাশৰ জোনবাইক তৰা এটি খুজিলেই যে আমি তৰা এটি পাব নোৱাৰো সেই কথা সহজ-সৰলভাৱে বুজাইদি আমি চৰাইৰদৰে কিয় উৰিব নোৱাৰো এই সম্বন্ধে বিশদভাৱে বুজাই দিব লাগে। এজন সৰুলৰা বা ছোৱালীক তাৰ কানখনত লাহেকৈ ধৰি যদি সোধা হয়, "এইখন কি?" তাৰ নাকটোত ধৰি সোধা হয় "এইটো কি?" সি উত্তৰত নাক, কান আদি শুদ্ধ নামেৰে কৈ দিব। ইয়াতে আমাৰ মনত প্ৰশ্ন হয় যে সিহতে এই অংগ-প্ৰত্যঙ্গবোৰৰ নাম কেনেকৈ শুদ্ধকৈ কব পাৰেঁ ইয়াৰ উত্তৰ এনে ধৰনে হব বুলি মোৰ ভাৱ হয়। সিহতে খৰখনত সিহততকৈ ডাঙৰসকলে কোৱা কথাবোৰ শুনি শুনি

মনতে শিকিলয়। শিশুৱে ডাঙৰসকলোক সকলো কথাতে অনুমান কৰে। সেইবাবে ঘৰখনত নাক-দেউতাক তথা অভিভাৱক সকলে বৰ সাৱধানে চলা-ফুৰা বা কথা-বতৰা পতা প্ৰয়োজন। মাক-দেউতাকে ঘৰখনত কু-কথা শিশুৱে শুনাকৈ কেতিয়াও নপতা উচিত। কুকথা পতাৰ ফলত শিশুৰ মুখতো কু-কথা আৰু অৰুচিকৰ বচন শুনা যায়। মোৰ বোধেৰে সমাজৰ কিছুমান পিছপৰা গাওঁলিয়া অঞ্চলাত এইবোৰৰ প্ৰভাৱ অধিক।

শিশুৱে কেতিয়াবা অসম্ভৱ বা অস্বাভাবিক প্ৰশ্ন কৰা দেখা যায়। শিশুৰ এনেকুৱা কৌতুহলী প্ৰশ্নৰ প্ৰতি আমি সদায় সজাগ হোৱা উচিত। সিহতে কৰা প্ৰশ্নবোৰৰ উত্তৰ নাপালে সিহতৰ বৰ খং উঠে। আমাৰ উদাসিনতাই সিহতৰ অন্তৰত বৰকৈ আঘাট দিয়ে গতিকে সিহতৰ কৌতুহলৰ প্ৰতি সহাঁৰি জনাই যথাযথ আৰু শুদ্ধ উত্তৰ দিব লাগে। তেতিয়াহে সিহতৰ বৌদ্ধিক বিকাশ হয় আৰু নতুন নতুন কথা শিকিবলৈ উৎসাহ জন্মে। তেতিয়াহে ডাঙৰ জনৰ প্ৰতি শিশুৰ ভাল ভাৱ থাকে আৰ সিহত শুদ্ধ পথেৰে আগবাঢ়ি যায়। শিশুৱে সচৰাচে সাধুশুনিবলৈ ভাল পায়। এই সাধুবোৰৰ জৰিয়তে শিশুক শিক্ষা বিষয়ক উপদেশ আৰু সু-চৰিত্ৰ গঠনত উপদেশ দিব লাগে। মহৎ লোকৰ জীৱনীৰ বিষয়ে শিশুক সৰুৰেপৰা সাধুৰ চলেৰে শুনোৱাৰ অভ্যাস কৰিব পাৰিলে ভাল। তেতিয়াহে সিহতেও একোজন মহৎ লোকৰ আদৰ্শৰে অনুপ্ৰানিত হৈ ভবিষ্যতে একোজন সুসাগৰিক হবলৈ প্ৰেৰনা পাব।

এই সাধাৰণ সম্পাদকৰ কাৰ্য্যভাৰ গ্ৰহণ কৰি সামগ্ৰিক ভাৱে মহাবিদ্যালয় ছাত্ৰ একতা সভাক সুচাৰুৰূপে পৰিচালনা তথা মহাবিদ্যালয় খনৰ প্ৰতি কেনেদৰে সেৱা আগবঢ়ালো সেয়া ছাত্ৰ ছাত্ৰী তথা বন্ধু বান্ধৱী সকলৰ বিচাৰ্য্য সফলতা আৰু বিফলতা যদি এটা মুদ্ৰাৰে দুটা পিঠি বুলি ধৰা হয় তেন্তে আমাৰ সফলতাৰ লগত বিফলতা থকাটো তেনেই স্বাভাৱিক।

আজি দ্ৰুতভাবে পৰিবৰ্ত্তিত যুৱ মানসিকতাৰ দৃশ্যপটৰ ভূমিকাৰ দেশৰ অন্যান্য ৰাজ্যৰ যুবক যুৱতীৰ দৃষ্টি ভংগীৰ সৈতে অসমৰ যুৱ সমাজত কিছু কিছু ক্ষেত্ৰও মিল নেথাকিব পাৰে কিন্তু ঐতিহ্য পৰম্পৰা আৰু কৃষ্টি সংস্কৃতিৰ বুনিয়াদ একেটাই যাৰ ওপৰত থিয় হৈ অসমৰ যুৱকেও সমুখৰ বহু দূৰকেও সমুখৰ বহু দূৰলৈ চাব পাৰিব লাগিব। সামান্য দূৰ দৃষ্টি নিঃস্বাৰ্থ আৰু কিছু দেশ প্ৰেমে কাৰোবাৰ ব্যক্তিগত স্বাৰ্থ সাধন কৰিব নোৱাৰিলে ৰাজ্যৰ তথা দেশৰ যে সৰ্ব্বঙ্গীন মঙ্গল হব তাত কোনো ভুল নাই। আন হাতে নিত্য নৱ সমস্যাৰ সমাধান কৰিবলৈ অবিৰাম ভাবে চেষ্টা কৰিব লগা হোৱাৰ ফলতে মানুহৰ প্ৰতিভা অবিৰাম ভাৱে বিকশিত হৈ থাকে। এই মুহূৰ্তত আমাৰ আটাইতকৈ প্ৰয়োজনীয় ভাব হৈছে অসমৰ জনসাধাৰনৰ চেতনা উন্মেষ ঘটৱাটো। নহলে অসমৰ সামগ্ৰিক অবস্থাই অন্য এক অবাঞ্চিত ৰূপ পৰিগ্ৰহ কৰিব।

প্ৰতিজন অসমৰ নতুন পুৰুষ তথা অসীয়া বাইজে সংকল্প কৰা উচিত যে আজিৰ সমাজৰ লগত খোজত খোজ মিলাই নতুন কলমৰ আৱিস্কাৰ বা জন্ম হোৱাটো অতি প্ৰয়োজন। একোখন দেশ বা এটা জাতি সফল হবলৈ হলে সেই দেখখনৰ প্ৰতিজন লোকেই হব লাগিব কৰ্মঠ আৰু আত্মবিশ্বাসী। সেয়া নহলে দেশখন বা জাতিটো কালৰ বুকুত হেৰাই যাব। কাৰ্য্যক্ষেত্ৰত ৰূপায়িত কৰাৰ বাবে সংগ্ৰাম চলাবলৈ নতুন সংকল্প আমি সেই পিনেহে বিচাৰি পাম।

ছাত্ৰ ছাত্ৰী সকলে প্ৰতিভা বিকাশিত কৰিব পাৰে শিক্ষানুষ্ঠানৰ বিভিন্ন কাৰ্যসূচীৰ জৰিয়তে। কেৱল পাঠ্যপুথিৰ পৰা আৰ্জিত জ্ঞানেৰে কোনো মানুহ প্ৰকৃত জ্ঞানত অধিকাৰী হব নোৱাৰে। ইয়াৰ বাবে লাগে সুস্থ সৰল পৰিবেশ। এক সুস্থ সৰল পৰিবেশ সৃষ্টি এৰাটো নিৰ্ভৰ কৰে মহাবিদ্যালয় কৰ্তৃপক্ষ, ছাত্ৰ একতা সভাৰ বিষয় ববীয়া, শিক্ষাগুৰু আৰু ছাত্ৰ ছাত্ৰী সকলৰ অকৃত্ৰিম সহযোগিতা আৰু মধুৰ সম্পৰ্কৰ দ্বাৰাহে। বিগত সময়ছোৱাও পৰিবেশ দৃষ্টিৰ বাবে মই সততে চেষ্টা চলাইছিলো আৰু কম বেছি পৰিমানে সফলতা অৰ্জন কৰিছিলো।

মহাবিদ্যালত পৰম্পৰাগত ভাৱে অনুষ্ঠিত কৰি অহা নবাগত আদৰনি সভা বিদায় সভা, সৰস্বতী পূজা আদি অনুষ্ঠানত ছাত্ৰ ছাত্ৰী তথা বন্ধু বান্ধবী সকলোৰ উপস্থিতি আৰু সহযোগিতা পূৰ্বৰ বৰ্ষ সমূহতকৈ সন্তোষ জনক আছিল। এই সুযোগতে বন্ধু বান্ধৱী, ছাত্ৰ ছাত্ৰী সকলোৰ এই সচেতন মনোভাৱলৈ মই আদৰনি জনাইছোঁ আৰু ভবিষ্যতে অধিক সচেতন হোৱাটো আশাঁ কৰিছো। সচেতনতৰ অভাবে মহাৱিদ্যালয় আৰু এই মহাবিদ্যালয়ে সা ভুৰি লোৱা বৃহৎ এলেকা এটাৰ ক্ৰমোন্নতিও বাধাৰ প্ৰাচীৰ দ্বিহচাপে দেখা দিয়ে।

মহাবিদ্যালয়ৰ উল্লেখযোগ্য অনুষ্ঠান সমূহৰ ভিতৰত "মহাবিদ্যালয় সপ্তাহ" অন্যতম। মহাবিদ্যালয় সপ্তাহত নানা ধৰণৰ প্ৰতিযোগিতা আয়োজন কৰা হয়। এই প্ৰতিযোগিতাবোৰৰ যোগেদি ছাত্ৰ ছাত্ৰী বন্ধু বান্ধৱী সকলে নিজৰ নিজৰ শাৰীৰিক, মানসিক প্ৰতিভাৰ চানেকি দিব পাৰে। অৰণ্যে অতি নিম্নমানদণ্ডৰ পৰা অতি উচ্চমানদণ্ডৰ খেল এই বছৰৰ প্ৰতিযোগিতা প্ৰদৰ্শিতি হৈছে। এই নিলিতে উল্লেখ কৰিব পাৰি যে উপযুক্ত প্ৰশিক্ষণ আক অনুশীলনৰ সুবিধা পায়ে বহুতো ভাল খেলুৱৈ ওলোৱৰ সম্ভাৱনা আছে।

ছাত্ৰ ছাত্ৰী বন্ধু বান্ধৱী সকল মহাবিদ্যালয় পৰম্পৰাগত অনুষ্ঠান সমূহৰ উপাৰিও কেইটা মান উল্লেখযোগ্য সমস্যাক

স্থায়ী সমাধান মোৰ কাৰ্য্যকালত হোৱাটো মন কৰিবলগীয়া। সেইবোৰৰ ভিতৰত ঃ– (১) মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ কাৰ্য্যালয় (Union Day Home) কিছু অংশ নিৰ্ম্মান (২) ছাত্ৰ জিৰনী কোঠা নিৰ্ম্মান (৩) ছাত্ৰ ছাত্ৰী সকলোৰ মহাবিদ্যালয় বেজ পৰিধানৰ ব্যৱস্থা (৪) মহাবিদ্যালয় উদ্যান আসন নিৰ্ম্মান। (৫) বিজ্ঞান শাখা ঘাটি মঞ্জুৰী (Deficit) প্ৰাপ্তিৰ বাবে তথা কিছু সংখ্যক বাবে তথা কিছু সংখ্যক সহায় হবৰ বাবে আমি অসমৰ মূখ্যমন্ত্ৰী শ্ৰীযুক্ত হিতেশ্বৰ শইকীয়াদেৱক আমাৰ মহাবিদ্যালয়লৈ নিমন্ত্ৰণ জনাইছিলো কিন্তু তেখেতৰ বিশেষ কাৰণ বশত উপস্থিত হব নোৱাৰি তেওঁৰ পৰিবৰ্তে ৰাজ্যিক সমাজ কল্যাণ মন্ত্ৰী শ্ৰীযুক্ত কুল বাহাদুৰ ছেত্ৰীদেৱ উপস্থিত থাকি উক্ত মহাবিদ্যালয় সপ্তাহ বঁটা-বিতৰণী সভাত মন্ত্ৰী মহোদয়ে এক লাখ টকাৰ এখন চেক (Cheque) মহাবিদ্যালয় পূঁজিলৈ আগবঢ়ায়। (৬) শৰীৰ চৰ্চা বিভাগৰ সামগ্ৰী সমূহৰ ব্যৱস্থা তথা সংৰক্ষনৰ স্থায়ী ব্যৱস্থা কৰা। এই স্থায়ী তথা গঠনমূলক কাম কাজৰ সকল সমাধানৰ কৃতিত্বৰ দাবী মই অকলে কৰিব বিচৰা নাই। এই কৃতিত্বৰ অধিকাৰী আপোনালোকেই। এই খিনিতে উল্লেখ নকৰি ৰব নোৱাৰিলো যে "গুৱাহাটী বিশ্ববিদ্যালয় যুৱ মহোৎখৱত অংশ গ্ৰহণ কৰি আমি তিনিটা পুৰস্কাৰ গ্ৰহণ কৰিব সক্ষম হওঁ। সেই তিনিটা পুৰস্কাৰৰ ভিতৰত গুৱাহাটী বিশ্ববিদ্যালয় যুৱ মহোৎসবৰ আটাইতকৈ উল্লেখযোগ্য তথা এক মাত্ৰ পুৰস্কাৰ সেয়া হ'ল নিয়মানুবৰ্তিতা পুৰস্কাৰ (Discipline Award) আমি তথা দুধনৈ মহাবিদ্যালয়ে গ্ৰহণ কৰিব সক্ষম হওঁ। আৰু এই পুৰস্কাৰ দুধনৈ মহাবিদ্যালয়ত এই বছৰেয়ে মোৰ কাৰ্য্যালত প্ৰথম গ্ৰহণ কৰো।

আৰু মহাবিদ্যালয় কৰ্তৃপক্ষ তথা অধ্যক্ষ মাননীয় শ্ৰীযুক্ত কৰুণা কান্ত ৰাভাদেৱে "বছৰটোৰ সৰ্বশ্ৰেষ্ঠ সম্পাদক" (Year of the Secretary) সম্মানেৰে সম্মানিত কৰে। এইটো মোৰ বাবে গৌৰৱৰ কথা। আৰু এই কৃতিত্বৰ অধিকাৰী আপোনালোকেই।

ছাত্ৰী ছাত্ৰী বন্ধু বান্ধৱী সকল মহাবিদ্যালয় খন এতিয়াৰ বহু সমস্যাৰে জৰ্জৰিত হৈয়ে আছে। বিশেষকৈ বিজ্ঞান শাখা যেতিয়া লৈকে ঘাটি মঞ্জুৰী প্ৰাপ্ত নহয় তেতিয়ালৈকে মহাবিদ্যালয়খন আৰ্থিক সংস্কটৰ পৰা মুক্ত হব বুলি কব নোৱাৰি। এই ক্ষেত্ৰত মহাবিদ্যালয়ত বিজ্ঞান শাখাৰ অপৰিহাৰ্য্যতাৰ প্ৰতি লক্ষ্য ৰাখি কৰ্তৃপক্ষ এই শাখাটিৰ উন্নতিৰ অৰ্থে যৎপৰোনাস্তি সহায় সহযোগ আগবঢ়াবলৈ মই আপোনালোকৰ গুচৰত বিনম্ৰ অনুৰোধ জনালোঁ।

মহাবিদ্যালয় খনত কেইটমান অতি প্ৰয়োজনীয় অভাৱ পূৰণ এতিয়াও হোৱা নাই সেইবিলাকৰ ভিতৰত ঃ– (১) গ্ৰন্থাগাৰৰ উন্নতিকৰণ (২) ছাত্ৰাবাস নিৰ্ম্মান (৩) ছাত্ৰী জিৰণীকোঠা আধুনিক ৰূপত নিৰ্ম্মান। (৪) ছাত্ৰী নিবাসত আসন বৃদ্ধিৰ বাবে গৃহ নিৰ্ম্মান আৰু চৌহদত পকী বেৰৰ বন্দোবস্তকৰণ (৫) জৰাজীৰ্ণ প্ৰেক্ষা গৃহৰ নিৰ্ম্মান (৬) ছাত্ৰী নিবাসৰ অধীক্ষ্যৰ বাস ভৱণ নিৰ্ম্মাণ (৭) বাকী থকা বিভাগৰ গুৰু পাঠ্যক্ৰমৰ ব্যৱস্থাকৰা (৮) ছাত্ৰ ছাত্ৰী বৃদ্ধিলৈ লক্ষ্য ৰাখি অতিৰিক্ত শ্ৰেণী কোঠা নিৰ্ম্মান (৯) মহাবিদ্যালয় দলংখন পকীৰ ব্যৱস্থাকৰণ আদি সমস্যাৰে জৰ্জৰিত এই দুধনৈ মহাবিদ্যালয় খন।

মই আশা ৰাখিছো মোৰ পৰবৰ্ত্তী একতা সভা আৰু মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই যেন ওপৰত উল্লেখ কৰা অভাৱ অভিযোগবোৰ সমাধান কৰাত যৎপৰোনাস্তি চেষ্টা চলাব।

মোৰ কাৰ্য্য পৰিচালনাত সততে দিহা পৰামৰ্শ দি সহায় সহযোগিতা তথা উৎসাহ উদ্দীপনা যোগৰা অধ্যাপক অধ্যাপিকা তথা মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীযুক্ত কৰুণা কান্ত ৰাভা দেৱৰ ওচৰত সশ্ৰদ্ধ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ আৰু লগতে ছাত্ৰ একতা সভাৰ সমূহ সতীৰ্থ বৃন্দলৈ আন্তৰিক কৃতজ্ঞতা জনাইছো। তদুপৰি ছাত্ৰ একতা সভাৰ উপ সভাপতি আৰু সহঃ সাধাৰণ সম্পাদক ক্ৰমে সৰ্বশ্ৰী কনিস্ক ৰায় চৌধুৰী আৰু ইব্ৰাহিম আলি তথা বন্ধু বান্ধৱী ক্ৰমে বাবুল, হৰেকৃষ্ণ, বাবুল, সৰ্বানন্দ, মুকুন্দ, তপন, ৰঞ্জিত থাওৱাচন, বিপুল, টিংকু, দীলিকা, অশোক, নিজৰা, নিৰ্ম্মালী, প্ৰীতিলেখা, অন্নদা, ৰিপুজয়, হিৰেণ, ধনেশ্বৰ, অজয়, ৰিংকু আৰু যি সকল ছাত্ৰ ছাত্ৰী বন্ধু বান্ধৱীয়ে গোটেই বছৰে তেওঁলোকে কৰা অজস্ৰ সহায়ৰ বাবে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

সদৌ শেষত মোৰ অজানিতে হোৱা ভুল ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি দুধনৈ মহাবিদ্যালয়ৰ উজ্জ্বল ভবিষ্যৎ আৰু উত্তৰোতৰ উন্নতি কামনা কৰিলো।

ধন্যবাদ—

"জয় আই অসম"

"জয়তু দুধনৈ মহাবিদ্যালয়"

ভৱদীয়

**শ্ৰীবিমল প্ৰসাদ ৰাভা**

সধাৰণ সম্পাদক,

**দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা**

১৯৯৩ ইং

# তর্ক আৰু বক্তৃতা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন —

পো ন প্ৰথমে যি সকলে নিজৰ প্ৰাণতকৈ মৰমৰ স্বদেশ স্বজাতিৰ বাবে প্ৰাণ বিসৰ্জন দিবলগীয়া হল সেই সকল অমৰ বীৰ শ্বহীদলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছো। লগতে যি সকলে ৰাষ্ট্ৰসন্ত্ৰাস তথা ব্যক্তি সন্ত্ৰাসৰ দ্বাৰা নিৰ্য্যাতিত হল সেই সকললৈও মোৰ গভীৰ সমবেদনা জ্ঞাপন কৰিছো। বিভিন্ন বিষয়ৰ ওপৰত প্ৰত্যেক মানুহৰে এটা প্ৰবৃত্তি আছে। সেই একেটা প্ৰবৃত্তিয়েই মোক তৰ্ক আৰু বক্তৃতা বিভাগৰ প্ৰতি আকৰ্ষিত কৰিছিল। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ সমুহ বিদাৰ্থীৰ সহযোগিতাৰে আৰু বিপুল সমৰ্থনেৰে নিৰ্বাচনত মোক বিজয়ী কৰাৰ বাবে তেওঁলোকক কৃতজ্ঞতা জনাইছো।

আমি এনেকুৱা এখন তথাকথিত গণতান্ত্ৰিক দেশৰ নাগৰিক যিখন দেশত মছজিদ আৰু দেৱালয়ৰ মাজত এখন উচ্চ দেৱাল সজাই দুটা ভিন্ ভিন্ দিশত মুখামুখিকৈ থিয়হৈ থকা ৰাজনৈতিক নেতা দুজনৰ মুখৰ সলসলীয়া ভাষণ বোৰা শুনি মুগ্ধ হৈ নিজৰ মস্তিষ্কক অৰ্কমণ্য বুলিপৰিচয় দিবলৈ লাজ নকৰাকৈ, দেৱালখনৰ বিপৰীত পিনে থকা হেজাৰ আত্মাৰ প্ৰতিতোকৈ শত্ৰুজ্ঞান কৰিব শিকিছো। সমাজ এখন সকলো স্তৰৰ উন্নতিৰ বুনিয়াদ হৈছে ছাত্ৰ সমাজ। যুৱশক্তিৰ প্ৰসঙ্গত কওঁ অসমতে হেনো এতিয়া যুৱশক্তিৰ মাজত নৈতিক স্খলন ঘটিছে। সেয়ে এতিয়া আমাৰ আত্মবিশ্লেষণৰ সময়।

গোৱালপাৰা জিলাৰ ভিতৰতে শিক্ষাৰ প্ৰাণকেন্দ্ৰ দুধনৈ মহাবিদ্যালয়ৰ প্ৰতি মোৰ গভীৰ শ্ৰদ্ধা আৰু ভালপোৱা থকা বাবে প্ৰতিশ্ৰুতি দিছিলো মহাবিদ্যালয়ৰ উন্নতি কৰিম বুলিয়েই। কিন্তু কাৰ্য্যভাৰ গ্ৰহণ কৰি উঠিটে বুজিছিলো প্ৰতিশ্ৰুতি দিয়াচো সহজ, কিন্তু কাৰ্য্যত প্ৰয়োগ কৰাটোহে কঠিন। তথাপিও পাৰ্য্যমানে চেষ্টাত ত্ৰুটি কৰা নাছিলো। নিৰ্বাচনত জয়ী হৈ কাৰ্য্যজৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতেই অসম বিজ্ঞান সমিতি ৰংজুলি শাখাৰ সৌজন্যত অনুষ্টিত কুইজ প্ৰতিযোগিতাত তেওঁলোকৰ আমন্ত্ৰণ ক্ৰমে উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাৰ ছাত্ৰ জয়ন্ত, দীপক, জয়ন্ত, বিপুল তৰ্ক বিভাগৰ তত্বাবধায়ক অধ্যাপক শ্ৰীযুত তৰুণ চন্দ্ৰ চাংমাই চাৰৰ নেতৃত্বত কুইজ প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিবলৈ মাওঁ। ইয়াৰ কিছুদিন পিছতেই মঙ্গলদৈ মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক প্ৰমুখ্যে তৰ্কবিভাগৰ সম্পদকে আমন্ত্ৰণ জনায় সদৌ অসম ভিত্তিত পতা তৰ্ক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিবৰ বাবে। উক্ত তৰ্কপ্ৰতিযোগিতাত কমল, নিকুঞ্জ, দীপক আৰু অধ্যাপক শ্ৰীপ্ৰতাপ শৰ্মা চাৰৰ সতে মঙ্গলদৈ মহাবিদ্যালয়লৈ যাওঁ।

"মহাবিদ্যালয় সপ্তাহ" এইবাৰ আগৰ কেইবছৰ কলেজ সপ্তাহতকৈ প্ৰতিযোগিতাৰ সংখ্যা বঢ়াই লৈছিলো যাতে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীয়ে প্ৰতিভা বিকাশ কৰিবলৈ সুবিধা পায়। প্ৰতিযোগিতাত তুলনা মুলক ভাবে ছাত্ৰছাত্ৰীৰ সংখ্যা কম হলেও উৎসাহজনক আছিল। এই প্ৰতিযোগিতাত বহুতো প্ৰতিভাসম্পন্ন ছাত্ৰ ছাত্ৰী চকুত পৰিছিল। উপযুক্ত পৰিবেশ ও সা সুবিধাৰ অভাৱৰ বাবে তেওঁলোকে নিজৰ প্ৰতিভা বিকাশ কৰিব নোৱাৰাটো লক্ষ্য কৰিছিলো। কঠোৰ অনুশীলনৰ লগতে উন্নত মানৰ প্ৰশিক্ষণ পালে তেওঁলোকে নিশ্চয় মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনিব পাৰিব। চিন্তা কৰিছিলো সদৌ অসম ভিত্তিত এখনি তৰ্ক প্ৰতিযোগিতা পাতিবৰ বাবে। কিন্তু অৰ্থনৈতিক কাৰণেই হওঁক বা বিভিন্ন অসুবিধাৰ বাবেই হওক তৰ্ক প্ৰতিযোগিতাখন পাতিব নোৱাৰিলো। আশা কৰিছো ভবিষ্যতে এখন উন্নত পৰ্য্যায়ৰ তৰ্ক প্ৰতিযোগিতা হব বুলি।

শেষত তৰ্ক আৰু বক্তৃতা বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীতৰুণ চন্দ্ৰ চাংমাই চাৰ লগতে বিভিন্ন দিহা পৰামৰ্শ আৰু সহায় সহযোগিতা মোলৈ সি সকল চাৰ/বাইদেউয়ে আগবঢ়াই আহিছে তেখেত সকলৰ ওচৰত মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। ইয়াৰ উপৰিও শলাগৰ শৰাই আগবঢ়াইছো মোক সহায় সহযোগ কৰা সমূহ ছাত্ৰ ছাত্ৰীলৈ।

ক্ষমা বিচাৰিছো মোৰ কাৰ্য্যকালত কৰা ভূল ত্ৰুটিৰ বাবে। সদৌ শেষত দুধনৈ মহাবিদ্যালয়ৰ ভবিষ্যত সৰ্বাঙ্গীন উন্নতি কামনা কৰি তৰ্ক আৰু বৰ্ক্তৃতা বিভাগৰ সম্পাদকৰ পদৰপৰা বিদায় মূহুৰ্ত্তলৈ আগবাঢ়ি প্ৰতিবেদনৰ ইতিৰেখা টানিলো।

ইতি —

জয় আই অসম
জয়তু দুধনৈ মহাবিদ্যালয়

**শ্ৰীহেমন্ত কুমাৰ নাথ**
সম্পাদক, তৰ্ক আৰু বৰ্ক্তৃতা বিভাগ

**দুধনৈ মহাবিদ্যালয়**
ছাত্ৰ একতা সভা।

# ছাত্ৰী জিৰণী কোঠাৰ প্ৰতিবেদন

## দুধনৈ মহাবিদ্যালয ১৯৯৩-৯৪ চন

দুধনৈ মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী বন্ধু বান্ধবীসকলে মোক ১৯৯৩-৯৪ চনৰ দুধনৈ মহাবিদ্যালয়ৰ ছাত্ৰী জিৰনী কোঠাৰ সম্পাদিকা হিচাপে তেওঁলোকৰ বহুমূলীয়া ভোটবোৰ দি মোক জয়যুক্ত কৰালে সেইসকল বন্ধু-বান্ধবী ছাত্ৰ-ছাত্ৰী সকললৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো।

ছাত্ৰী জিৰনী কোঠাৰ বিগত বছৰটোত মই কি কৰিব পাৰিলো বা নোৱাৰিলো আৰু কি কৰিব লাগিছিল বা নালাগিছিল তাৰ মূল্যায়নৰ দায়িত্ব আপোনালোকৰা মোৰ অনিচ্ছাকৃত বাবে যদি কিবা ত্ৰুটি বিচ্যুতি হয় তাৰ বাবে আপোনালোকৰ ওচৰত আগতিয়াকৈ ক্ষমা বিচাৰিছো। মহাবিদ্যালয়ৰ অভাৱ অভিযোগ মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকলৰ অভাৱ অভিযোগ লিখিবলৈ গৈ দেখা পাওঁ যে বহুতো দিশা তথাপি কিছুমান অভাব অভিযোগ এৰাই যাব নোৱাৰি বাবে কিছু কথা উল্লেখ কৰিছো। মই প্ৰথমে আমাৰ ছাত্ৰী জিৰণী কোঠাৰ বিষয়ে কিছু কথা উল্লেখ কৰিছো। ছাত্ৰী জিৰণী কোঠাৰ যিবোৰ বস্তু থকাৰ প্ৰয়োজন সেইবোৰ প্ৰায়েই নাই বুলি কব পাৰি । চকী মেজ বহাৰ বাবে কতো সুবিধা নাই যি হেতু শ্ৰেণী জিৰণি হলে বেছি ভাগ ছাত্ৰীয়ে গছৰ তলত বহিব লাগে। ছাত্ৰী জিৰণী কোঠাতো আৰু অলপ ডাঙৰ কৰালে ভাল আছিল। ছাত্ৰী জিৰণী কোঠা স্থায়ী বন্দবস্ত নোহোৱাটোৱে হৈছে প্ৰকৃত ছাত্ৰী সকলৰ দুখ লগা।

মহাবিদ্যালয়ৰ পুথিভঁৰালটোৰ দৰাচলতে দুখ লগা। প্ৰয়োজনীয় কিতাপৰ অভাৱ। ভাল ছাত্ৰ-ছাত্ৰীকে ভাল কিতাপ পঢ়িব বিচাৰে। মহাবিদ্যালয়ৰ যথেষ্ট কিতাপ থাকিলে ছাত্ৰ-ছাত্ৰীয়ে পঢ়ি জ্ঞান লাভ কৰি ডাঙৰ সুনাগৰিক হব পাৰে। মহাবিদ্যালয়ৰ প্ৰয়োজনীয় বস্তু অভাৱ হলে আবশ্য এই অভাৱ সমূহ লাহে লাহে পুৰণ হব বুলি আশা ৰাখিছো। মহাবিদ্যালয়ৰ সপ্তাহ ১৯৯৩-চনত মহাবিদ্যালয়ৰ সপ্তাহ উৎযাপন কৰা হয়। মহাবিদ্যালয়ৰ বিভিন্ন ধৰণৰ প্ৰতিযোগিতা পতা হয়। এই প্ৰতিযোগিতাৰ যোগেদি ছাত্ৰ-ছাত্ৰী সকলৰ শাৰীৰিক, মানসিকৰ বাবে উন্নতি হোৱা দেখা যায়। যি সকল ছাত্ৰীয়ে উৎসাহেৰে প্ৰতিযোগিতা বোৰত অংশ গ্ৰহণ কৰিছে মোক সহায় কৰিলে তেওঁলোকক মই আন্তৰিক ধন্যবাদ আৰু ভৱিষ্যৎ উজ্জ্বল কামনা কৰিছো।

**কৃতজ্ঞতা জ্ঞাপন—** মই আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় শ্ৰী কৰুনা কান্ত ৰাভা চাবক পৰম শ্ৰদ্ধাসহ কৃতজ্ঞতা জনাওঁ । যি হেতু তেখেতৰ বহুমূলী উপদেশ আৰু জ্ঞান কৰি মোৰ কাৰ্য্যকালত মোৰা সকলে দিশত আগুৱাই যোৱাত সহায় কৰা বাবে। মহাবিদ্যালয়ৰ অধ্যাপিকা সকলেও প্ৰয়োজনীয় উপদেশ দিয়াৰ লগতে সম্পূৰ্ণ সহায় সহযোগ আগবাঢ়াইল গতিকে শিক্ষা গুৰু সকললৈ মোৰ সন্নান আৰু জ্ঞাপন কৰিছো।

দুধনৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণী কোঠাৰ তত্ত্বাৱধায়িকা অধ্যাপিকা দিপালী ডেকা বাই দেউৱে মোক বিভিন্ন কাম কাৰ্য্য চলাই নিয়াত যি সহায় সহযোগিতা আগবঢ়ালৈ তাৰ বাবে বাই দেউৰ ওচৰত মোৰ চিৰকৃতজ্ঞ।

তদুপৰি মোৰ সহপাঠী সকল আছিল মুকুল হুচেইন, সুপ্ৰভা নাথ, ওৱাহিদা বেগম, জোনালী শইকিয়া, লক্ষ্মণ শৰ্মা, সুব্ৰত দাস, বন্দনা মণিবুদ্দিন আহমেদ, সজল সাহা, প্ৰতুল দৈমাৰী কৰ্ণ নাথ, হাফিজুৰ ৰহমান, জগদীশ শৰ্মা, অহেমো হাজং , গীতা দেবী, আনোৱাৰ বেগম, পিনু কাছাৰী, নজুৰুল হুক, তেওঁলোক সকললৈ মোৰ আন্তৰিক ও ধন্যবাদ জ্ঞাপন কিৰছো।

**ক্ষমা প্ৰাৰ্থনা —** মোৰ কাৰ্য্যকালত মাজে সময়ে সৃষ্টি হোৱা কিছুক্ষণ অনাহত হোৱা সৃষ্টি হোৱা পৰিস্থিতি যেনে কাৰোবাক মূৰ গৰম কৰাইছিলো। মই হয়তো খং কৰিছিলো কাৰোবাৰ মনত দুখ দিছিলো। তেওঁলোকে যাতে সেইবোৰ পাহৰি যায় মোক ক্ষমা কৰে যেন।

সৰ্বশেষত অধ্যাপক অধ্যাপিকা সকললৈ মোৰ সম্মান জনাইছো।

বন্ধু -বান্ধবী ছাত্ৰ-ছাত্ৰী সকললৈ মোৰ হিয়া ভৰা শুভেচ্ছা থাকিল। আৰু এই দুধনৈ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিছো; যাতে নিজস্ব পৰম্পৰা অক্ষুন্ন ৰাখি ভবিষ্যৎ ইয়াৰ অসমতে নহয় সমগ্ৰ ভাৰতত উজ্জ্বল হৈ উঠে। এই আশাঁৰে বিদায় মাগিছো।

ধন্যবাদেৰে

**মিছ সুকৃতি চাংমা**

সম্পাদিকা,

ছাত্ৰী জিৰনী কোঠা

**দুধনৈ মহাবিদ্যালয়**

# "ছাত্ৰ জীৱণী কোঠা"

## সম্পাদকৰ প্ৰতিবেদন (১৯৯৩-৯৪)

প্ৰতিবেদনৰ আৰম্ভনিতে, দুধনৈ মহাবিদ্যালয়ৰ যিসকল ছাত্ৰ-ছাত্ৰী মোক ১৯৯৩ চনৰ মহা বিদ্যালয় নিৰ্ব্বাচনত ছাত্ৰ জীৱণী কোঠা সম্পাদক হিচাপে দায়িত্ব অৰ্পণ কৰিছিল, সেই সকললৈ মোৰ মৰম আৰু প্ৰীতি সম্ভাষণ জ্ঞাপন কৰিলো।

মহাবিদ্যালয়ত অইন অইন বছৰৰ দৰে এই বেলিও মহাবিদ্যালয় সপ্তাহ উলহ মালহ আৰু জাক জমকতাৰে পালন কৰা হৈছে। অইন বছৰৰ দৰে এই বেলিও ছাত্ৰ জীৰনী কোঠাৰ খেল সমূহত বহু সংখ্যক ছাত্ৰই যোগদান কৰিছিল। অৱশ্যে এই খেলবোৰ উচ্চ মান দণ্ডৰ হৈছে এইখিনিতে উল্লেখকৰিব পাৰি যে উক্ত খেল সমূহৰ বাবে কিছুমান অসুবিধা দেখা যায়। যদি ভালদৰে সা-সুবিধা দিয়া যায়, যদি ভালদৰে সা-সুবিধা দিয়া যায়, তেতিয়া হলে কেৰম, ডৰা, আদি খেল সমূহত দুধনৈ মহাবিদ্যালৰ ছাত্ৰয়ে নিজৰ প্ৰতিভা দেখুৱাব পাৰিব।

ছাত্ৰ জীৱনী কোঠাৰ সম্পাদক হিচাপে এই বছৰতিত থিমান কৰিব লাগিছিল, সিমান কৰিব পাৰা নাই। মোৰ কাৰ্যকালত জীৱনী কোঠাটো সেই দুৰ্গম ঠাইৰ পৰা অইন ঠাইত স্থানান্তৰ কৰি ইয়াক পকী কৰাত সক্ষম হৈছো। আৰু উক্ত কাৰ্য্যত আমাৰ সাধাৰণ সম্পাদকৰ সহায়ৰ কথা উল্লেখযোগ্য। যিকি নহত্তক মই আশা কৰিছো ছাত্ৰ জীৱনী কোঠাৰ বাকী থকা লাগতিয়াল কামখিনি মোৰ পিচৰে সম্পাদকে সম্পূৰ্ণ কৰি তুলিব।

শেষত যি সকল ছাত্ৰ-ছাত্ৰী বন্ধু সকলে মহাবিদ্যালয় সপ্তাহ সুচাৰুৰূপে চলাই নিয়াত সহায় সহযোগিতা আগবঢ়াইছিল, তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ যাছিলোঁ। বিশেষকৈ, গোলাপ কলিতা, সমিৰ দাস, নিৰেশ দাস, টিংকু এম ৰয়, মুকুল নাথ, হেমন্ত নাথ, লক্ষণ, পবিত্ৰ, হিৰেন, বিকাশ, অচিত, ধনেশ্বৰ, ৰূপালী শহঁকীয়া, আদিৰ কথা কেতিয়া পাহাৰিব নোৱাৰিম। লগতে তত্তাৱধায়ক মহোদয়ে দিয়া সু-পৰামৰ্শৰ বাবে তেখেতৰ ওচৰত চিৰ কৃতজ্ঞ।

সদৌ শেষত দুধনৈ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলো।

"জয় আই অসম"

ধন্যবাদেৰে
**শ্ৰী দীপক কুমাৰ শৰ্মা।**
সম্পাদক, ছাত্ৰ জীৱনী কোঠা
দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা।

# সংগীত বিভাগ সম্পাদকৰ প্ৰতিবেদন।

প্ৰতিবেদনৰ আৰম্ভনিতে দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সংগীত বিভাগৰ পদত খোজ দিবলৈ যি সকলে বিপুল প্ৰতিদ্বন্দ্বিতাৰে জয়ী হোৱাত মোক সুবিধা কন আগবঢ়ালে তেওঁ বিলাকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আগবঢ়ালো।

বৰ্তমান সমাজত সংগীতক সুন্দৰ আৰু সুমধুৰ বং সানিবলৈ অনাৰ গুৰিতে হ'ল এজন সুৰুচি সম্পন্ন যুৱক। সন্দেহ নাই সেই কাম যুৱকে মানবীয় মহত্ত্বৰে সাংস্কৃতিৰ লগতে সংগীতক ভেটিক ক্ৰমে সুদৃঢ় আৰু চিৰন্ত ৰূপ দিব পাৰে। নকলেও হব, সৎ আৰু সুৰুচি সম্পন্ন যুৱ শক্তিয়েহে স্বদেশ আৰু স্বজাতিৰ ৰক্ষা কবচ আৰু অতন্ত প্ৰহৰীৰ অলম উৎস। অসম তথা সমগ্ৰ উত্তৰ পূৰ্ব্বাঞ্চলৰে সংগীতক ইতিহাস বহন কৰি অনা বহ্নিমান ব্ৰহ্মমপুত্ৰৰ পাৰতে অদম সেই যুৱ শক্তিৰ সন্মণ্বয়।

সংগীত সম্পাদকৰ দায়িত্বভাৰ গ্ৰহন কৰিয়ে মনত বহু কিবা কিবি কৰাৰ সপোন দেখিছিলো মোৰ সেই সপোন কিমান দূৰ বাস্তৱত ৰূপায়িত হল সেয়া ছাত্ৰ ছাত্ৰী সকলৰ বিচাৰ যোগ্য। কাৰ্য্যভাৰ গ্ৰহন কৰাৰ কিছুদিন পিছতে মহাবিদ্যালয়ৰ নৱাগত আদৰনি সভা উলহ মালহেৰে পালন কৰা হল। উক্ত কাৰ্য্য সুচিত মই আন আন বছৰৰ দৰে এই বাৰও অধিক সফলতাৰে পালন কৰিছিলো। কিমান দূৰ সফল হলোঁ সেয়া বিচাৰৰ ভাৰ আপোনালেকৰ হাতত।

মহাবিদ্যালয়ৰ সংগীত সম্পাদকৰ এক গুৰুত্ব পূৰ্ণ্য দায়িত্ব থাকে। মই এই দায়িত্ব পালন কৰিবলৈ বাৰুকৈয়েই চেষ্টা কৰিছিলো। কিন্তু কিছুমান অসুবিধা যেনে বাদ্য যন্ত্ৰৰ অভাৱ, এটা সৰ্ব্বাঙ্গ সুন্দৰ প্ৰেক্ষা গৃহৰ অভাৱ, এখন সুবিধা সম্পন্ন মঞ্চৰ অভাৱ তদুপৰি ছাত্ৰ-ছাত্ৰী তথা শিক্ষা গুৰু সকলৰ সহযোগীতাৰ অভাৱৰ বাবে, সম্পাদকৰ সফলতাত যথেষ্ট বাধা আহি পৰে। এই বাধা সমুহ আতৰাবৰ চেষ্টা কৰিলে আকৌ মহাবিদ্যালয়ৰে এছাম ছাত্ৰ ছাত্ৰী তথা শিক্ষকে উক্ত সম্পাদকক সকলোৰে আগত হেও প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰে। গতিকে সমুহ ছাত্ৰ ছাত্ৰীলৈ মোৰ অনুৰোধ তেওঁলোকে যাতে এই বাধাৰ প্ৰাচীৰ ভাঙিওলাই আহি এখন সুস্থ শৈক্ষিক পৰিবেশ সম্পন্ন মহাবিদ্যালয় গঢ়ি তোলাত অৰিহনা যোগায়।

আন আন বছৰৰ দৰে দুধনৈ মহাবিদ্যালয়ৰ মহাবিদ্যালয় সপ্তাহ অতি আনন্দৰে পালন কৰা হয়। এই সপ্তাহত সংগীত বিভাগৰ বিভিন্ন সংগীত প্ৰতিযোগীতাৰে কাৰ্য্য সুচি আৰম্ভ হয়।

মহাবিদ্যালয় সপ্তাহত সংগীতৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিয়া হয়। এই বাৰ মহাবিদ্যালয় সপ্তাহত যি বোৰ প্ৰতিযোগীতা পাতিছিলো সেয়া যথেষ্ট নহয়। লগতে শিল্পি সকলোক ভাল দৰে সুবিধা দিব পৰা নহল। আৰু মুলতে হল, সময়ৰ অভাৱ। মহাবিদ্যালয় এখনত ইমান কম সময়ৰ ভিতৰুতা সমুহ প্ৰতিযোগীতা পাতাটো সম্ভৱ নহয়। মিয়ে নহক যি যিনি প্ৰতিযোগীত দিক্ষা হৈছে সেই প্ৰতিযোগী তাত অংশ গ্ৰহন কৰা সমুহ প্ৰতিযোগীকে মই মোৰ ফালৰ পৰা আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো দুধনৈ মহাবিদ্যালয়ৰ সংগীতৰ ক্ষেত্ৰত এক বিশেষ সুনাম আছে। যিয়ে নহওক বিভিন্ন প্ৰতিযোগীতাৰ প্ৰতিযোগী সকলৰ ভিতৰু মিক্ প্ৰতিলেখা দেৱী যে সৰ্ব্বশ্ৰেষ্ঠ গায়িকা নিৰ্বাচিত হৈছিল। এয়া নিশ্চয় দুধনৈ মহাবিদ্যালয়ৰ বাবে এটি উজ্বল ভবিষ্যতৰ আগ জাননী। মহাবিদ্যালয় সপ্তাত সংগীত বিভাগৰ বহল কাৰ্য্যসুচি এখন কম সময়তে পৰিসমাপ্তি ঘটোৱাৰ গুৰিতে মোৰ যৎপৰনাস্তি চেষ্টা, লগতে মোৰ শিক্ষাগুৰু 'ফণীভূষণ দাস, হৰগোবিন্দ ডেকা আৰু মোৰ তত্বা বধায়িকা শ্ৰীমতী মিনতি ভূঞা চৌধুৰী। তেওঁলোকৰ প্ৰতি মোৰ চিৰ কৃতজ্ঞতা থাকিল। মই কিছুমান বিশেষ অসুবিধাৰ সম্মুখিন হব লগা হৈছিল বিশেষ কৈ সময়ৰ ক্ষেত্ৰত। আগলৈ যাতে এনেকুৱা কোনো অসুবিধাৰ সৃষ্টি নহয় তাৰ বাবে মই সমুহ ছাত্ৰ ছাত্ৰীকে তথা মহাবিদ্যালয়ৰ কৃৰ্তৃপক্ষক অনুৰোধ জনালো

সদৌ শেষত মোৰ কাৰ্য্যকালত মোক চাৰিও ফালৰ পৰা বিভিন্ন ধৰনে সহায় কৰা কনিস্ক, ফণীন্দ্ৰক মই আন্তৰিক কৃতজ্ঞতা ও মৰম থাকিল। ইয়াৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰ সদস্য বৃন্দ, সমুহ শিক্ষাগুৰু তথা মহাবিদ্যালয় সমুহ ছাত্ৰ ছাত্ৰী লৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ মহাবিদ্যালয় সপ্তাহ উপলক্ষ্যে হোৱা সাংস্কৃতি সন্ধিয়া সফল কৰি তোলা দিয়া পৰামৰ্শ দিয়া সমুহ ছাত্ৰ ছাত্ৰী তথা অদ্যাপক অধ্যাপিকা সকলক ধন্যবাদ জ্ঞাপন কৰিলো

শেষত দুধনৈ মহাবিদ্যালয়ৰ সৰ্ব্বাঙ্গিন উন্নতিৰ কামনাৰে মোৰ এই প্ৰতিবেদনৰ সামৰনি মাৰিলোঁ।

জয় আই অসম।

**শ্ৰী জনাৰ্দ্দন পাঠক।**
সংগীত সম্পাদক।
**দুধনৈ মহাবিদ্যালয ছাঃ সঃ।**

# সাতোঁৰ আৰু শৰীৰ চৰ্চা

## সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰাম্ভনিতে সেই সকলৈলে মই মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো যি সকলে দুধনৈ মহাবিদ্যালয়ৰ বিভাগীয় কামকাজৰ মাজেদি সেৱা কৰাৰ অপূৰ্ব সুযোগ প্ৰদান কৰিছে। লগতে মহাবিদ্যালয় খনৰ সংশ্লিষ্ট কৰ্তৃপক্ষ আৰু শিক্ষা গুৰু সকলোলৈও শ্ৰদ্ধা জ্ঞাপন কৰিছো।

মই এই বিভাগত কাৰ্য্যভাৰ গ্ৰহণ কৰি সাধাৰণ সম্পাদকক তথা মহাবিদ্যালয় ছাত্ৰ একতা সভাক কাৰ্য্য পৰিচালনাৰ কেনে ধৰনে সহযোগিতা আগবঢ়াব পাৰিলোঁ সেয়া ছাত্ৰ সমাজ তথা সংশ্লিষ্ট ব্যক্তি সকলৰ বিচাৰ্য্য।

মই মোৰ সাঁতোৰ আৰু শৰীৰ চৰ্চা বিভাগৰ খেলৰ সকলো প্ৰয়োজনীয় সা-সামগ্ৰী, যেনে বাৰবেল, ডামবেল, পাৱাৰ ক্ৰেসাৰ, ৰিং আদি যোগান ধৰিবলৈ সক্ষম হওঁ। ইয়াবোপৰি ১৯৯৩ চনৰ ক্ৰিকেট সম্পদকৰ পদটি খালিহোৱাত ছাত্ৰ একতা সভাৰ সৰ্বসম্মত সিদ্ধান্ত অনুসৰি মই অতিৰিক্ত দায়িত্ব হিচাপে এই পদটো গ্ৰহণ কৰিব লগা হয়।

মোৰ কাৰ্য্যকালত বিভিন্ন খেলৰ, বিশেষকৈ ক্ৰিকেট খেলৰ সামগ্ৰী যেনে বেট, পেট, গ্লোপছ আদি যোগান ধৰিবলৈ, সক্ষম হওঁ। মহাবিদ্যালয় সপ্তাহত এই দুয়োটা বিভাগৰ প্ৰতিযোগিতা সমুহ অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতা সমুহত ছাত্ৰ ছাত্ৰীৰ সংখ্যা সন্তোষ জনক আছিল।

মোৰ কাৰ্য্য কালছোৱাত বিভিন্ন দিশত দিহা পৰামৰ্শ আৰু সহায় মোলৈ যি সকল শিক্ষা গুৰু আৰু ছাত্ৰ-ছাত্ৰীয়ে আগবঢ়াই আহিছে তেখেত সকললৈ ওৰেত মই কৃতজ্ঞ, ছাত্ৰ বন্ধু সকলৰ ভিতৰত—মহিবুল হক, হেমন্ত নাথ, ইব্ৰাহিম আলী, মুকুল হুছেইল, দীপাংকৰ সৰকাৰ, নীশিকান্ত দাস, বিকাশ অধিকাৰীৰ সহায় সহযোগিতাই মোক বিশেষ ভাৱে উপকৃত কৰি তুলিছে।

প্ৰতিবেদনৰ শেষত দুধনৈ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি আৰু ১৯৯৪ চলৰ নতুন ছাত্ৰ-একতা সভাক শুভেচ্ছা জনাই প্ৰতিবেদনৰ সামৰণি মাৰিছো।

"জয় আই অসম"

ধন্যবাদেৰে — **শ্ৰীবিজু সৰকাৰ**
সাতোঁৰ আৰু শৰীৰ চৰ্চা সম্পাদক।
ভাৰপ্ৰাপ্ত ক্ৰিকেট সম্পাদক

## সাংস্কৃতিক বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে দুধনৈ মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ ছাত্ৰীলৈ অভিনন্দন জ্ঞাপন কৰিছোঁ।

১৯৯৩-৯৪ চনৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত বিনা প্ৰতিদ্বন্দীতাৰে সাংস্কৃতিক বিভাগৰ সম্পাদিকা হিচাপে নিৰ্বাচিত হওঁ। কিন্তু হলেওঁ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ বিভিন্ন বিভাগৰ বিষয় কবয়া সকলৰ দৰেই ময়ো নিজ বিভাগৰ দায় দায়িত্ব বহন কৰিছো। দায়িত্ব আৰু কৰ্তব্য কি ভাৱে সম্পাদন কৰিছো সেয়া আপোনালোকৰ বিচাৰ্য।

পৰম্পাৰাগত ভাৱে মহাবিদ্যালয় সপ্তাহ এই বেলিও ২৫ ডিচেম্বৰৰ ৯৩ পৰা পাঁছ দিনীয়া কাৰ্য্যসুচীৰে উদযাপন কৰা হয়। কিন্তু দুৰ্ভাগ্যৰ বিষয় মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ তুলনাত প্ৰতিযোগীৰ সংখ্যা নিচেই তাকৰ আছিল। তথাপিও কাৰ্যাসুচী সফলতাৰে পাঁচমন একাংকিকা নাটৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই প্ৰতিযোগীৰ তাকৰীয়া সংখ্যাই আমাৰ ছাত্ৰ ছাত্ৰীৰ সকলৰ শিল্পী সত্বা মৰহি যোৱাটো নুবুজায় নে বাৰু?

যিয়েই নহওঁক, মোৰ কাৰ্যাকালত বহুমূলীয়া দিহা - পৰামৰ্শ আগবঢোৱা হেতুকে অধ্যাপক-অধ্যাপিকা আৰু তত্বাৱধায়ক শ্ৰী যুক্ত হৰকুমাৰ নাথ মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো।

লগতে মোৰ কাৰ্যাসুচী পৰিচালনাত সহায়-সহযোগিতা আগবঢ়োৱা সতীৰ্থসকল, ৰাজাৰাম, ভাস্কৰ, জ্ঞানৰঞ্জন, বৃদ্ধেশ্বৰ প্ৰীতি লেখা, অন্নদা, ইব্ৰাহিম, প্ৰতুল সকললৈ ধন্যবাদ জ্ঞাপন কৰিলো। তেওঁলোকৰ অকৃত্ৰিম মৰম চেনেহ আৰু আন্তৰ সহযোগিতা মোৰ স্মৃতি পটত চিৰদিন জিলিকি থাকিব।

সদৌ শেষত, মোৰ কাৰ্যাকালত বৈ যোৱা অজানিত ভুল-ক্ৰটিৰ বাবে সকলোৰ ওচৰত ক্ষমা বিচাৰিছো। দুধনৈ মহাবিদ্যালয়ৰ উজ্জল ভৱিষ্যত কামনা কৰি। আটাইলৈ অভিনন্দন ও শুভেচ্ছা জনাই ইমানতে সামৰিলো।

ইতি—

জয়তু **দুধনৈ মহাবিদ্যালয়**

**মিচ নমিতা বৈশ্য**

সম্পাদিকা, সাংস্কৃতিক বিভাগ

দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা।

## গুৰু ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে যি সকল ছাত্ৰী ছাত্ৰীয়ে তেওঁলোকৰ বহুমূলীয়া ভোটদানেৰে গুৰু ক্ৰীড়া বিভাগৰ সম্পাদক হিচাবে মোক নিৰ্বাচিত কৰিলে, তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। বিভাগীয় দায়িত্ব বহন কৰি ক্ৰীড়া সমস্যা বহুল বিভাগটোৰ আংশিক উন্নতি থৈ থোৱাৰ আগ্ৰহ অসীম। কিন্তু মোৰ কাৰ্য্যকালত কিমানখিনি কৰিব পাৰিলো, সেয়ো আপোনালোকেই বিচাৰ কৰিব পাৰে।

মোৰ কাৰ্য্য সম্পাদনৰ ৰবে যত্নৰ ত্ৰুটি কৰা হোৱানাই তথাপি অনিচ্ছাকৃত ভূল ত্ৰুটিৰ বাবে নিশ্চয় ক্ষমা কৰিব। পৰম্পৰাগত ভাবে মহাবিদ্যালয় সপ্তাহ এইবাৰো ২৩ ডিচেম্বৰ ৯৩ পৰা পাঁচদিনীয়া কাৰ্য্যসূচীৰে উৎযাপন কৰা হয়। সুকলি আকাশৰ তলত মুকলি মনেৰে অনুষ্ঠিত দুধনৈ "মহাবিদ্যায় সপ্তাহৰ অলিম্পিক শিখা প্ৰজ্বলন কৰে দুধনৈ আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদাক শ্ৰীটিংকু এম ৰয়ে। এই ক্ষেত্ৰত যোৱাবেলি কলেজ সপ্তাহত প্ৰথম স্থান লাভ কৰা খেলুৱি মিচ্ নাজিৰা বেগম আৰু তাইক সহায় কৰে আন এগৰাকী খেলুৱৈ শ্ৰী ৰাহুল ৰয়ে।

২৫ ডিচেম্বৰ দিনৰ ১ বজাৰ পৰা এইবেলি কলেজ সপ্তাহৰ খেল সমূহ আৰাম্ভ কৰা হয়। কিন্তু প্ৰতিদ্বন্দ্বীৰ অভাৱত ঠিক সময়ত খেন সমূহ পৰিচালনা কৰিব পৰা নহল এইবেশি যি হল আগলৈ যেন এনেকুৱা নহয়, তাৰ বাবে ছাত্ৰ ছাত্ৰীসকলক বিণম্প অনুৰোধ জানালো। ইয়াৰউপৰি কলেজ সপ্তাহৰ আন আন খেল সমূহো এটা খেলপথাৰতে অনুষ্ঠিত কৰিব লগা হয় যাৰ ফলত খেলপৰিচালনাত যথেষ্ট কষ্ট আৰু অসুবিধাৰ সম্মুখীন হব লগা হয়।

যিয়ে নহওঁক, আমি আশাৰাখিছো আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকলৰ মাজৰ পৰা ভাল খেলুৱৈ হৈ আন্তৰাষ্ট্ৰীয় পৰ্য্যায়ত খেলি মহাবিদ্যালয় তথা দেশৰ সুনাম অৰ্জন কৰিবলৈ সক্ষম হয়। মোৰ কাৰ্য্যকালত সীমিত অভিজ্ঞতাৰে কিছু নতুনত্ব প্ৰদান কৰিবলৈ প্ৰচেষ্টালৈছিলো। এই ক্ষেত্ৰত অমূল্য দিহা পৰামৰ্শৰে সহায় কৰা তত্বাবধায়ক শ্ৰী মহেশ তালুকদাৰ মহোদয়ৰ ওচকত আৰু লগতে যোৱাবেলি দুধনৈ মহাবিদ্যালয়ৰ গুৰুক্ৰীড়া বিভাগৰ সম্পাদক শ্ৰী দীনেন নাথ আৰু সঞ্জীৱ ৰাজ, শ্ৰী ভূপাল দৈমাৰী, শ্ৰী ৰাজু ৰাজ, শ্ৰী উৎপল ডেকা আৰু লক্ষধৰক হিয়াভৰা সহায় সহযোগিতাৰ কথা কৃতজ্ঞতাৰে সুঁৱৰিছো।

শেষত, অজানিতে বৈ যোৱা ভূল ত্ৰুটিক বাবে সকলোৰে ওচকত ক্ষমা বিছাৰিছো। দুধনৈ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি আৰু উজ্জল ভৱিষ্যত কামনা কৰি ইমানতে সামৰিলোঁ

ধন্যবাদ—

**শ্ৰী ৰিপুঞ্জয় খাখলাৰী, সম্পাদক**

গুৰু ক্ৰীড়া বিভাগ। ১৯৯৩-৯৪

## প্ৰাচীৰ প্ৰতিকাৰ সম্পাদকৰ প্ৰতিবেদন

পাতনিতে ১৯৯৩ চনৰ বছৰটোত প্ৰত্যক্ষ নিৰ্বাচনত প্ৰাচীৰ পত্ৰিকা 'জেউতিৰ' সম্পাদক হিচাবে সেৱা কৰাৰ সুযোগ দিয়া, বিশেষকৈ শ্ৰী ধ্ৰুৱ কুমাৰ শৰ্মা, শ্ৰী প্ৰদীপ শৰ্মা, বন্ধু শ্ৰী ক্ষীৰোদ দাসক মোৰ আন্তৰিক অভিনন্দন জনালো। লগত আন আন যি সকল বন্ধু বান্ধৱীয়ে সহায় সহযোগ কৰিলে তেওঁলোকৰ প্ৰতি মই কৃতজ্ঞ।

'জেউতি' খনৰ কলেৱৰ মোৰ সম্পাদনাত আগৰ খনত কৈ যথেষ্ট বৃদ্ধি কৰা হৈছে। ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰী সকলে স্বকীয় প্ৰতিভা বিকাশ কৰাত আৰু কিছুসফল হৈছে। বছৰটোত দুটা সংখ্যা প্ৰকাশ কৰা হৈছে এই সংখ্যা দুটা মোৰ সাধ্যমতে সুন্দৰ কৰিবলৈ চেষ্টা কৰা হৈছে। যদিও বহতো ভূল-ভ্ৰান্তি, বৈ গৈছিল সেয়া আমাৰ অনিচ্ছাকৃত ভূল। যি সকল সদাশয় ব্যক্তিয়ে ভুল বিলাক আঙুলিয়াই দেখুৱালে তেখেত সকললৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সদৌ শেষত তত্বাবধায়ক অধ্যাপক শ্ৰী দশৰথ কাকতি মহাশয়ে মোৰ সকলো দিশতে মূল্যবান পৰামৰ্শ দিয়াৰ বাবে তেখেতলৈ মোৰ শ্ৰদ্ধা থাকিল।

আলোচনীখনৰে দুয়োটা সংখ্যা লিখা-মেলাত সহায় কৰা বন্ধু-অজয়, উৎপল, প্ৰকাশ, নাৰায়ণ, অনঙ্গ ফু মোৰ কৃতজ্ঞতা জনাইছো, আৰু ভৱিষ্যতে পৰেকীয়া আলোচনী, 'জেউতি'ৰ উন্নতি কামনা কৰি প্ৰতিবেদন সামৰনি মাৰিছো।

জয়তু দুধনৈ মহাবিদ্যালয়

**শ্ৰী জগদীশ শৰ্মা**
সম্পাদক, প্ৰাচীৰ পত্ৰিকা।

★ ★ ★

## সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে দুধনৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক শুভেচ্ছা যাছিলো।

১৯৯২-৯৩ চনৰ দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সমাজ সেৱা বিভাগৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছত নবাগত আদৰনী সভা উপলক্ষে এখন প্ৰতিয়োগীতা মূলক সমাজসেৱাৰ আয়োজন কৰা হয়। এই সমাজ সেৱাত মহাবিদ্যালয়ে চৌহদ পৰিস্কাৰ কৰা হয়। এই প্ৰতিযোগীতা মূলক সমাজসেৱাত মহাবিদ্যালয়ৰ ভালে সংখ্যাক ছাত্ৰ-ছাত্ৰীয়ে অংশ লয়া ইয়াৰ পিছত মহাবিদ্যালয় সপ্তাহ উপলক্ষে দ্বিতীয়খন সমাজ সেৱাৰ আয়োজন কৰা হয়। এই প্ৰতিযোগিতাত অধিক সংখ্যাক ছাত্ৰ-ছাত্ৰীৰ অংশ গ্ৰহণে সচাকৈ মোক উৎসাহীত কৰিছিল। সমাজ সেৱাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ বঢ়াটো মহাবিদ্যালয়খনৰ বাবে নিশ্চয় শুভ লক্ষণ। আগলৈ যেন ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ অধিক বৃদ্ধি হয়।

উল্লেখযোগ্য যে বিশেষ কাৰণত ফুটবল বিভাগৰ সম্পাদক পদত্যাগ কৰাৰ বাবে এই বিভাগটো পৰিচালনা কৰাৰ বাবে মোক দায়িত্ব অৰ্পন কৰে। মহাবিদ্যালয় সপ্তাহ উপলক্ষে এই বিভাগৰে পৰা এখন আন্তঃশ্ৰেণীৰ ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। বিভিন্ন জনৰ সহযোগিতাত এই প্ৰতিযোতাৰ সফল সামৰনি পেলোৱা হয়। প্ৰতিযোগিতাখনত উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ দলে বিজয়ী দল আৰু স্নাতক দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ দলে বিজিত দল হিচাপে সন্মান অৰ্জন কৰে।

প্ৰতিবেদনৰ পৰিশেষত মোৰ কাৰ্য্য কালৰ বিভিন্ন ধৰনে সহায় সহযোগিতা আগবঢ়োৱা বন্ধু বান্ধবী সৰ্ব শ্ৰী ৰাজা, দীপাংকৰ, লাম্ব, অকন, সঞ্জিব, কিৰণ, জ্ঞান, উত্তম, অঞ্জন, হিৰামন, প্ৰকাশ, ধ্ৰুৱ, জন্মেজয়, খনিন, আজিজুৰ, মনোমতী মীৰা সুপ্ৰভাত, কবিতা, ৰেণুকা, দেৱজানী মাধৰী, কুক্ৰীতি, ৰীণা, জৰ্না, কল্যানী, সকলোলৈ মোৰ আন্তৰিক কৃতজ্ঞতা যাছিলোঁ। তদুপৰি সকলো সময়তে দিশা পৰা মৰ্শৰে মোৰ কাৰ্য্যভাৰ চলাই নিয়াত বিশেষ ভাৱে সহায় কৰা তত্বাবধায়ক অধ্যাপক মাননীয় শ্ৰী যুক্ত প্ৰতাপ শৰ্মা আৰু শ্ৰী যুত পবিত্ৰ ব্ৰহ্ম মহোদয়লৈ মোৰ আন্তৰিক কৃতজ্ঞতা তথা শ্ৰদাৰ্ঘ্য যাছিলো।

দুধনৈ মহাবিদ্যালয়ৰ উজ্জল ভৱিষ্যত কামনাৰে—

**শ্ৰী প্ৰতুল কুমাৰ দৈমাৰী**
সম্পাদক, সমাজ সেৱা বিভাগ

## ১৯৯৩ চনত দুধনৈ মহাবিদ্যালয়ত 'মহাবিদ্যালয় সপ্তাহ' উপলক্ষে আলোচোনী সম্পাদকৰ দ্বাৰা অনুষ্ঠিত কৰা বিভিন্ন প্রতিযোগিতাসমূহৰ ফলাফলৰ তালিকা ঃ

১। থিতাতে চিত্রাঙ্কন-প্রতিযোগিতাৰ ফলাফল

ক। প্রথম—মহিবুল হক স্নাতক ২য় বার্ষিক (বিজ্ঞান)
খ। দ্বিতীয়—ৰাহুল ৰয় স্নাতক প্রথম (কলা)
গ। তৃতীয়—নেহেবু ৰাভা উঃ মাঃ ২য় বার্ষিক

২। চুটিগল্প প্রতিযোগিতাৰ ফলাফল

ক। প্রথম—শ্রী ৰাজাৰাম ৰাভা স্নাতক ৩য় বার্ষিক
খ। দ্বিতীয়—শ্রী অনুপ কলিতা স্নাতক ২য় বার্ষিক
গ। তৃতীয়—শ্রী হেমন্ত কুমাৰ নাথ স্নাতক ২য় বার্ষিক

৩। গল্প

ক। প্রথম—মিচ দিপালী বসুমতাৰী স্নাতক ৩য় বার্ষিক
খ। দ্বিতীয়—শ্রী বিপুল কুমাৰ নাথ স্নাতক ৩য় বার্ষিক
গ। তৃতীয়—শ্রী জয়ন্ত কুমাৰ দাস স্নাতক ৩য় বার্ষিক

৪। কবিতা

ক। প্রথম—শ্রী জয়ন্ত কুমাৰ দাস স্নাতক ২য় বার্ষিক
খ। দ্বিতীয়—মিচ দিপালী বসুমতাৰী স্নাতক ৩য় বার্ষিক
গ। তৃতীয়—মোঃ ৰস্তম আলী স্নাতক ৩য় বার্ষিক

৫। প্রবন্ধ বিভাগ

ক। প্রথম—শ্রী হেমন্ত কুঃ নাথ স্নাতক ২য় বার্ষিক
খ। দ্বিতীয়—মোঃ ৰস্তম আলী স্নাতক ৩য় বার্ষিক
গ। তৃতীয়—শ্রী গনেশ চন্দ্র শর্মা স্নাতক ২য় বার্ষিক

### ৬। ঠিতাতে লিখা কবিতা প্রতিযোগিতাৰ ফলাফল ঃ

ক। প্রথম—শ্রী বিপুল কুঃ নাথ স্নাতক ২য় বার্ষিক
খ। দ্বিতীয়—শ্রী বিশ্বধৰ ৰাভা উঃ মাঃ,২য় বার্ষিক
শ্রী কনিস্ক ৰাভা স্নাতক ২য় বার্ষিক

৭। **Skil—Writing in spot—**

ক। প্রথম—শ্রী ৰত্ন কুঃ নাথ উঃ মাঃ ১ম বার্ষিক (বিজ্ঞান)
খ। দ্বিতীয়—শ্রী আনুজ সিংহ ৰয় স্নাতক ৩য় বার্ষিক
গ। তৃতীয়—শ্রী জয়ন্ত কুঃ নাথ স্নাতক প্রথম বার্ষিক

## গুৰু ক্রিড়াৰ ফলাফল সমূহ

1. ১ মিটাৰ দৌৰ প্রতিযোগিতা (লৰা)
প্রথম—শ্রী অঞ্জন ৰাভা স্নাতক দ্বিতীয় বার্ষিক
দ্বিতীয়—শ্রী নিতানন্দ দাস উঃ মাঃ প্রথম বার্ষিক

1. ১মিটাৰ দৌৰ প্রতিযোগিতা ( ছোৱালী )
প্রথম—মিচ নাজিবা বেগম স্নাতক দ্বিতীয় বার্ষিক
দ্বিতীয়—মিচ মধুমিতা ৰাভা উঃ মাঃ প্রথম বার্ষিক

2. ২ মিটাৰ দৌৰ প্রতিযোগিতা ( লৰা )
প্রথম—শ্রী প্রৱীন চন্দ্র নাথ উচ্চতম প্রথম বার্ষিক
দ্বিতীয়—শ্রী সর্বানন্দ হাজোৰাৰী স্নাতক প্রথম বার্ষিক

2. ২ মিটাৰ দৌৰ প্রতিযোগিতা ( ছোৱালী )
প্রথম—নাজিৰা বেগম স্নাতক দ্বিতীয় বার্ষিক
দ্বিতীয়—অনুপ্রভা দেৱী স্নাতক দ্বিতীয় বার্ষিক

3. ৪ মিটাৰ দৌৰ প্রতিযোগিতা ( লৰা )
প্রথম—মোঃ মহিবুল হক স্নাতক দ্বিতীয় বার্ষিক
দ্বিতীয়—শ্রী প্রৱীন চন্দ্র নাথ উঃ মাঃ প্রথম বার্ষিক

3. ৪ মিটাৰ দৌৰ প্রতিযোগিতা ( ছোৱালী )
প্রথম—মিচ নাজিৰা বেগম স্নাতম দ্বিতীয় বার্ষিক
দ্বিতীয়—শ্রী মতি সুপ্রভা দেৱী স্নাতক দ্বিতীয় বার্ষিক

4. ৮ মিটাৰ দৌৰ প্রতিযোগিতা ( লৰা )
প্রথম—শ্রী প্রৱীন চন্দ্র নাথ উচ্চতম মাধ্যমিক প্রথম বার্ষিক
দ্বিতীয়—শ্রী জনমনি শর্মা উচ্চতম মাধ্যমিক প্রথম বার্ষিক
তৃতীয়—শ্রী কমল বৰা উচ্চতম মাধ্যমিক প্রথম বার্ষিক

5. শ্বট ( লৰা )
প্রথম—শ্রী বিধান সূত্রধৰ উচ্চতম মাধ্যমিক প্রথম বার্ষিক
দ্বিতীয়—শ্রী অঞ্জন ৰাভা স্নাতক দ্বিতীয় বার্ষিক

5. পুট ( ছোৱালী )
প্রথম—মিচ অনুপ্রভা নাথ স্নাতক দ্বিতীয় বার্ষিক
দ্বিতীয়—মিচ জয়শ্রী নাথ উচ্চতম মাধ্যমিক দ্বিতীয় বার্ষিক

6. ডিচকাচ ( লৰা )
প্রথম—শ্রী মনৰঞ্জন ৰয় স্নাতক দ্বিতীয় বার্ষিক
দ্বিতীয়—শ্রী জয়দেব বসমুতাৰী উঃ মাঃ দ্বিতীয় বার্ষিক

6. ডিচকাচ ( ছোৱালী )
প্রথম—মিচ জয়শ্রীনাথ উচ্চতম মাধ্যমিক দ্বিতীয় বার্ষিক
দ্বিতীয়—মিচ সুপ্রভা দেৱী স্নাতক প্রথম বার্ষিক

লঙ্গ জাম্প ( লৰা )
প্রথম—শ্রী প্রীন নাথ উচ্চতম মাধ্যমিক প্রথম বার্ষিক
দ্বিতীয়—শ্রী থানেশ্বৰ দাল

7. লঙ্গ জাম্প ( ছোৱালী )
প্রথম—মিচ নাজিৰা বেগম স্নাতক দ্বিতীয় বার্ষিক
দ্বিতীয়—মিচ জুতিকা সিংহ উঃ মাঃ দ্বিতীয় বার্ষিক

8. জেভলিজদলিৰা ( লৰ )
প্রথম—শ্রী কিৰণ বসুমতাৰী স্নাতক দ্বিতীয় বার্ষিক
দ্বিতীয়—শ্রী জয়দেৱ বসুমতীৰী উঃ মাঃ দ্বিতীয় বার্ষিক

9. চকুত বন্ধা (ছোৱালী)
প্ৰথম—মিচ পবিত্ৰা দেৱী উঃ মাঃ দ্বিতীয় বাৰ্ষিক
দ্বিতীয়—মিচ ৰেণুকা পাঠক স্নাতক দ্বিতীয় বাৰ্ষিক

10. ভাৰসাম্য দৌৰ ( ছোৱালী )
প্ৰথম—মিচ ৰেণুকা পাঠক স্নাতক দ্বিতীয় বাৰ্ষিক
দ্বিতীয়—মিচ সুপ্ৰভা দেৱী

11. মিউজিক চিয়াৰ ( ছোৱালী )
প্ৰথম—মিচ দিপামনি নাথ স্নাতক প্ৰতম বাৰ্ষিক
দ্বিতীয়—মিচ ভানুমতি দেৱী স্নাতক তৃতীয় বাৰ্ষিক

12. ৪ মিটাৰ ৰিলেৰচ দৌৰ ( লৰা )
প্ৰথম দল—
(i) শ্ৰী অঞ্জন ৰাভা স্নাতক দ্বিতীয় বাৰ্ষিক
(ii) শ্ৰী মহিবুল হত স্নাতক দ্বিতীয় বাৰ্ষিক
(iii) শ্ৰী কিৰণ বসুমতাৰী স্নাতক দ্বিতীয় বাৰ্ষিক
(iv) শ্ৰী সঞ্জিৱ ৰাভা স্নাতক দ্বিতীয় বাৰ্ষিক

দ্বিতীয় দল—
(i) শ্ৰী কমল বৰা উচ্চতম মাধ্যমিক প্ৰথম বাৰ্ষিক
(ii) শ্ৰী নিতানন্দ দাস উচ্চতম মাধ্যমিক প্ৰথম বাৰ্ষিক
(iii) শ্ৰী সত্য ব্ৰহ্মা উচ্চতম মাধ্যমিক প্ৰথম বাৰ্ষিক
(iv) শ্ৰী বিশ্বধৰ ৰাভা উচ্চতম মাধ্যমিক প্ৰথম বাৰ্ষিক

13. ৪ মিটাৰ ৰিলেৰেচ দৌৰ ( ছোৱালী )
প্ৰথম দল—
(i) মিচ—নাজিৰা বেগম স্নাতক দ্বিতীয় বাৰ্ষিক
(ii) মিচ—বৰ্ণালী নাথ স্নাতক প্ৰথম বাৰ্ষিক
(iii) মিচ—সুপ্ৰভা নাথ স্নাতক প্ৰথম বাৰ্ষিক
(iv) মিচ—সুপ্ৰভা দেৱী স্নাতক প্ৰথম বাৰ্ষিক

দ্বিতীয় দল—
(i) মিচ—ফুলপাহী নাথ স্নাতক দ্বিতীয় বাৰ্ষিক
(ii) মিচ—দিপামনি নাথ স্নাতক প্ৰথম বাৰ্ষিক
(iii) মিচ—হৃদয়া চৌধুৰী। স্নাতক প্ৰথম বাৰ্ষিক
(iv) মিচ—ধনিলতা নাথ উঃ মাঃ দ্বিতীয় বাৰ্ষিক

14. ট্ৰিপুল জাম্প ( লৰা )
প্ৰথম—শ্ৰী প্ৰৱীন চন্দ নাথ উচ্চমাধ্যমিক প্ৰথম বাৰ্ষিক
দ্বিতীয়—শ্ৰী বিশ্বদীপ পাটগিৰী স্নাতক প্ৰথম বাৰ্ষিক

15. স্মৃতি পৰিক্ষা ( ছোৱালী )
প্ৰথম—মিচ বন্দনা নাথ স্নাতক তৃতীয় বাৰ্ষিক
দ্বিতীয়—মিচ ভানুমতি দেৱী স্নাতক তৃতীয় বাৰ্ষিক

16. শ্ৰেষ্ঠ খেলুৱৈই ( লৰা )
শ্ৰী—প্ৰৱীন চন্দ্ৰনাথ উচ্চতম মাধ্যমিক প্ৰথম বাৰ্ষিক

17. শ্ৰেষ্ঠ খেলুৱৈই ( ছোৱালী )
মিচ—ৰাজিৰা বেগম স্নাতক দ্বিতীয় বাৰ্ষিক

## ছাত্ৰী জিৰনী কোঠাৰ ফলাফল

**ছোৱালীৰ কেৰম প্ৰতিযোগীতাৰ ফলফল ঃ**

**একক শাষত ঃ**

বিজয়ী ঃ— মিচ্ দিপামনি নাথ স্নাতক ১ম বৰ্ষ
বিজেতা ঃ— মিচ্ দিপা নাথ স্নাতক ১ম বৰ্ষ

**দ্বৈত শাষাত ঃ**

বিজয়ী দল ঃ—
i. মিচ্ দিপামনি নাথ স্নাতক ৩য় বৰ্ষ
ii. মিচ্ বন্দনা নাম স্নাতক ৩য় বৰ্ষ

বিজেতা দল ঃ—
i. মিচ্ দিপা নাথ স্নাতক ১ম বৰ্ষ
ii. মিচ্ বৰ্ণালি নাথ স্নাতক ১ম বৰ্ষ

**চইনিচ্ চেকাৰ প্ৰতিযোগ্যতা ঃ**

বিজয়ী — মিচ ৰূপালী বসুমতাৰী উঃ মাঃ ২য় বৰ্ষ
বিজেতা — মিচ্ দিপালি বসুমতাৰী স্নাতক ৩য় বৰ্ষ

**লুদু প্ৰতিযোগীতাৰ ফলাফল ঃ**

বিজয়ী— মিচ্ নীলা দাস স্নাতক ২য় বাষিক
বিজেতা— মিচ্ কবিন দেৱী স্নাতক ৩য় বৰ্ষ

**ফল সজোৱা কাৰ্য্য প্ৰতিযোগীতাৰ ফলাফল ঃ**

প্ৰথম — মিচ্ বন্দনা কবিতা স্নাতক ৩য় বৰ্ষ
দ্বিতীয. — মিচ্ অৰ্চনা পাটগিৰি উঃ মাঃ ২ম বৰ্ষ

**ৰন্দন পৰিচালনা প্ৰতিযোগ্যতাৰ ফলাফল ঃ**

প্ৰথম— মিচ্ বন্দনা নাম স্নাতক ৩য় বৰ্ষ
দ্বিতীয় — মিচ্ পাৰুল হাজং . স্নাতক ১ম বৰ্ষ

## ছাত্ৰ জিৰীনী কোঠাৰ খেল সমূহ ঃ

**লৰাৰ কেৰম প্ৰতিযোগীতাৰ ফলাফল ঃ—**

**একক শাষত ঃ—**

বিজয়ী ঃ— বিমল প্ৰসাদ ৰাভা স্নাতক ২য় বৰ্ষ
বিজেতা ঃ— চোচিন্দ্ৰ মোহন নাথ উঃ মাঃ ১ম বৰ্ষ

**দ্বৈত শাষাত ঃ**

বিজয়ী —
i. দিপক কুমাৰ শৰ্মা স্নাতক ২য় বৰ্ষ
ii. আথিক সাহা উঃ মাঃ ২য় বৰ্ষ

বিজেতা দল ঃ
i. ভাস্কৰ কলিন স্নাতক ৩য় বৰ্ষ
ii. বিশ্বজিৎ নাথ স্নাতক ৩য় বৰ্ষ

দ্বৈত মিশ্র শাখাত :

বিজয়ী দল :—

i. বিমল প্রসাদ ৰাভা — স্নাতক ২য় বৰ্ষ
ii. জয়া তালুকদাৰ — উঃ মাঃ ২য় বৰ্ষ

বিজেতা দল :—

i. দিপক কুমাৰ শৰ্মা — স্নাতক ২য় বৰ্ষ
ii. দিপা নাথ — স্নাতক ২য় বৰ্ষ

## দবা খেল প্ৰতিযোগীতাৰ ফলাফল :—

বিজয়ী : শ্ৰী গোলাপ কলিতা — স্নাতক ১ম বৰ্ষ, বিজ্ঞান
বিজেতা : শ্ৰী ~~পবিত্ৰ গগৈ~~ — স্নাতক ১ম বৰ্ষ

## লঘু ক্ৰীড়া বিভাগৰ ফলাফল

বেদমিন্টন প্ৰতিযোগীতাৰ লৰাৰ দ্বৈত্ব শাখাৰ :

বিজয়ী দল :

i. চুবৰ্ত কুঃ দাস — স্নাতক ২য় বাৰ্ষিক
ii. প্ৰনয় চাহা — স্নাতক ১ম বাৰ্ষিক

বিজেতা দল :

i. অনুপ ৰাভা — উঃ মাঃ ১ম বাৰ্ষিক
ii. জয়ন্ত ৰাভা — উঃ মাঃ ১ম বাৰ্ষিক

লৰাৰ একক শাখাত :

বিজয়ী—চুবৰ্ত কুঃ দাস — স্নাতক ২য় বাৰ্ষিক
বিজেতা—জিতু মেধী — স্নাতক ১ম বাৰ্ষিক

দ্বিত মিশ্ৰ শাখাত :

বিজয়ী দল :

i. চুবৰ্ত কুঃ দাস — স্নাতক ২য় বাৰ্ষিক
ii. মিচ্ কণিকা ৰাভা — উঃ মাঃ ২য় বৰ্ষ

বিজেতা দল :

i. বেদব্ৰত ৰায় — স্নাতক ২য় বৰ্ষ
ii. নিবেদিতা বৰ্মন — উঃ মাঃ ২য় বৰ্ষ

## লৰাৰ টেবুল টেনিচ্ প্ৰতিযোগ্যতাৰ ফলাফল সমূহ :

বিজয়ী দল :

I. পবিত্ৰ গীগ — স্নাতক ১ম বৰ্ষ
II. জয়ন্ত ৰাভা — উঃ মাঃ ২য় বৰ্ষ

বিজেতা দল :

1. অনুপ ৰাভা — উঃ মাঃ ১ম বৰ্ষ
11. ৰাহুল ৰায় — স্নাতক ১ম বৰ্ষ

লৰাৰ একক শাখাত :—

বিজয়ী—জয়ন্ত ৰাভা — উঃ মাঃ ২য় বৰ্ষ
বিজেতা—হিৰেনদেৱ বৰ্মন — স্নাতক ১ম বৰ্ষ

## ছোৱালীৰ বেদমিন্টন প্ৰতিযোগিতাৰ ফলাফল সমূহ :

একক শাখাত :

বিজয়ী—মিচ অৰ্চনা নাটগিৰি — উঃ মাঃ ১ম বৰ্ষ
বিজেতা—মিচ নিবেদিতা বৰ্মন — উঃ মাঃ ২য় বৰ্ষ

দ্বৈত শাখাত :

বিজয়ী দল :

i. ললিতা শৰ্মা
ii. অৰ্চনা পাটগিৰি — উঃ মাঃ ১ম বৰ্ষ

বিজেতা দল :

1. বন্দনা নাথ — স্নাতক ৩য় বৰ্ষ
ii. দিপালি বসুমতাৰী — স্নাতক ৩য় বৰ্ষ

## ৰিং খেল প্ৰতিযোগ্যতাৰ ফলাফল :

একক শাখাত :

বিজয়ী — মিচ্ দিপালী বসুমতাৰী — স্নাতক ৩য় বৰ্ষ
বিজেতা —মিচ্ মধুমিতা বাভা — উঃ মাঃ ১ম বৰ্ষ

দ্বৈত শাশাত :

বিজয়ী দল—

i. দিপালী বসমুতাৰী — স্নাতক ৩য় বৰ্ষ
ii. মিচ্ বন্দনা নাথ — স্নাতক ৩য় বৰ্ষ

বিজেতা দল—

মিচ্ কণিকা ৰাভা — উঃ মাঃ ২য় বৰ্ষ
মিচ্ নিবেদিতা বৰ্মন — উঃ মাঃ ২য় বৰ্ষ

## কুইজ প্ৰতিযোগীতাৰ ফলাফল :—

বিজয়ী দল—

I. নিৰেশ দাস
II. সঞ্জয় কুমাৰ দাস
II. মনোৰঞ্জন ৰায়
IV. টিংকু এম ৰায়

বিজেতা দল—

I. মিচ্ নিলুতা য়াচামিন — স্নাতক ২য় বৰ্ষ
II. হামিদুল গনি — স্নাতক ২য় বৰ্ষ
III. মিচ্ নৱমী দাস — স্নাতক ২য় বৰ্ষ
IV. মিচ্ ৰুপালী শইকীয়া — স্নাতক ২য় বৰ্ষ

## আকস্মিক বক্তৃতা প্ৰতিযোগীতা :—

প্ৰথম— শ্ৰী অনুপ কলিতা — স্নাতক ২য় বৰ্ষ (কলা)
দ্বিতীয়— শ্ৰী বিপুল ৰাভা — স্নাতক ২য় বৰ্ষ

## আবৃতি প্ৰতিযোগীতা ( অসমীয় )

প্ৰথম– শ্ৰী মনোজ দাস স্নাতক ২য় বৰ্ষ, কলা
দ্বিতীয়– শ্ৰী কমল বৰা উঃ মাঃ ১ম বৰ্ষ, কলা

## তৰ্ক প্ৰতিযোগীতা ঃ

প্ৰথম–শ্ৰী কমল বৰা উঃ মাঃ ১ম বৰ্ষ, কলা
দ্বিতীয়–শ্ৰী দিলীপ নাথ স্নাতক ৩য় বৰ্ষ, কলা
শ্ৰেষ্ঠ তাৰ্কিক
শ্ৰী কমল বৰা উঃ মাঃ ১ম বৰ্ষ, কলা

## আবৃতি প্ৰতিযোগীতা ( ইংৰাজী )

প্ৰথম–কমল বৰা উঃ মাঃ ১ম বৰ্ষ
দ্বিতীয়–দিপাঞ্জলী দাস স্নাতক ১ম বৰ্ষ, কলা

## বড়ো আবৃতি প্ৰতিযোগীতা ঃ–

প্ৰথম–শ্ৰী তপন বসুমতাৰী উঃ মাঃ ২য় বৰ্ষ
দ্বিতীয়–শ্ৰী অঞ্জু বসুমতাৰী উঃ মাঃ ২য় বৰ্ষ

## বাতৰি পঢ়া প্ৰতিযোগীতা ( অসমীয়া )

প্ৰথম–শ্ৰী কমল বৰা উঃ মাঃ ১ম বৰ্ষ কলা
দ্বিতীয় মিচ দিপাঞ্জলী দাস স্নাতক ১ম বৰ্ষ কলা
মিচ্ বন্দনা কলিতা স্নাতক ৩য় বৰ্ষ কলা

## বাতৰি পঢ়া প্ৰতিযোগীতা ( ইংৰাজী )

প্ৰথম–শ্ৰী কমল বৰা উঃ মাঃ ১ম বৰ্ষ
দ্বিতীয়–শ্ৰী গোলাপ কলিতা

## বাতৰি পঢ়া প্ৰতিয়োগীতা ( বড়ো )

প্ৰথম–শ্ৰী তপন বসুমতাৰী উঃ মাঃ ২য় বৰ্ষ
দ্বিতীয়–মিচ্ অঞ্জু বসুমতাৰী উঃ মাঃ ২য় বৰ্ষ

## সংগীত প্ৰতিযোগীতাৰ ফলাফল সমহ ঃ–

**১। অসমীয়া আধুনিক গীত ঃ**

প্ৰথম–শ্ৰী প্ৰীতিলেখা দেৱী স্নাতক ২য় বাৰ্ষিক
দ্বিতীয়–শ্ৰী দীপাঞ্জলী দাস স্নাতক ১ম বাৰ্ষিক

**২। বিষ্ণু সংগীত ঃ**

প্ৰথম–প্ৰীতিলেখা দেবী স্নাতক ২য় বাৰ্ষিক
দ্বিতীয়–দীপাঞ্জলী দাস স্নাতক ১ম বাৰ্ষিক

**৩। জ্যোতি সংগীত ঃ**

প্ৰথম–অনুলপ নাথ উঃ মাঃ ২য় বাৰ্ষিক
দ্বিতীয়–চন্দামিতা ৰাভা উঃ মাঃ ১ম বাৰ্ষিক

**৪। কামৰূপী লোকগীত ঃ**

প্ৰথম প্ৰীতিলেখা দেৱী স্নাতক ২য় বাৰ্ষিক
দ্বিতীয়–অনুলতা নাথ উঃ মাঃ ২য় বাৰ্ষিক

**৫। গোৱাল পৰীয়া লোকগীত ঃ**

প্ৰথম প্ৰীতিলেখা দেবী স্নাতক ২য় বাৰ্ষিক
দ্বিতীয় লম্বোধৰ ৰাভা স্নাতক ৩য় বাৰ্ষিক

**৬। বন গীত ঃ**

প্ৰথম–প্ৰীতিলেখা দেৱী স্নাতক ২য় বাৰ্ষিক
দ্বিতীয়–অনুলতা নাথ উঃ মাঃ ২য় বাৰ্ষিক

**৭। ৰবীন্দ্ৰ সংগীত ঃ**

প্ৰথম–প্ৰীতিলেখা দেৱী স্নাতক ২য় বাৰ্ষিক
দ্বিতীয়–দীপাঞ্জলী দাস স্নাতক ১ম বাৰ্ষিক

**৮। জন-জাতীয় লোকগীত ঃ**

প্ৰথম–ছন্দামিতা ৰাভা উঃ মাঃ ১ম বাৰ্ষিক
দ্বিতীয়–প্ৰীতিলেখা দেবী স্নাতক ২য় বাৰ্ষিক

**৯। বিয়া নাম ঃ**

প্ৰথম–কৰবী কলিতা উঃ মাঃ ১ম বাৰ্ষিক
দ্বিতীয়–দীপাঞ্জলী দাস স্নাতক ১ম বাৰ্ষিক

**১০। নিচুকনি গীত ঃ**

প্ৰথম–কৰবি কলিতা উঃ মাঃ ১ম বাৰ্ষিক
দ্বিতীয়–প্ৰীতিলেখা দেবী স্নাতক ২য় বাৰ্ষিক

**১১।ভজন ঃ**

প্ৰথম–প্ৰীতিলেখা দেবী স্নাতক ২য় বাৰ্ষিক
দ্বিতীয়–চন্দামিতা ৰাভা উঃ মাঃ ১ম বাৰ্ষিক

**১২।গজল ঃ**

প্ৰথম–প্ৰীতিলেখা দেবী স্নাতক ২য় বাৰ্ষিক
দ্বিতীয়–চন্দামিতা ৰাভা উঃ মাঃ ১ম বাৰ্ষিক

**১৩।বৰ গীত ঃ**

প্ৰথম–চন্দামিতা ৰাভা উঃ মাঃ ১ম বাৰ্ষিক
দ্বিতীয়–প্ৰীতিলেকা দেৱী স্নাতক ২য় বাৰ্ষিক

**১৪।বিহু গীত ঃ**

প্ৰথম –প্ৰীতিলেখা দেৱী স্নাতক ২য় বাৰ্ষিক
–অনুলতা নাথ উঃ মাঃ ২য় বাৰ্ষিক
দ্বিতীয় –কৰবী কলিতা উঃ মাঃ ১ম বাৰ্ষিক

**১৫।জন-জাতীয় আধুনিক গীত ঃ**

প্ৰথম–অনুলতা নাথ উঃ মাঃ ২য় বাৰ্ষিক
দ্বিতীয়–দীপাঞ্জলী দাস স্নাতক ১ম বাৰ্ষিক

১৬। সমবেত সংগীত ঃ

শ্ৰেষ্ঠ দল ঃ—

i. দীপাঞ্জলী দাস স্নাতক ১ম বাৰ্ষিক
ii. প্ৰীতিলেখা দেৱী স্নাতক ২য় বাৰ্ষিক
iii. কৰবী কলিতা উঃ মাঃ ১ম বাৰ্ষিক
iv. নমিতা বৈশ্য স্নাতক ২য় বাৰ্ষিক
v. অন্নদা বৰ্মন স্নাতক ২য় বাৰ্ষিক

১৭। বাদ্য সংগীত ঃ

প্ৰথম—নাই
দ্বিতীয়—জ্ঞানৰঞ্জন নাথ স্নাতক ৩য় বৰ্ষ

১৮। শ্ৰেষ্ঠ—সংগীত প্ৰতিযোগী ঃ

মিচ্ প্ৰীতিলেখা দেবী স্নাতক ২য় বৰ্ষ, কলা

**সাংস্কৃতিক বিভাগৰ বিভিন্ন প্ৰতিযোগীতাৰফলাফল ঃ—**

**দলীয় আধুনিক নৃত্য ঃ**

প্ৰথম দল ঃ

i. মিচ্ প্ৰীতিলেখা দেৱী (স্নাতক দ্বিতীয় বাৰ্ষিক কলা)
ii. মিচ্ অন্নদা ব্ৰহ্ম (স্নাতক দ্বিতীয় বাৰ্ষিক কলা)
iii. মিচ্ দিপাঞ্জলী দাস (স্নাতক প্ৰথম বাৰ্ষিক কলা)

দ্বিতীয় দল ঃ

i. মিচ্ মনিচা বৈশ্য (উঃ মাঃ ১ম বাৰ্ষিক)
ii. মিচ্ কৰবী কলিতা (উঃ মাঃ ১ম বাৰ্ষিক)
iii. মিচ্ অঞ্জনা কলিতা (উঃ মাঃ ১ম বাৰ্ষিক)

আধুনিক একক নত্য ঃ

প্ৰথম—মিচ্ যুতিকা সিংহ (উঃ মাঃ ২য় বাৰ্ষিক)
দ্বিতীয়—মিচ্ কৰবী কলিতা (উঃ মাঃ ১ম বাৰ্ষিক )

একক লোক নৃত্য ঃ—

প্ৰথম—
মিচ্ মামনি কাখলাৰী (উঃ মাঃ প্ৰথম বাৰ্ষিক বিজ্ঞান)
দ্বিতীয়—
মিচ্ প্ৰীতিলেখা দেৱী (স্নাতক ২য় বাৰ্ষিক কলা)

দলীয় লোক নৃত্য ঃ—

প্ৰথম—

i. মিচ্ প্ৰীতিলেখা দেবী (স্নাতক ২য় বাৰ্ষিক)
ii. শ্ৰী ৰিপুঞ্জয় খাখলাৰী (স্নাতক ২য় কলা)
iii '' ৰাহুল ৰায় (স্নাতক ১ম বাৰ্ষিক কলা)
iv '' লক্ষ্যধৰ ৰাভা (স্নাতক ১ম বাৰ্ষিক বিজ্ঞান)
v মিচ্ মামনি খাখলাৰী (উঃ মাঃ ১ম বাৰ্ষিক বিজ্ঞান)
vi. শ্ৰী ধনঞ্জয় কাকলাৰী (উঃ মাঃ ২য় বাৰ্ষিক কলা)

দ্বিতীয় ঃ—

i. মিচ্ মানিকা বৈশ্য (উঃ মাঃ ১ম বাৰ্ষিক কলা)
ii. মিচ্ মৃনবিলনী ৰাভা (উঃ মাঃ ১ম বাৰ্ষিক কলা)
iii. মিচ্ বিনিতা ৰায় (স্নাতক ১ম বাৰ্ষিক কলা)
iv. শ্ৰী প্ৰহ্লাদ ৰাঙা (উঃ মাঃ ১ম বাৰ্ষিক কলা)
v. শ্ৰী অমৰ ৰাভা (উঃ মা ১ম বাৰ্ষিক কলা)
vi শ্ৰী দুৰ্লভ ৰাভা (উঃ মাঃ ১ম বাৰ্ষিক কলা)

একক অভিনয় ঃ

প্ৰথম—শ্ৰী অনুপ কলিতা (স্নাতক ২য় বাৰ্ষিক)
দ্বিতীয়—শ্ৰী মানৱ সিংহ (উঃ মাঃ য় বাৰ্ষিক)

কৌতুক অভিনয় ঃ

প্ৰথম—শ্ৰী অনুপ কলিতা (স্নাতক ২য় বাৰ্ষিক)
দ্বিতীয়—শ্ৰী মানৱ সিংহ (উঃ মাঃ ২য় বাৰ্ষিক)

মুক-অভিনয় ঃ

প্ৰথম—নাই
দ্বিতীয়— i. শ্ৰী মানৱ সিংহ (উঃ মাঃ ২য় বাৰ্ষিক)
ii. শ্ৰী ত্ৰিদিপকুমাৰ দাস (স্নাতক ১ম বাৰ্ষিক বিজ্ঞান)

**একাংকিকা নাট ঃ—**

শ্ৰেষ্ঠ নাট **"আমাক এজাক শিশু লাগে"**

অভিনয়ত ঃ

i. শ্ৰী নিকুঞ্জ দাস (স্নাতক ১ম বাৰ্ষিক)
ii. '' বিপুল নাথ
iii. '' ৰাজাৰাম ৰাভা (স্নাতক ৩য় বাৰ্ষিক)
v. '' মানৱ সিংহ (উঃ মাঃ ২য় বাৰ্ষিক)
v. মিচ্ অনুলতা নাথ (উঃ মাঃ ২য় বাৰ্ষিক)

শ্ৰেষ্ঠ পৰিচালক ঃ

i. বাবুৰাম শৰ্মা (স্নাতক ২য় বাৰ্ষিক)

("নাটক নহয় নচত্ৰা" নাটৰ বাবে)

দ্বিতীয় শ্ৰেষ্ঠ পৰিচালিকা ঃ মিচ্ হৃদয়া চৌধুৰী
("উজ্জীৱন" নাটৰ বাবে)

প্ৰথমশ্ৰেষ্ঠ—অভিনেতা- বাবুৰাম শৰ্মা
স্নাতক ২য় বাৰ্ষিক

২য় শ্ৰেষ্ঠ—অভিনেতা- বিপুল নাম
(স্নাতক ২য় বাৰ্ষিক)

প্ৰথমা শ্ৰেষ্ঠা অভিনেত্ৰী- মিচ্ অনুলতা নাথ
(উঃ মাঃ ২য় বাৰ্ষিক)

দ্বিতীয় শ্ৰেষ্ঠা অভিনেত্ৰী - মিচ্ শৰ্মা কলিতা
(উঃ মাঃ ১ম বাৰ্ষিক)

## ১৯৯৩ চনৰ প্ৰাচীৰ পত্ৰিকা বিভাগৰ প্ৰতিযোগীতাৰ বিভিন্ন ফলাফল সমহ ঃ—

১। **কবিতাত—**
প্ৰথম—শ্ৰী বিপুল নাম
দ্বিতীয়—শ্ৰী অনুপ কলিতা

২। **প্ৰৱন্ধত—**
শ্ৰী জয়ন্ত কুঃ দাস
(নিচুপী বঁটা)

৩। **চুটি গল্প—**
প্ৰথম—ৰাজাৰাম ৰাভা
দ্বিতীয়—বিশ্বজিৎ নাথ

৪। **ৰস ৰচনা**
শ্ৰী অঞ্জন ৰাভা (নিচুকনী বঁটা)

৫। ইংৰাজী কবিতাত—একমাত্ৰ প্ৰতিযোগী—দিলীপ কুমাৰ ৰামক নিচুকনি বঁটা দিয়া হয়।

## সমাজসেৱা বিভাগৰ পুৰস্কাৰ সমুহৰ তালিকা ঃ—

**লৰা ঃ—**

১। প্ৰথম—
শ্ৰী কিচন বসুমপৰি (স্নাতক ২য় বৰ্ষ, কলা)

২। প্ৰথম—
শ্ৰী নিশিকান্ত দাস (স্নাতক ২য় বৰ্ষ, বিজ্ঞান)

দ্বিতীয় পুৰস্কাৰ ঃ—
১। শ্ৰী দিপাঙ্কৰ খাখলাৰী (স্নাতক ২য় বৰ্ষ, কলা)

**ছোৱালী ঃ—**

প্ৰথম পুৰস্কাৰ ঃ—
১। মিচ্ কবিতা দেৱী (স্নাতক ২য় বৰ্ষ কলা)
২। মিচ্ মাধবী কলিতা (স্নাতক ৩য় বৰ্ষ কলা)

দ্বিতীয় পুৰস্কাৰ ঃ—
১। মিচ্ ৰেনুকা পাঠক (স্নাতক ২য় বৰ্ষ কলা)
২। মিচ্ ভানুমতী কলিতা (উঃ মাঃ ১ম বৰ্ষ, কল)

### সৰ্ব্বশ্ৰেষ্ঠ সমাজ সেৱক ঃ—

**'লৰা'**
১। নজৰুল ইছলাম (স্নাতক ১ম বৰ্ষ কলা)

'ছোৱালীৰ শ্ৰেষ্ঠ সমাজ সেৱিকা
২। মিচ্ সুপ্ৰভা দেৱী (স্নাতক ২য় বৰ্ষ, কলা)

## ১৯৯৩ চনৰ নৱাগত আদৰণী সভা উপদেষ্টা হোৱা সমাজসেৱা বিভাগৰ ফলাফল সমূহ তলত দিয়া হল ঃ-

**'লৰাৰ'**

প্ৰথম পুৰস্কাৰ ঃ
১। মনবাহাদুৰ চেত্ৰী (উঃ মাঃ ২য় বৰ্ষ)

দ্বিতীয় পুৰস্কাৰ ঃ
১। চালানঠু সূত্ৰধৰ (উঃ মাঃ ২য় বৰ্ষ)
২। কামেশ্বৰ ৰাভা (উঃ মাঃ ২য় বৰ্ষ)

**'ছোৱালীৰ'**

প্ৰথম পুৰস্কাৰ ঃ
১। মিচ্ চুক্ৰিতি চাংমা (স্নাতক ২য় বৰ্ষ)

দ্বিতীয় পুৰস্কাৰ ঃ
২। মিচ্ কবিতা দেবী (স্নাতক ৩য় বৰ্ষ)

1. **পাঞ্জা (লৰা**
প্ৰথম—শ্ৰী টিংকুমনি ৰয় (স্নাতক দ্বিতীয় বাৰ্ষিক)
দ্বিতীয়—শ্ৰী বিপুল ৰাভা। (স্নাতক প্ৰথম বাৰ্ষিক)

2. **ভাৰ উত্তলন (লৰা)**
বিজয়ী দল
i. শ্ৰী বিমল প্ৰসাদ ৰাভা। (স্নাতক দ্বিতীয় বাৰ্ষিক)
ii. শ্ৰী কণিষ্ক ৰয় চৌধাৰী (স্নাতক ২য় বাৰ্ষিক 50.5 kg)

**বিজিত দল**
i. শ্ৰী প্ৰনয় কুমাৰ সাহা। (উঃ মাঃ দ্বিতীয় বাৰ্ষিক)
ii. শ্ৰী অঞ্জন ৰাভা। (স্নাতক ২য় বাৰ্ষিক 55.5 kg)

3. **শৰীৰ চৰ্চা (লৰা**
প্ৰথম—শ্ৰী ৰিপুনজয় খাখলাৰী। (স্নাতক দ্বিতীয় বাৰ্ষিক)
দ্বিতীয়—শ্ৰী ৰাহুল ৰয়। (স্নাতক প্ৰথম বাৰ্ষিক)

### আন্তঃশ্ৰেণী ফুটবল খেল প্ৰতিযোগিতাৰ ফলাফল ঃ—

চেম্পিয়ন দল— উঃ মাঃ দ্বিতীয় বৰ্ষ (কলা)
ৰানাৰ্চ আপ দল— বি, এ (দ্বিতীয়)
শ্ৰেষ্ঠ খেলুৱৈ— শ্ৰী প্ৰতুল কুমাৰ দৈমাৰী
মেন অৱ দি মেট্চ— বেদব্ৰত ৰয়
মেন অৱ দি চিৰিজ— বিমল প্ৰসাদ ৰাভা

### আন্তঃশ্ৰেণী ভলীবল প্ৰতিযোগিতাৰ ফলাফল ঃ—

বিজয়ী— কনক চন্দ্ৰ খাখলাৰী আৰু তেওঁৰ দল।
বিজেতা দল— মনিব কুমাৰ খাখলাৰী আৰু তেওঁৰ দল।

# DUDHNOI COLLEGE STUDENTS' UNION



**Standing from left Side** : Ms. Shukriti Sangma (Secy, Girls' Common Room) Biju Sarkar (Secy, swimming & Gymnasyum), Gagadish Sarma (Secy, Board Magazine) Ripunjoy Khakhalary (Secy, Major Games), Ibrahim Ali (Secy, Asstt. General) Janardan Pathak (Secy, Music), Pratul Daimary (Secy, Foot-ball)

**Sitting From left-side** : Hemanta Kr. Nath (Secy, Debate & Symposium) Mukul Hussain (Secy, College Magazine), Bimal Prasad Rabha (General Secretary), Dipak sarma (Secy, Boys' Common Room ) Namita Baishwa, (Cultural Secy) Kaniska Roy choudhury (Vice President) Not seen in photo.



## Board of Editorial

Left to Right, Mukul Huchain, Prof. J. Coch, K. K. Rabha, (Principal), Prof. H. K. Rabha, Prof. A. R. Bhattacharjee

Principal K. Rabha. Along with Bimal Prasad Rabha, General Secretary and Kaniska Roy Chowdhu Vice-President, 1993-94.



Dilip Kumar Nath



প্রয়াত তনু কৌতুক স্মৃতি আন্তঃ মহাবিদ্যালয় তর্ক প্রতিযোগীতা ৭ই অক্টোবর

শ্রীতরুণ চন্দ্র চাংমাই

# দুধনৈ মহাবিদ্যালয় আলোচনী

## "ষষ্ট দশ বছৰ ঃ নবম সংখ্যা ঃ ১৯৯৩-৯৪ চন"

"দুধনৈ মহাবিদ্যালয় আলোচনীৰ পূৰ্ব প্ৰকাশিত সংখ্যা আৰু সম্পাদকসকল"

| | | | |
|---|---|---|---|
| প্ৰথম বছৰ ঃ | প্ৰথম সংখ্যা ঃ | ১৯৭৭ ইং চন ঃ | শ্ৰী যশোৱন্ত ৰাভা |
| দ্বিতীয় বছৰ ঃ | দ্বিতীয় সংখ্যা ঃ | ১৯৭৮ ইং চন ঃ | শ্ৰী সোমেশ্বৰ ৰাভা |
| পঞ্চম বছৰ ঃ | তৃতীয় সংখ্যা ঃ | ১৯৭৯ ইং চন ঃ | শ্ৰী কেশৱ চন্দ্ৰ চৌধুৰী |
| নৱম বছৰ ঃ | চতুৰ্থ সংখ্যা ঃ | ১৯৮৩ ইং চন ঃ | শ্ৰী গুণধৰ ৰাভা |
| | | ১৯৮৪-৮৫ ই. চন ঃ | শ্ৰী বুদ্ধদেৱ পাটগিৰী |
| একাদশ বছৰ ঃ | পঞ্চম সংখ্যা ঃ | ১৯৮৬-৮৭ ইং চন ঃ | শ্ৰী গঙ্গেশ্বৰ কলিতা |
| ত্ৰয়োদশ বছৰ ঃ | ষষ্ট সংখ্যা ঃ | ১৯৮৮-৮৯ ইং চন ঃ | শ্ৰী সৰ্বেশ্বৰ ইংতি ৰাভা |
| চতুৰ্দশ বছৰ ঃ | সপ্তম সংখ্যা ঃ | ১৯৮৯-৯০ ই.ং চন ঃ | শ্ৰী গুণেন্দ্ৰ কলিতা |
| পঞ্চম বছৰ ঃ | অষ্টম সংখ্যা ঃ | ১৯৯০-৯১ ইং চন ঃ | শ্ৰী ধনঞ্জনয় ৰাভা |

দুধনৈ মহাবিদ্যালয় আলোচনী (১৯৯৩-৯৪) সম্পাদক মুকুল হুছেইনৰ দ্বাৰা প্ৰকাশিত